www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

Volume/Year- I | Issue- 208 | Friday | 5th June, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

প্রথম বছৰ | সংখ্যা- ২০৮ | শুকুৰবাৰ | ৫ জুন, ২০২৬ চন

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিজন মানুহক তুমি ভাল নোপোৱা সেইজনৰ বিষয়ে ভাবি এক মুহূর্ত সময়ো নষ্ট নকৰিবা। - আইঞ্জনহাৰাৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

■ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই ঘোষণা কৰিলে সম্প্রসাৰিত মন্ত্রীসভাৰ তালিকা ■

আজি মন্ত্রীৰূপে শপত ল'ব ১২ গৰাকী বিধায়কে

ড°ৰণোজ পেগু, অশ্বিনী ৰায় সৰকাৰ, বিশ্বজিৎ দৈমাৰী, পীযুষ হাজৰিকা, অশোক সিংহল, কৃষেন্দু পাল, নীলিমা দেৱী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, বিমল বড়া, সুশান্ত বৰগোঁহাই আৰু কেশৰ মহন্তলৈ মন্ত্রিত্বৰ সোৱাদ

❐ নতুনকৈ চাৰিখন নতুন মুখ, বিভিন্ন জনগোষ্ঠীক প্রাধান্য ❐

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ জুন ঃ অসম বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ ৩১ দিনৰ মূৰত শুকুৰবাৰে সম্প্রসাৰণ হ'বলৈ চলিছে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ মন্ত্রীসভা। বিজেপি নেতৃত্বাধীন এন ডি এ জোটৰ অসমত এইটোৱেই তৃতীয় কার্যকাল। যি সময়ত কোনে কোনে নতুন মন্ত্রীসভাত স্থান লাভ কৰিব সেই বিষয়ে ৰাজনৈতিক মহলত প্রায় এমাহ ধৰি চলি থকা জল্পনা-কল্পনাৰ অন্ত পেলাই বৃহস্পতিবাৰে সন্ধিয়াত মুখ্যমন্ত্রী ড° শর্মাহি নিজেই ঘোষণা কৰে আগন্তুক মন্ত্রীসভা সম্প্রসাৰণত অন্তর্ভুক্ত হ'বলগীয়া সদস্যসকলৰ নাম। মুখ্যমন্ত্রী ড° শর্মাহি ঘোষণা কৰা তালিকা অনুসৰি, শুকুৰবাৰে মন্ত্রীৰূপে শপত গ্রহণ কৰিবলগীয়া ১২ গৰাকী বিধায়ক হৈছে— ড° ৰণোজ পেগু, অশ্বিনী ৰায় সৰকাৰ, বিশ্বজিৎ দৈমাৰী, পীযুষ হাজৰিকা, ❐ ৬ পৃষ্ঠাত

◀ আজিৰ কলম ▶

মানুহৰ বিধংসী উন্মাদনাত বিশ্বৰ পৰিবেশ

ড° আৰ কে বেজবৰুৱা

আমি এটা গ্রহত বাস কৰোঁ। এই গ্রহটো বায়ু-পানী, পাহাৰ পর্বত, গছ-গছনি, জীব-জন্তু, বিভিন্ন অণুজীৱ, আদিৰে ভৰপূৰ। ইয়াত আমি পাওঁ সূর্যৰ উত্তাপ, জোনৰ জোনাক। ৰিমঝিম বৰষুণ, ভোমোৱাৰ গুণ গুণ, ফুলৰ সুবাস। আমাৰ চাৰিওফালে থকা এই সকলোবিলাক মিলি গঠিত হৈছে আমাৰ পৰিবেশ। ▸▸৬ পৃষ্ঠাত

৮ জুনৰ পৰা আৰম্ভ হ'ব সাক্ষী পৰীক্ষা

পুনৰ নাকচ হ'ল মূল অভিযুক্ত সিদ্ধার্থ শর্মাৰ জামিন আবেদন

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ জুন ঃ প্রাণৰ শিল্পী জুবিন গার্গৰ হত্যাকাণ্ড গোচৰটো ফাষ্টট্রেক আদালতত গতি লাভ কৰি আছে। এই গোচৰৰ অন্যতম মূল অভিযুক্ত সিদ্ধার্থ শর্মাৰ জামিন আবেদনৰ শুনানি বৃহস্পতিবাৰে উচ্চ ন্যায়ালয়ত ❐ ৬ পৃষ্ঠাত

অবৈধ অনুপ্রবেশ আৰু চোৰাং বেহা প্রতিৰোধত গুৰুত্ব; বিএছএফৰ সৈতে বৈঠক

ভাৰত-বাংলাদেশ সীমান্ত সুৰক্ষাক লৈ ত্রিপুৰাত অমিত শ্বাহৰ পর্যালোচনা সভা

আজিৰ কলম

বিশ্ব পৰিবেশ দিৱস আৰু কৰণীয়

শৰৎ চন্দ্র চিৰিংফুকন

পৰিবেশ দিৱস বুলিলে আমি বহু পাৰিপার্শ্বিকতাৰ সম্ভেদ পাওঁ। পৰিবেশৰ সাহর্যতেই মানুহে জীৱন-জীবিকাৰ গতিপথ সুচল কৰিব পাৰে। আমি জানো যে বিশ্বৰ চৌপাশে নানান ❐ ৬ পৃষ্ঠাত

জুনৰ পৰা মার্চলৈ মাহে-মাহে পৃথক হাৰ নির্ধাৰণ

চিলিণ্ডাৰ, পেট্রে'ল-ডিজেলৰ পিছত মাচুল বৃদ্ধি বিদ্যুতৰ

প্রতি ইউনিটত সর্বনিম্ন ১৫ পইচাৰ পৰা সর্বোচ্চ ২৮ পইচালৈ বৃদ্ধি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ জুন ঃ ৰাজ্যখনত ইতিমধ্যে বান্ধনি গোহৰ চিলিণ্ডাৰ, পেট্রে'ল আৰু ডিজেলৰ মূল্যবৃদ্ধিত ধুঁৱলি-কুঁৱলি হৈ পৰা সাধাৰণ জনতাই এইবাৰ বিদ্যুতৰ মাচুলৰ নতুন চেপাত পুনৰ হাহাকাৰ কৰিব লগা হৈছে। অসম বিদ্যুৎ বিতৰণ কোম্পানীয়ে (এপিডিচিএল) ৰাজ্যত বিদ্যুতৰ মাচুল পুনৰ বৃদ্ধি কৰি ❐ ৩ পৃষ্ঠাত

মধ্যপ্রাচ্যৰ সংকট; বিটিচি চৰকাৰৰ গুৰুত্বপূর্ণ সিদ্ধান্ত

ছমাহৰ বাবে কার্যবাহী-পৰিষদীয় সদস্যৰ দৰমহা ৩০ শতাংশ হ্রাস

ভূমিহীন লোকক মাটি পট্টা প্রদানৰ বাবে মণ্ডলীয় সমিতি গঠন

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ জুন ঃ মধ্যপ্রাচ্যৰ অস্থিৰ পৰিস্থিতিয়ে বিশ্বজুৰি অর্থনৈতিক সংকটৰ সৃষ্টি কৰিছে। ইয়াৰ নাটনি আৰু মূল্যস্ফীতিৰ ফলত দেশ তথা ৰাজ্যখন প্রভাৱিত হৈ পৰিছে। এই প্রেক্ষাপটতে বড়োলেণ্ড ▸▸৭ পৃষ্ঠাত

নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ জুন ঃ ভাৰত-বাংলাদেশ আন্তৰ্ৰাষ্ট্রীয় সীমান্ত সুৰক্ষা ব্যবস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে শুকুৰবাৰে ত্রিপুৰাত এক উচ্চপর্যায়ৰ ❐ ৬ পৃষ্ঠাত

❐ বিশেষ কর্মচাৰী আৰু ঠিকাদাৰৰ বিৰুদ্ধে উচ্চ পর্যায়ৰ তদন্ত দাবী ❐

পোহৰলৈ বিশ্বজিত দৈমাৰীৰ কার্যকালৰ দুর্নীতিৰ দস্তাবেজ

এপিডব্লিআ'ৰ স্মাৰকপত্রত ১৬টা গুৰুত্বপূর্ণ দফা বর্তমান অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসক স্মাৰকপত্র দাখিল

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ জুন ঃ অসম বিধানসভাৰ তদানীন্তন অধ্যক্ষ বিশ্বজিত দৈমাৰীৰ কার্যকালত সংঘটিত হোৱা কেইবাটাও দুর্নীতি আৰু অনিয়মৰ দলিল পোহৰলৈ অহাৰ পাছতে ৰাজ্যৰ সচেতন মহলত তীব্র সঁহাৰি সৃষ্টি হৈছে। নিযুক্তি কেলেংকাৰী, বিত্তীয় ❐ ৬ পৃষ্ঠাত

◀ আজিৰ কলম ▶

বিশ্ব পৰিবেশ দিৱসৰ প্রাসংগিকতা আৰু আমাৰ সংকল্প

নলিনী ৰঞ্জন ভূঞা

প্রকৃতি হৈছে জীৱনৰ আধাৰ। গছ-গছনি, জলাশয়, বনাঞ্চল, জীৱজন্তু, মাটি, বায়ু, পানী- এই সকলোবোৰৰ মিলনেই হৈছে আমাৰ পৰিবেশ। এই পৰিবেশক সুৰক্ষিত কৰি ৰখা মানে, নিজকে আৰু ভবিষ্যৎ প্রজন্মক সুস্থ জীৱনৰ পথ প্রদান কৰা। এই গুৰুত্বপূর্ণ ▸▸৭ পৃষ্ঠাত

◀ আজিৰ কলম ▶

প্রকৃতি ধ্বংসৰ ভয়ংকৰ পৰিণতি

হিমাংশু ৰঞ্জন ভূঞা

আমাৰ এই বিশাল আৰু বৈচিত্র্যময় পৃথিবীখন কেৱল মাটি, পানী আৰু বায়ুৰ এক জড় সমষ্টি নহয়, বৰঞ্চ ই হৈছে এক স্পন্দনশীল আৰু জটিল জীৱন্ত ব্যবস্থা য'ত প্রতিটো উপাদানে ইটোৰে সিটোৰ সৈতে এক গভীৰ আৰু অবিচ্ছেদ্য সম্পর্ক বক্ষা কৰি চলি আছে। প্রকৃতিৰ এই সুৰক্ষিত আৰু সুশৃংখল অবস্থাটোৰেই ▸▸৭ পৃষ্ঠাত

■ শ্রদ্ধাঞ্জলি জনোৱা সকলোলৈ কৃতজ্ঞতা ■

ফোনৰ সঁহাৰি দিব নোৱাৰি ক্ষমা প্রার্থনা মাতৃহাৰা অখিল গগৈৰ

নিউজ ডেস্ক, অসম বার্তা, ৪ জুন ঃ মাতৃহাৰাৰ বেদনাত ম্রিয়মাণ হৈ পৰিছে ৰাইজৰ দলৰ বিধায়ক তথাটি দলটোৰ সভাপতি অখিল গগৈ। পুত্র হিচাপে সকলো ৰীতি-নীতি পালন কৰি মাতৃৰ শেষকৃত্য সম্পন্ন কৰি তেওঁ যথেষ্ট বেজাৰত দিন কটাইছে। ❐ ৬ পৃষ্ঠাত

নীট প্রত্যাশীৰ আত্মহত্যাৰ ঘটনাত চৰকাৰক কঠোৰ দোষাৰোপ ৰাহুল গান্ধীৰ

'প্রধানমন্ত্রীৰ দিনত দুর্নীতিগ্রস্ত ব্যৱস্থাৰ পৰিণতি এই মৃত্যু'

নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ জুন ঃ নীট (ইউজি) ২০২৬ পৰীক্ষাৰ প্রশ্নকাকত ফাঁদিলৰ ঘটনাই দেশজুৰি তীব্র প্রতিক্রিয়াৰ সৃষ্টি কৰিছে। এই প্রেক্ষাপটতে মধ্যপ্রদেশৰ মৌগঞ্জ ❐ ৩ পৃষ্ঠাত

মৰাণ আৰু মটক জনগোষ্ঠীৰ কেউটা সংগঠনৰ যৌথ উদ্যোগত পুৰাৰে পৰা বন্ধ

মৰাণ-মটক বিধায়ককে মন্ত্রিত্ব নিদিয়াত ক্ষোভত ৪৮ ঘণ্টীয়া তিনিচুকীয়া-ডিব্রুগড় বন্ধ

ৰাজ্যজুৰি কার্যকৰী কৰিলে অসম চৰকাৰে ৰাজ্যত দুর্যোগৰ সতর্কবাণী দিব 'চেল ব্রডকাষ্ট চিষ্টেম'এ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ জুন ঃ তিনিচুকীয়া আৰু ডিব্রুগড় জিলাত শুকুৰবাৰে পুৰাৰ পৰা ৪৮ ঘণ্টাৰ বাবে সম্পূর্ণ বন্ধ ঘোষণা কৰা হৈছে। মৰাণ আৰু মটক জনগোষ্ঠীৰ আটাইকেইটা সংগঠনে যৌথভাৱে এই বন্ধৰ আহ্বান জনাইছে। বন্ধৰ মূল কাৰণ হৈছে ৰাজ্য চৰকাৰে মৰাণ আৰু মটক জনগোষ্ঠীৰ বিধায়কসকলক মন্ত্রীসভাত স্থান প্রদান নকৰাত সৃষ্ট ক্ষোভ। বন্ধৰ বাবে জিলা দুখনৰ জীৱন-যাত্রা বিপর্যস্ত হোৱাৰ আশংকা কৰা হৈছে। ▸▸১০ পৃষ্ঠাত

অঞ্চলজুৰি শোকৰ ছাঁ

বহিঃৰাজ্যত কর্মৰত অৱস্থাতে মাজুলীৰ যুবকৰ কৰুণ মৃত্যু

অসম বার্তা, উজনি মাজুলী, ৪ জুনঃ কর্মসংস্থাপনৰ সন্ধানত বহিঃৰাজ্যলৈ গৈ মাজুলীৰ এজন যুবকে অকাল মৃত্যুক সাবটি ল'ব ▸▸১০ পৃষ্ঠাত

আত্মসহায়ক গোটৰ ৩৫ লাখ মহিলাৰ অংশগ্রহণ

আজি বিশ্ব পৰিবেশ দিৱস! ৰাজ্যত এক কোটি গছপুলি ৰোপণৰ লক্ষ্য

নিউজ ডেস্ক, অসম বার্তা, ৪ জুন ঃ বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি অসম চৰকাৰে ৰাজ্যখনত প্রায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নির্ধাৰণ কৰিছে। এই বৃহৎ পৰিসৰৰ ▸▸৭ পৃষ্ঠাত

পুৰণিগুদামত ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমীৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান উদ্‌যাপনৰ ব্যাপক আয়োজন

যশস্বী শিল্পী মনজ্যোৎস্না মহন্তক ২০২৬-২৭ বৰ্ষৰ লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা বঁটা

অসম বার্তা, পুৰণিগুদাম, ৪ জুন ঃ নগাঁও জিলাৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান অবিনশ্বৰ গোষ্ঠীৰ দ্বাৰা পৰিচালিত "ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমী, পুৰণিগুদাম"ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান উদযাপন সম্পৰ্কত আজি পুৰণিগুদামস্থিত ড° ভবেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহত এখন সংবাদমেল অনুষ্ঠিত হৈ যায়। উক্ত সংবাদমেলত উদ্‌যাপন সমিতিৰ সভাপতি তথা পুৰণিগুদাম বাণীকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অবসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰণব বৰঠাকুৰ আৰু নাট্যকাৰ, পৰিচালক তথা অবিনশ্বৰ গোষ্ঠীৰ সম্পাদক দীপক বৰাই সংবাদমেলত সম্বোধন কৰি ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সকলো দিশৰ সম্পৰ্কত অৱগত কৰে। উল্লেখ্য যে, বিগত ২০০০ চনৰ ১৮ জুনত অবিনশ্বৰ গোষ্ঠীৰ দ্বাৰা প্ৰতিষ্ঠা লাভ কৰা ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমীৰ বিগত বৰ্ষৰ পৰাই "ৰূপালী জয়ন্তী বৰ্ষ" হিচাপে পালন কৰি অহা হৈছে। উদ্যোক্তাসকলে জানিবলৈ দিয়ে যে, বিগত বৰ্ষৰ ১২ জুলাইত শুভাৰম্ভ হোৱা ৰূপালী জয়ন্তী বৰ্ষটিৰ কাৰ্যক্ৰমণিকাক অংশ হিচাপে যোৱা মাৰ্চ মাহত ৰুদ্ৰ বৰুৱা গীতৰ কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। অহা ৪ আৰু ৫ জুলাইত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা বুলি জানিবলৈ দিয়ে। কাৰ্যসূচী অনুসৰি, অহা ৪ জুলাইত পুৱা ৯.৩০ বজাৰ পৰা ক্ৰমে পতাকা উত্তোলন, ছবিৰ স্মৃতিত বন্তি প্ৰজ্বলন, লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা, জুবিন গাৰ্গ, একাডেমীৰ প্ৰয়াত অধ্যক্ষ, কৃতী শিক্ষক তথা অবিনশ্বৰ গোষ্ঠীৰ গীতিকাৰ গৰাকীৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন, প্ৰাক্তন শিক্ষকবৰ্গ আৰু অভ্যাগত সকলক আদৰণি অনুষ্ঠান ৰূপায়ণ কৰিব। পুৱা ১০-৩০ বজাৰ পৰা সদৌ অসম ভিত্তিত ৰুদ্ৰ বৰুৱা গীতৰ প্ৰতিযোগিতাখনি দুটা শাখাত অনুষ্ঠিত হ'ব। জেষ্ঠ আৰু কনিষ্ঠ শাখাত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা প্ৰতিযোগিতাখনিৰ দুয়োটা শাখাতে ক্ৰমে প্ৰথম বিজয়ী ১০ হাজাৰ, দ্বিতীয় বিজয়ী ৭ হাজাৰ, তৃতীয় বিজয়ী ৫ হাজাৰ, চতুৰ্থ বিজয়ী ৪ হাজাৰ আৰু পঞ্চম বিজয়ী প্ৰতিযোগীক ৩ হাজাৰ নগদ টকা, মানপত্ৰ আৰু ট্ৰফী পুৰস্কাৰ হিচাপে আগবঢ়াব। জেষ্ঠ শাখাৰ প্ৰতিযোগীসকলৰ নিম্নতম বয়স পোন্ধৰ বছৰ আৰু ঊৰ্দ্ধতম বয়সৰ কোনো সীমা নিৰ্দ্ধাৰণ কৰা হোৱা নাই। আনহাতে, কনিষ্ঠ শাখাৰ প্ৰতিযোগীসকলৰ বয়স ৮ বছৰৰ পৰা ১৪ বছৰ পৰ্যন্ত নিৰ্দ্ধাৰণ কৰা হৈছে। দুদিনীয়া কাৰ্যসূচীৰ অন্তিমদিন ৫ জুলাইত পুৱা ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমী, পুৰণিগুদামৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সম্মিলন অনুষ্ঠিত হ'ব। বিয়লি ৪-৩০ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান আৰু "লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা বঁটা প্ৰদান" অনুষ্ঠান অনুষ্ঠিত হ'ব। এই বঁটা ২০২৫-২৬ বৰ্ষৰ বাবে যশস্বী শিল্পী সূর্য কুমাৰ বাজা আৰু ২০২৬-২৭ বৰ্ষৰ বাবে যশস্বী শিল্পী মনজ্যোৎস্না মহন্তলৈ আগবঢ়োৱা হৈছে বুলি আজিৰ সংবাদমেলত সম্পাদক দীপক বৰাই সদৰী কৰে। আজিৰ সংবাদমেলত উদ্‌যাপন সমিতিৰ সাংস্কৃতিক বিভাগৰ সভাপতি অনিল চন্দ্ৰ দাস, প্ৰতিযোগিতা সমিতিৰ সভাপতি প্ৰিয়ঙ্কু শইকীয়া, সম্পাদক মিণ্টু কলিতা, উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক কুকিল চন্দ্ৰ বৰা আৰু দ্বীপেন দাস উপস্থিত থাকে। উদ্যোক্তাসকলে জানিবলৈ দিয়া অনুসৰি ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান উৎসৱ উদ্‌যাপন পৃষ্ঠপোষকৰূপে অসম বিধান সভাৰ সম্মানীয় বিধায়ক জিন্তু গোস্বামী, ৰূপক শর্মা আৰু দিপুৰঞ্জন শর্মা থকাৰ লগতে নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শর্মা, মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত ড° মযূৰপখী বৰা, চামওৰি বাজহু চক্ৰ বিষয়া ক্ৰমে ৰাজেশ সিং আৰু ৰাণাদীপ চুতীয়া, অৰসৰ প্ৰাপ্ত অভিযন্তা পূর্ণানন্দ ভূঞা আৰু অভিযন্তা মৌচুমী কাকতি আছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে যোগাযোগ নম্বৰ ৭৬৩৮০৫৯২০১ আৰু ৮৮২২৪৬৩২১৯। আজিৰ সংবাদমেলৰ জৰিয়তে উদ্‌যাপন সমিতিয়ে কার্যসূচী সফল ৰূপায়ণৰ বাবে সমুহ ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাবে কামনা কৰিছে।

'মিছ ৰাছৎছিনি দৰায় ২০২৬'ৰ খিতাপ অর্জন গীতাঞ্জলি ৰাভাৰ

দুধনৈত বর্ণাঢ্য কার্যসূচীৰে ২৭ সংখ্যক বাইখো উৎসৱৰ সামৰণি

অসম বার্তা, ষ্টাফ বিপ'টাৰ, দুধনৈ, ৪ জুন ঃ দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সস্থা আৰু ২৭ সংখ্যক বাইখো উৎসব উদ্‌যাপন সমিতিৰ যৌথ উদ্যোগত যোৱা ৩০ মে'ৰ পৰা তিনিদিনীয়া বর্ণাঢ্য কার্যসূচীৰে দুধনৈ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা বাইখো উৎসৱৰ কালি সফল সামৰণি পৰে। উৎসবৰ কার্যসূচী অনুসৰি, বাইখো উৎসৱৰ তৃতীয় দিনৰ সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে ৰাভা হাছং স্বাস্থ্য শান্তি পৰিষদৰ মুখ্য কার্যবাহী সদস্য তথা দুধনৈ জনজাতি বিধানসভা সম্ভিৰ বিধায়ক টংকেশ্বৰ ৰাভাই। মঞ্চ উদ্বোধনৰ পাছতে ইণ্ডিয়ান আইডল খ্যাত কণ্ঠশিল্পী প্ৰিয়াংশু দত্ত, জনপ্ৰিয় শিল্পী মানসী চহৰীয়া, ৰূপাজলি ৰাভা, সুকন্যা ৰাভা আৰু মৌলিক ৰাভাই গীত-মাত পৰিবেশন কৰি উপস্থিত ৰাইজক মন্ত্ৰমুগ্ধ কৰি ৰাখে। আনহাতে বায়খো উৎসৱৰ দ্বিতীয় দিনা অর্থাৎ ৩১ মে'ৰ কার্যসূচী অনুসৰি পুৱা বাইখো উৎসৱ উদ্‌যাপনৰ পতাকা উত্তোলন কৰে অভ্যর্থনা সমিতিৰ সভাপতি তথা বিধায়ক টংকেশ্বৰ ৰাভাই। তাৰ পিচতেই স্মৃতি তর্পণ, হিয়াৰ আমঠু জুবিন গার্গৰ প্ৰতিচ্ছবিত মাল্যার্পন, বায়খো উদ্‌যাপন সমিতিৰ সৈতে ওতপ্ৰোত ভাবে জড়িত হৈ থকা ১২গৰাকী প্ৰয়াত ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পিছত উদয়পূৰ্বস্থিত বাইখো ধামত বামুথাডাংগা ৰংবুদি বাইখো পূজা সমিতিৰ দ্বাৰা সম্পূর্ণ পৰম্পৰাগত ৰীতি-নীতিৰে বায়খো দেৱীক পূজা-অর্চনা কৰা হয়। দিনৰ ভাগত বিভিন্ন জনগোষ্ঠীয় নৃত্য প্ৰদর্শনৰ লগতে পৰম্পৰাগত লেৰা টানা প্ৰতিযোগিতাও অনুষ্ঠিত হয়। সন্ধিয়া উদয়পূৰ্বস্থিত বাইখো ধামত পূজা শেষ কৰি বায়ব্ৰা তথা পূজাৰীসকলে দুধনৈ ৰাজহুৱা খেলপথাৰৰ উৎসবস্থলীত উপস্থিত হৈ পৰম্পৰাগত 'বাৰনাকায়া' (জুইৰ ওপৰত কৰা নৃত্য) প্ৰদর্শন কৰে। বায়ব্ৰা সকলে গীত-নৃত্যৰে জুইৰ আঙঠা বা এঙাৰৰ ওপৰত খালী ভৰিৰে কৰা এই শিহৰণকাৰী নৃত্যই দর্শকক আকর্ষিত কৰে। নিশা ১০ বজাত অনুষ্ঠিত হোৱা মুকলি মঞ্চ উদ্বোধন কৰে গোৱালপাৰা জিলাৰ আয়ুক্ত প্ৰদীপ টিমুঙে। উৎসৱৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা 'মানচালেংকা' নামৰ স্মৃতিগ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট কবি তথা সাহিত্যিক অনুপমা বসুমতাৰীয়ে। উদ্‌যাপন সমিতিয়ে এই অনুষ্ঠানতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক বিশেষভাবে সম্বর্ধনা জনায়। সম্বর্ধিত ব্যক্তিসকলৰ ভিতৰত আছিল এৰী ৎ মুগা বিশেষজ্ঞ পদ্মশ্ৰী ড° যোগেশ দেউৰী, আন্তঃৰাষ্ট্ৰীয় উশ্বু খেল প্ৰতিযোগিতাত স্বর্ণ পদকপ্ৰাপ্ত ডেইজী ৰাভা, সর্বভাৰতীয় স্তৰত প্ৰশাষন বিজ্ঞানত প্ৰথম স্থান প্ৰাপ্ত তথা প্ৰধানমন্ত্ৰী নৱেন্দ্ৰ মোদীৰ পৰা সম্মান লাভ কৰা বন্দীতা দেৱী ৰাভা, ফুটবল খেলুৰে ছবিন ৰাভা আৰু আন্তঃৰাষ্ট্ৰীয় এচিয়ান লেক্ৰছ গেমছত স্বর্ণপদক লাভ কৰা চন্দন ৰাভা। সম্বর্ধনা অনুষ্ঠানৰ পিছতে উৎসৱৰ মূল আকর্ষণ হিচাপে ৰাভা জাতীয় সাজ-পাৰ আৰু আ-অলংকাৰৰ ওপৰত আধাৰিত 'মিছ বাছৎছিনি দৰায়' (Miss Rasongchini Doray) শীর্ষক আকর্ষণীয় ফেশ্বন শ্ব' প্ৰতিযোগিতা অনুষ্ঠিত হয়। গোৱালপাৰা আৰু কামৰূপ জিলাৰ প্ৰায় ৩৮ গৰাকী যুৱতীয়ে অংশগ্ৰহণ কৰা এই সৌন্দর্য প্ৰতিযোগিতাত 'মিছ বাছৎছিনি দৰায় ২০২৬'ৰ গৌৰৱময় খিতাপ লাভ কৰিবলৈ সক্ষম হয় গীতাঞ্জলি ৰাভাই। আয়োজক সমিতিয়ে বিজয়ী গীতাঞ্জলি ৰাভাক ২০ হাজাৰ টকাৰ চেক, এটি ৰূপৰ মুকুট, মানপত্ৰ, ফুলৰ থোপা আৰু পাজাৰেৰে সম্বর্ধনা জনায়। আনহাতে, প্ৰতিযোগিতাখনত দ্বিতীয় স্থান লাভ কৰে নবনীতা ৰাভাই আৰু তৃতীয় স্থান লাভ 'দ্বিতীয় ৰানাৰ্ছ আপ'ৰ খিতাপ অর্জন কৰে দুধনৈৰ বৰষা হাজোৱাৰীয়ে। ইয়াৰ উপৰিও সামৰণিৰ দিনা বিয়লি ৰাভাসকলৰ পৰম্পৰাগত ছাথাৰ নৃত্য প্ৰতিযোগিতাই সকলোকে আকর্ষণ কৰা দেখিবলৈ পোৱা যায়।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভেৰগাঁও জিলা শাখাৰ প্ৰাক্তন সভাপতি মাধৱ ৰাভাৰ সোঁৱৰণত গ্ৰন্থ উন্মোচন

ভেৰগাঁও প্ৰাথমিক শাখাৰ উদ্যোগত মাধৱদেৱৰ আৰ্ৱিভাৰ মহোৎসৱ উদ্‌যাপন

অসম বার্তা, ষ্টাফ বিপ'টাৰ, টংলা, ৪ জুন ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও প্ৰাথমিক শাখাৰ উদ্যোগত আজি পুৰণি ভেৰগাঁৱৰ নামঘৰত দিনজোৱা কার্যসূচীৰে মহাপুৰুষ মাধবদেৱৰ ৫৩৮ সংখ্যক আৰির্ভাৱ মহোৎসব উদযাপন কৰাৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ভেৰগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাংস্কৃতিক কৰ্মী মাধৱ ৰাভাৰ স্মৃতিত গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই উপলক্ষ্যে পুৱা নামঘৰত ধর্ম ধ্বজা উত্তোলন, শৰাই অৰ্পণ, নাম প্ৰসংগ, কৃতী শিক্ষার্থীৰ সম্বর্ধনা আদি অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিচত যোৱা ২৪ অক্টোবৰত মৃত্যু বৰণ কৰা ভেৰগাঁও জিলা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সভাপতি মাধৱ ৰাভাৰ স্মৃতিত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ভেৰগাঁও জিলা সমিতিৰ সভাপতি মাধৱ চন্দ্ৰ বৰুৱাই। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সদস্য সন্তো হাজৰিকাই উদ্বোধন কৰা সভাত ভেৰগাঁও জিলা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সভাপতি প্ৰয়াত মাধৱ ৰাভাৰ সৌৱৰণত প্ৰকাশ কৰি উলিওৱা গ্ৰন্থ দীঘ আৰু বাণী উন্মোচন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মূল সমিতিৰ সদস্য ৰাম চন্দ্ৰ ডেকাই। গ্ৰন্থ উন্মোচন কৰি তেওঁ জীবন ভিত্তিক এই গ্ৰন্থখনৰ জৰিয়তে মাধৱ ৰাভাৰ স্মৃতি সকলোৰে মনত সজীৱ হৈ থাকিব বুলি কয়। তেওঁ মাধৱ ৰাভাৰ সৈতে লাভ কৰা সান্নিধ্যৰ কথাও স্মৰণ কৰে। দীঘ আৰু বাণি গ্ৰন্থ খনৰ মুখ্য সম্পাদক অপ্ৰতিম বড়া আৰু সম্পাদক নিলীমা ৰাভায়ো গ্ৰন্থখন প্ৰকাশৰ জৰিয়তে হোৱা মনৰ অনুভৱ সম্বন্ধত চমুকৈ ব্যাখ্যা কৰে। সভাত নির্দ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে দৰং জিলা শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখাপ্ৰান্ত সভাপতি ভাৰত চন্দ্ৰ ডেকাই। তেওঁ মহাপুৰুষ মাধবদেৱৰ সৃষ্টি ৰাজিৰ বিশদ ব্যাখ্যা কৰে। তেওঁ একশৰণ নামধর্ম্ম নিষ্ঠাবান কর্মী মাধৱ ৰাভাৰ অকাল বিয়োগত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও আৰু দৰং জিলা সমিতি অপূৰণীয় ক্ষতি হোৱা বুলিও লগতে কয়। আনহাতে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন উপ- পদাধিকাৰ বসুন্ধৰ ডেকাই তেওঁৰ সাংস্কৃতিক আৰু আধ্যাত্মিক বিভিন্ন কৰ্ম ক্ষেত্ৰত মাধৱ ৰাভাই আগবঢ়োৱা সহযোগিতাৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। সমাজ হিতৈষী মাধৱ ৰাভাই এগাৰাকী সুদক্ষ ফুটবল খেলুৰে হিচাপেও নিজৰ প্ৰতিভা প্ৰদর্শন কৰা তেওঁ কয়। আমন্ত্রিত অতিথি হিচাপে অংশগ্ৰহণ কৰি লোক সংস্কৃতিৰ সাধক, লেখক তৰুণ আজাদ ডেকাইমধৱ ৰাভাক এগৰাকী সঁচা অর্থত মাটিৰ মানুহ বুলি উল্লেখ কৰে। আনহাতে তেখেতে মাধৱ ৰাভাৰ পৰিত্ৰ স্মৃতিত এটি বঁটা প্ৰদান কৰিবলৈ পৰিয়ালটোক আৰু সংঘক আহ্বান জনায়। দীঘ আৰু বাণি গ্ৰন্থৰ সম্পাদনা সমিতিৰ সহ কার্যী সম্পাদক মোহন ৰাভাই আঁত ধৰা সভাত ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰী শংকৰ দাসেও মাধৱ ৰাভাৰ সৈতে হোৱা সান্নিধ্যৰ বিষয়ে দুআষাৰ কয়। সভাত ভেৰগাঁও জিলা শাখাৰ উপদেষ্টা বীৰেন লহৰীয়া, সম্পাদকনবীন ডেকা, ৰঙিয়া জিলা শাখাৰ সম্পাদক বসন্ত ডেকা, আনাঁৰনাটাকাৰ পুলিন তালুকদাৰ, সাহিত্যিক পুনৰাম কলিতা, নৱ মল্লিকা সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা মনোৰমা বড়া, জীৱন বীমাৰ অবসৰী কর্মচাৰী মুকল বৈশ্য, অভিনয় শিল্পী উজ্জ্বল শইকীয়া, শিল্পী পেঙ্গনাৰ হবিচৰণ ৰাজবংশী, ৰাভা শিল্পী আৰু লেখক মঞ্চ অসমৰ সম্পাদক সুৰেন্দ্ৰ মোহন ৰাভা, তক্ষশীলা নাট, সংগীতই বিশ্ববিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নাৰায়ণ ৰাভা, সম্পাদক জোনা ৰাভাৰ লগতে বিপিন বৰুৱা, নিত্যানন্দ ডেকা, অতুল চন্দ্ৰ নাথ, গোপাল নাথ, খগেন চহৰীয়া, চিকেন্দ্ৰ চহৰীয়া, ইন্দ্ৰেশ্বৰ চহৰীয়া, মুকুন্দ ডেকা, কমলা কান্ত ডেকা, মিলিক কুমাৰ, প্ৰফুল্ল দাস, মহিমাময়ী বড়ো কন্যা আদি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিভিন্ন বিষয়বৰীয়াৰ লগতে গৰ্মপাণ মাধৱ ৰাভাৰ পৰিবাৰৰ সদস্য, আত্মীয় আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘ, ভেৰগাঁও প্ৰাথমিক শাখা আৰু জিলা শাখাৰ বিষয়বৰীয়াসকল উপস্থিত থাকে।

দৈনিক হাজাৰ লিটাৰ অবৈধ সুৰা নষ্ট কৰিছে আবকাৰী বিভাগে; চুলাই বিক্ৰেতাৰ নিদ্ৰা ভং

সৰুপথাৰত বিশ্বজিৎ ফুকনৰ নির্দেশতেই আবকাৰী বিভাগৰ ধাৰাবাহিক অভিযান

অসম বার্তা, ষ্টাফ বিপ'টাৰ, সৰুপথাৰ, ৪ জুন ঃ সৰুপথাৰ সমষ্টিত এতিয়া দুর্নীতি আৰু অবৈধ সু�ৰাৰ ব্যৱসায় কৰা লোকে থকাছুটি হেৰুৱাইছে। সমষ্টিটোত দ্বিতীয় বাৰৰ বাবে নির্বাচিত হোৱা বিধায়ক বিশ্বজিৎ ফুকনে এইবাৰ ৰূপ সলাইছে আৰু বিগতবাৰতকৈ এইবাৰ অধিক কঠোৰ হোৱা দেখা গৈছে। বিধায়ক জনে আৰম্ভণিতেই ঘোষা ১৯মে' তাৰিখে বাইজৰ সৈতে সৰুপথাৰ সমজিলা প্ৰশাসনৰ সহযোগত এখন সজাগতামূলক পর্যালোচনা সভা অনুষ্ঠিত কৰি আৰক্ষী, সমজিলা প্ৰশাসন, গাঁও প্ৰধান আৰু অঞ্চলবাড়ী কর্মচাৰী সকলক সতর্ক কৰি দিয়ে আৰু সমষ্টিটোৰ সকলো গাঁও প্ৰধান আৰু অঞ্চলবাড়ী কর্মী সকলক তেওঁলোকৰ গাঁৱ সমূহত যদি কোনো লোকে অবৈধভাৱে সুৰাৰ ব্যৱসায় চলাই আছে নতুবা সমষ্টিটোৰ ভিতৰত কোনো ব্যক্তিয়ে দুর্নীতিমূলক কামত জড়িত হৈছে সেইসকল লোকৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ অনুৰোধ জনাই আৰু সমষ্টিটোত অবৈধ চুলাই, ড্ৰাগ্‌চ আদি ব্যৱসায়ৰ লগত জড়িত ব্যক্তিৰ খবৰ পালে পুলিচ প্ৰশাসনক তাৎক্ষণিকভাৱে খবৰ দিবলৈ অনুৰোধ জনাই। সেই সভাতে সৰুপথাৰ সমজিলাত থকা আবকাৰী বিভাগটোকো বিধায়ক বিশ্বজিৎ ফুকনে তেওঁলোকৰ হেমাহিৰ বিষয়ে কটু সমালোচনা কৰি তেওঁলোকক নিজৰ দায়িত্ব ঠিকমতে পালন কৰিবলৈ নির্দ্দেশ দিয়ে। সেইদিন ধৰি সৰুপথাৰ সমষ্টিত আবকাৰী বিভাগে দিনে-নিশাই অবৈধ সুৰা বন্ধ কৰাৰ অভিযানত সক্রিয়ভাৱে নামি পৰে। সৰুপথাৰ সমজিলাৰ চুঙাজান, উবিয়াদমঘাট, নগাজুৰি, কৰ্ক্ষেণ্ডৰি, ওপৰ লাংগা, চুকিয়াপথাৰ, গন্ধকৰ্বৈ ইত্যাদি বিভিন্ন ঠাইত আবকাৰী বিভাগে ইতিমধ্যে বহু হাজাৰ লিটাৰ অবৈধ সুৰা নষ্ট কৰিছে। মঙ্গলবাৰৰ দিনটোতো আবকাৰী বিভাগৰ এটি দলে বৰপথাৰ থানাৰ আবক্ষী দলৰ সহযোগত প্ৰায় ১১: ৩০বজাৰ পৰা বৰপথাৰ থানাৰ অন্তর্গত বিলগাঁও, বছাপথাৰ, কছাবীহোলা, জকাইচুক, চাংপুল, টেঙানী আৰু মণ্ডল টিনিআলি অঞ্চলত এক আবকাৰী অভিযান চলায়। এই অভিযানটোত ৩টাকৈ গোচৰ ধৰা পৰে আৰু থলীতেই প্ৰায় ১১ হাজাৰ লিটাৰ অবৈধ সুৰা আৰু ৩ ছেট থলুৱা সুৰা প্ৰস্তুত কৰা সঁজুলি জব্দ কৰি ধ্বংস কৰে। সমান্তৰালভাৱে বৰপথাৰ পুলিচ ষ্টেচনৰ অন্তর্গত ঘোৰহটীয়া গাঁৱত আবকাৰী বিভাগে প্ৰায় ৬০০লিটাৰ অবৈধ মদ নষ্ট কৰি কেইবাজনো ব্যক্তিৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰে। বিধায়ক বিশ্বজিৎ ফুকনে বিষয়টো সদর্ভত আৰক্ষী প্ৰশাসকক অবৈধ চুলাই জব্দ কৰাৰ সময়ত লালী ওৱা কোনে ধৰিছিল তেওঁলোকৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই। ইফালে বিধায়ক বিশ্বজিৎ ফুকনৰ এই পদক্ষেপক সঁহাৰি জনাই সমষ্টিটোৰ বিভিন্ন প্ৰান্তত গাঁওপ্ৰধান সকলে গাঁৱৰ বাইজৰ মাজত সজাগতা সভা আয়োজন কৰিছে। চুঙাজান অঞ্চলতো বাজহুৱা ভৱন প্ৰাঙ্গনত চুঙাজান বাসী বাইজৰ সহযোগত সম্পূর্ণ ৰূপে অবৈধ মদ আৰু ড্ৰাগছ মুক্ত কৰাৰ মানসেৰে অবৈধ সুৰাৰ কু-প্ৰভাৱ আৰু ইয়াৰ পৰা সমাজক সুৰক্ষিত কৰাৰ লক্ষ্যে এখনি সজাগতা সভাৰ আয়োজন কৰে। উক্ত সভাত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই দীশসমূহত জনসাধাৰণক সচেতন হ'বলৈ আহ্বান জনাই আৰু বাইজক উদ্দেশ্যি কয়- সৰুপথাৰ সমষ্টিত অবৈধ মদৰ প্ৰচলন আৰু ড্ৰাগছৰ ব্যবহাৰে সমাজখনত যথেষ্ট বিশৃংখলতা সৃষ্টি কৰাৰ লগতে উঠি আহা প্ৰজন্মৰ এটাম যুবকৰ জীৱন ধ্বংস কৰিছে। সেইহেতু আমি সকলপথাৰক সম্পূর্ণ ৰূপে অবৈধ মদ আৰু ড্ৰাগছ মুক্ত কৰাৰ ক্ষেত্ৰত বাইজ প্ৰশাসন সকলোলে মাৰবাদ্ধি থিয় হব লাগিব বুলি মন্তব্য কৰে।

দুর্বৃত্তই ই-ৰিক্সাসমূহৰ বেটাৰী চুৰি কৰি বাহন এৰি থৈ যোৱাৰ সন্দেহ স্থানীয় ৰাইজৰ

বানিয়াৰাপাৰাত তিনিখনকৈ গৰাকীহীন ই-ৰিক্সা উদ্ধাৰ

অসম বার্তা, জনীয়া, ৪ জুন ঃ বৰপেটা জিলাৰ বৰপেটা থানাৰ অন্তর্গত বানিয়াৰাপাৰা অঞ্চলত এমাহৰ ভিতৰত তিনিখন গৰাকীবিহীন ই-ৰিক্সা উদ্ধাৰ হোৱাৰ কেন্দ্ৰ কৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। দুর্বৃত্তই ই-ৰিক্সাসমূহৰ বেটাৰী চুৰি কৰি বাহন এৰি থৈ যোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় লোকে। বানিয়াৰাপাৰা গৰেমাৰী বজাৰত দুখনকৈ ই-ৰিক্সা আৰু বানিয়াৰাপাৰা গাঁৱত এখন ই-ৰিক্সা পৰিত্যক্ত অৱস্থাত উদ্ধাৰ হয়। উল্লেখ্য যে AS28E R1647 আৰু AS15G R2833 নম্বৰৰ দুখনকৈ ই-ৰিক্সা আৰু নম্বৰ প্লেট বিহীন এখনকৈ ই-ৰিক্সা স্থানীয় বাসিন্দাসকলে বানিয়াৰাপাৰা গৰেমাৰী বজাৰ আৰু বানিয়াৰাপাৰা গাঁৱৰ পথাৰ কাষত গৰাকীবিহীনভাৱে পৰি থকা প্ৰত্যক্ষ কৰে। যিহেতু ই-ৰিক্সাসমূহৰ বেটাৰীনাই কোনো চোৰ চক্ৰই বেটাৰী খুলি লৈ বাহনসমূহ এৰি থৈ যোৱাৰ সন্দেহ কৰা হৈছে। পৰবর্তী সময়ত হাউলী থানাৰ অন্তর্গত জাবাবাৰীৰ পৰা চুৰি হোৱা AS15G R2833 নম্বৰৰ এখন ই-ৰিক্সাৰ বানিয়াৰাপাৰা গৰেমাৰী বজাৰৰ পৰা গৰাকীয়ে চিনাক্ত কৰি লৈ যায় যদিও বর্তমানলৈকে দুখনকৈ ই-ৰিক্সাৰ প্ৰকৃত গৰাকী চিনাক্ত হোৱা নাই। ঘটনাক চেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ই-ৰিক্সাসমূহৰ গৰাকী বিচাৰি উলিওৱাৰ লগতে ইয়াৰ আঁতত জড়িত চোৰ চক্ৰক কৰাযত্ত কৰি উচিত শাস্তি বিহিবলৈ অনুৰোধ জনাই ছে স্থানীয় ৰাই জে। বানিয়াৰাপাৰাত উদ্ধাৰ হোৱা এই তিনিখন গৰাকীবিহীন ই-ৰিক্সাৰ ঘটনাই পুনৰ এবাৰ বাহন চুৰি আৰু বেটাৰী চুৰিৰ বিষয়টো উত্থাপন কৰিছে। পৰবর্তী সময়ত আৰক্ষীৰ তদন্তৰ পিছতহে সমগ্ৰ ঘটনাৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব।

ডুমডুমা পৌৰসভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ বিধায়ক ৰূপেশ গোৱালাৰ

অসম বার্তা, ষ্টাফ বিপ'টাৰ, তিনিচুকীয়া, ৪ জুন ঃ ডুমডুমা বিধানসভা সমষ্টিৰ পৰা দ্বিতীয়বাৰলৈ বিধায়ক ৰূপে নির্বাচিত হোৱা ৰূপেশ গোৱালাই আজি ডুমডুমা পৌৰসভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ কৰে। ডুমডুমস্থিত টি টি চিকি গেষ্ট হাউচত অনুষ্ঠিত হোৱা শপত গ্ৰহণ অনুষ্ঠানত বিধায়ক গৰাকীক শপত বাক্য পাঠ কৰোৱায় ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈয়ে। ডুমডুমা পৌৰসভাৰ অভিযন্তা নিৰোদ ডেকাই আঁত ধৰা এই শপত গ্ৰহণ অনুষ্ঠানত দ্বিতীয়বাৰলৈ ডুমডুমা পৌৰসভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ কৰাৰ পিছত দিয়া ভাষণত বিধায়ক গোৱালাই ডুমডুমা নগৰখনক সু-সজ্জিত ৰূপত গঢ়ি তুলিবলৈ সর্বতোপ্ৰকাৰৰ চেষ্টা কৰিব বুলি উল্লেখ কৰে। এই অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ কার্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমাই, পৌৰপতি কান্তা ভট্টাচার্যকে প্ৰমুখ্য কৰি পৌৰসভাৰ অন্তর্গত আটাইকেইটা ৰার্ড ৰ পাৰিষদসকল আৰু অঞ্চলটোৰ বহুকেইগৰ

বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ বাবে সাজু দৰং জিলা

জিলাৰ পৌৰসভা অধীনস্থ এলেকা সমূহত সজাগতা, বৃক্ষৰোপণ আদি বিভিন্ন কার্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

অসম বার্তা, দেওমৰনি, ৪ জুন ঃ বিশ্ব পৰিৱেশ দিৱস ২০২৬ উদ্‌যাপন উপলক্ষ্যে দৰং জিলাৰ মঙ্গলদৈ, খাৰুংপেটীয়া আৰু ছিপাঝাৰ পৌৰসভাই নিজ নিজ এলেকাত সজাগতা, চাফাই অভিযান, আৱৰ্জনা ব্যৱস্থাপনা আৰু বৃক্ষৰোপণকে ধৰি বিভিন্ন কার্যসূচী ৰূপায়ণৰ বাবে সাজু হৈছে। এই কার্যসূচীসমূহৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ, বহনক্ষম আৱৰ্জনা ব্যৱস্থাপনা আৰু জনসাধাৰণক সক্ৰিয় অংশগ্ৰহণৰ প্ৰতি পৌৰসভাসমূহৰ দায়বদ্ধতা নিশ্চিত কৰিব। মঙ্গলদৈ পৌৰসভাৰ উদ্যোগত আৱৰ্জনা পৃথকৰণ, পুনঃব্যৱহাৰ (বিচাইক্লিং), প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিৱেশ সংৰক্ষণৰ ওপৰত এক সজাগতা সভা অনুষ্ঠিত হ'ব। উক্ত কার্যসূচীত জনপ্ৰতিনিধি, বিষয়া-কৰ্মচাৰী আৰু নাগৰিকসকলে অংশগ্ৰহণ কৰিব। লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰি কণ-কণ শিক্ষার্থীৰ মাজত পৰিৱেশ সজাগতা বৃদ্ধি কৰাবো প্ৰয়াস কৰা হ'ব। ইয়াৰ উপৰিও পৰিৱেশ সুৰক্ষাৰ বার্তা প্ৰচাৰৰ উদ্দেশ্যে এখন বাটৰ নাট মঞ্চস্থ কৰাৰ লগতে আকৌ স্থানৰ পৰাই গছপুলি বিতৰণ কার্যসূচী ৰূপায়ণ কৰাৰ লগতে পৰিৱেশ সুৰক্ষাৰ শপত গ্ৰহণ অনুষ্ঠানবো আয়োজন কৰা হ'ব। খাৰুংপেটীয়া পৌৰসভাই জি.এন.বি. পথ আৰু মহাবীৰ পথত নলা-নৰ্দমা পৰিষ্কাৰকৰণ অভিযানৰ জৰিয়তে বিশ্ব পৰিৱেশ দিৱসৰ কার্যসূচী আৰম্ভ কৰিব। সজাগতা বৃদ্ধিৰ লক্ষ্যৰে শৈলবালা উচ্চ মাধ্যমিক বিদ্যালয় আৰু খাৰুংপেটীয়া টাউন গাৰ্লছ' হাই স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে মেটেৰিয়েল বিক'ভাৰী ফেচিলিটি (এম.আৰ.এফ.) প্লাণ্ট পৰিদর্শন কৰি আৱৰ্জনা পৃথকৰণ, পুনঃব্যৱহাৰ আৰু কঠিন আৱৰ্জনা ব্যৱস্থাপনাৰ বিভিন্ন দিশ সম্পর্কে প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিব। লগতে নগৰ অঞ্চলত সেউজ আৱৰণ বৃদ্ধি আৰু পৰিৱেশগত বহনক্ষমতা শক্তিশালী কৰাৰ লক্ষ্যৰে এম.আৰ.এফ./ এফ.এছ.টি.পি. চৌহদ আৰু মহাবীৰ পথৰ আৰু মহাবীৰ পথত নলা-নৰ্দমা পৰিষ্কাৰকৰণ কার্যসূচীও ৰূপায়ণ কৰা হ'ব। ছিপাঝাৰ পৌৰসভাৰ উদ্যোগত পৌৰসভা কার্যালয় চৌহদ, ছি পাঝাৰ টাউন চক আৰু ঘোৱাবান্ধা বজাৰ অঞ্চলত চাফাই অভিযান চলোৱা হ'ব। জনসাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে আয়োজন কৰা এই অভিযানত সমাজৰ সকলো স্তৰৰ লোকে অংশগ্ৰহণ কৰিব পাৰিব। ইয়াৰ পিছতে পৌৰসভা কার্যালয় চৌহদ, ছিপাঝাৰ মহাবিদ্যালয় চৌহদ আৰু সম-জিলা আয়ুক্তৰ কার্যালয় চৌহদত বৃক্ষৰোপণ কার্যসূচী অনুষ্ঠিত হ'ব আৰু এই কার্যসূচীত বিষয়া-কৰ্মচাৰী, জনপ্ৰতিনিধি আৰু স্থানীয় বাইজে অংশগ্ৰহণ কৰিব। উপৰোক্ত সমূহ কার্যসূচীত পৌৰসভাৰ বিষয়া-কৰ্মচাৰী, জনপ্ৰতিনিধি, শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষার্থী, বিভিন্ন সামাজিক সংগঠন আৰু স্থানীয় নাগৰিকসকলৰ সক্ৰিয় অংশগ্ৰহণ আশা কৰা হৈছে। চাফাই অভিযান, জনসজাগতামূলক কার্যসূচী, শিক্ষার্থীৰ অংশগ্ৰহণমূলক কার্যসূচী আৰু বৃক্ষৰোপণৰ দৰে পদক্ষেপৰ জৰিয়তে দৰং জিলাৰ পৌৰসভাসমূহে পৰিৱেশ সুৰক্ষা সম্পর্কীয় জনসচেতনতা অধিক শক্তিশালী কৰাৰ লগতে এখন অধিক পৰিষ্কাৰ, সেউজীয়া আৰু বহনক্ষম সমাজ গঢ়ি তোলাৰ দিশত বিশেষ ভূমিকা হিচাবে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে। দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা আগুনুকত বিশ্ব পৰিৱেশ দিৱস উপলক্ষ্যে আয়োজিত হ'বলগীয়া সমূহ কার্যসূচীতে জিলাবাসী সমূহ বাই জৰ পূর্ণ সহ'ৰি আৰু সহযোগিতা আহবান কৰা হৈছে।

ডিব্রুগড়ত ২০২৭ চনৰ লোক-পিয়লৰ প্ৰথম পর্যায়ৰ প্ৰশিক্ষণ আৰম্ভ

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, ডিব্রুগড়, ৪ জুন ঃ আগন্তুক ২০২৭ চনৰ বাষ্ট্রীয় লোকপিয়লৰ প্ৰথম পর্যায়ৰ প্ৰস্তুতি হিচাপে ডিব্রুগড় জিলা প্ৰশিক্ষণ প্ৰেক্ষাগৃহত 'গৃহ তালিকা আৰু গৃহ নির্মাণ লোকপিয়ল' সম্পর্কীয় এক তিনিদিনীয়া জিলা পর্যায়ৰ প্ৰশিক্ষণ কার্যসূচী আনুষ্ঠানিকভাবে আৰম্ভ হৈছে। অহা ১ জুন'ৰ পৰা ৩ জুন'লৈ অনুষ্ঠিত হ'বলগীয়া এই গুৰুত্বপূর্ণ প্ৰশিক্ষণত জিলাখনৰ সমজিলা আয়ুক্ত সকল, অতিৰিক্ত জিলা আয়ুক্ত সকল, ৰাজহ চক্র বিষয়া সকল, পৌৰনিগমৰ আয়ুক্ত, খণ্ড উন্নয়ন বিষয়াসকল আৰু লোকপিয়লৰ সৈতে জড়িত অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে। এই কার্যসূচীৰ মূল উদ্দেশ্য হৈছে ক্ষেত্র পর্যায়ত লোকপিয়ল প্ৰক্রিয়াটো নিখুঁতভাৱে পৰিচালনা কৰাৰ বাবে প্ৰশাসনিক বিষয়াসকলক প্ৰয়োজনীয় কাৰিকৰী জ্ঞান আৰু দক্ষতাৰে সুসজ্জিত কৰা। উদ্বোধনী অধিবেশনত জ্যেষ্ঠ লোকপিয়ল বিষয়াসকলে অংশগ্ৰহণকাৰী সকলক আদৰণি জনোৱাৰ লগতে লোক পিয়ল ২০২৬ এক সামগ্রিক আভাস দাঙি ধৰে। ইয়াত কর্মীসকলৰ ভূমিকা, আইনী বিধান, পুঁজি ব্যৱস্থাপনা, জনশক্তি নিয়োগ আৰু প্ৰচাৰ কার্যসূচীৰ ওপৰত আলোক পাত কৰাৰ উপৰিও গৃহ তালিকাভুক্তকৰণৰ বিভিন্ন ধাৰণা আৰু প্ৰশ্নাৱলীৰ বিস্তৃত ব্যাখ্যা আগবঢ়োৱা হয়। এই প্ৰশিক্ষণৰ এক অন্যতম উল্লেখযোগ্য আকর্ষণ হৈছে 'লোকপিয়ল ব্যৱস্থাপনা আৰু নিৰীক্ষণ ব্যৱস্থা' মডেলৰ ব্যৱহাৰিক প্ৰদর্শন, যাৰ জৰিয়তে ডিজিটেল প্ৰক্রিয়া আৰু ব্যৱহাৰকাৰী পঞ্জীয়নৰ বিষয়ে বিষয়া সকলক অৱগত কৰা হৈছে যাতে ক্ষেত্রভিত্তিক কার্যকলাপ অধিক মসৃণ আৰু খৰতকীয়া হয়। বাষ্ট্রীয় পর্যায়ত গুৰুত্ব থকা এই প্ৰক্রিয়াত সাধাৰণ নাগৰিকৰ সহযোগিতা আৰু অংশগ্ৰহণ বৃদ্ধি কৰিবলৈ প্ৰশিক্ষণস্থলীত চৰকাৰী লোকপিয়লৰ 'মাস্কট' আৰু বিভিন্ন সজাগতামূলক প্ৰচাৰসামগ্রীৰোৱাবহা কৰা হৈছে। অহা ৩ জুন'লৈকে চলিবলগীয়া এই কার্যসূচীয়ে জিলাখনৰ প্ৰশাসনিক কর্মচাৰীসকলৰ মাজত সমন্বয় বৃদ্ধি কৰাৰ লগতে সমগ্র ডিব্রুগড় জিলা তথা অসমত ২০২৭ চনৰ লোকপিয়লৰ সফল আৰু ফলপ্রসূ ৰূপায়ণৰ বাবে এক সুদৃঢ় ভেটি স্থাপন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

প্ৰধানমন্ত্রী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধান মন্ত্রী সুৰক্ষা বীমা যোজনা আঁচনি জৰিয়তে ছয় মৃতকৰ পৰিয়ালক দুই লাখ টকাকৈ চেক বিতৰণ

অসম ৰাজ্যিক গ্রামীণ জীৱিকা অভিযান বিহালী উন্নয়ন খণ্ডৰ উদ্যোগত বৰগাঙত বিত্তীয় সজাগতা সভা

অসম বার্তা, জিনজিয়া, ৪ জুন ঃ অসম ৰাজ্যিক গ্রামীণ জীৱিকা অভিযান বিহালী উন্নয়ন খণ্ডৰ উদ্যোগত নাবার্ড লিড বেংক আৰু সেৱা দৃষ্টি ফাউণ্ডেচনৰ সহযোগত কালি ১ জুনত এখন বিত্তীয় সজাগতা সভা অনুষ্ঠিত হয়। বৰগাং বগা মঞ্চত বিহালী উন্নয়ন খণ্ডৰ বি এম টুনিবাম পেগুৰে আঁত ধৰা সভাত বিহালী বিধানসভা সমস্তিৰ বিধায়ক মুনীন্দ্র দাস, ধুবুৰীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপজ্যোতি কলিতা, নাবার্ড ৰ ডি ডি এম সুমন ছটোপধ্যায় বিশ্বনাথৰ মুখ্য জিলা প্ৰবন্ধক সন্দীপ দেৱনাথ, ইণ্ডিয়ান বেংকৰ আৰ, এছ, ই, টি আই শুভেন্দু ধৰ, অসম গ্রামীণ বিকাশ বেংকৰ বৰগাং আৰু বেংদেতী শাখাৰ ক্রমে অজয় ফুকন, অভিষেক কৰ উপস্থিত থাকে। সভাৰ মূল উদ্দেশ্য আগত জনসাধাৰণক বিভিন্ন বেংকিং সেৱাৰ বিষয়ে সচেতন কৰা, গ্রাহকসকলক সক্ষয়ৰ অভ্যাসগঢ়ি তোলা, ঋণ সুবিধাৰ সং আৰু উৎপাদনমুখী ব্যৱহাৰ, বিজাৰ্ভ বেংক অফ ইণ্ডিয়াৰ ক্লিন নোট পলিচি আৰু অন্যান্য প্রাসংগিক বেংকিং সেৱাৰ বিষয়ে সজাগ কৰা হয়। আনহাতে সমাজ ত ক্রমবর্ধমান চাইবাৰ জালিয়াতিৰ ঘটনাসমূহৰ বিষয়েও আলোচনা কৰা হয় আৰু গ্রাহকৰ মাজত সজাগতা সৃষ্টিৰ জৰিয়তে এই ধৰণৰ ঘটনাৰ পৰা কেনেদৰে সাৱধান থাকিব পাৰি সেই বিষয়ে বুজোৱা হয়। আনুষ্ঠানত ৫টা প্রধান মন্ত্রী জীৱন জ্যোতি যোজনা আৰু ১টা প্রধানমন্ত্রী সুৰক্ষা জীৱন বীমা যোজনা আঁচনি জৰিয়তে সাতজন মৃত বেংক একাউণ্ট হোল্ডাৰৰ পৰিয়ালৰ বৰ্গক আনুষ্ঠানিক ভাবে বিতৰণ কৰা হয়, যাতে সামাজিক সুৰক্ষা আঁচনিসমূহৰ গুৰুত্ব বিষয়ে জনসাধাৰণক সজাগ কৰা যায়। উল্লেখ্য যে, প্রধান মন্ত্রী সুৰক্ষা বীমা যোজনা আঁচনিত বছৰি মাত্র ২০ টকা প্রিমিয়ামৰ বিনিময়ত গ্রাহকে ২ লাখ টকাৰ দুর্ঘটনা বীমা সুৰক্ষা আৰু প্রধান মন্ত্রী জীৱন জ্যোতি যোজনা আঁচনিত বছৰি ৪৩৬ টকা প্রিমিয়ামৰ বিনিময়ত ২ লাখ টকাৰ জীৱন বীমা সুৰক্ষা লাভ কৰিব পাৰে। সভাখন পৰিচালনা কৰে সেৱা দৃষ্টি ফাউণ্ডেচনৰ জ্যোতি ভট্টাচার্যই। সভাত বিহালীৰ আম্বু সহায়ক গোট সমূহৰ পৰা সহজাধিক মহিলা কেডাৰ উপস্থিত থাকে।

জলমিত্রসকলৰ লগত প্রতাৰণা বন্ধ কৰক ঃ হৰেন্দ্র চন্দ্র নাথ

কেমিকেলৰ ধন অবৰুদ্ধ, বিপদত বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থা

সংবাদমেল পাতি পি.এইচ.ই. কর্মচাৰী পৰিষদৰ অভিযোগ

অসম বার্তা, ঢেকীয়াজুলি, ৪ জুন ঃ শোণিতপুৰ জিলাৰ অন্তর্গত ঢেকীয়াজুলি ৰাজচক্র এলেকাৰ ভোটপাৰাত আজি সদৌ অসম পি.এইচ.ই. (জনস্বাস্থ্য কাৰিকৰী বিভাগ) অস্থায়ী শ্রমিক কর্মচাৰী পৰিষদৰ উদ্যোগত এখন সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত সংগঠনটোৰ বিভিন্ন খোৱাপানী যোগান ব্যৱস্থাৰ সৈতে জড়িত এক গুৰুত্বপূর্ণ সমস্যাৰ কথা উত্থাপন কৰি গাঁও পঞ্চায়তসমূহৰ বিৰুদ্ধে কেমিকেল ক্রয়ৰ বাবে চৰকাৰে প্রদান কৰা ধন মুকলাই নিদিয়াৰ অভিযোগ তোলে। সংবাদমেলত উপস্থিত থকা সদৌ অসম পি.এইচ.ই. অস্থায়ী শ্রমিক কর্মচাৰী পৰিষদৰ কেন্দ্রীয় উপ-সভাপতি তথা ঢেকীয়াজুলি উপ-আঞ্চলিক সমিতিৰ সভাপতি হৰেন চন্দ্র নাথ তথা বাবুল নাথ দেৱ আৰু অন্যান্য বিষয়বৰীয়াসকলে জানিবলৈ দিয়ে যে ৰাজ্য চৰকাৰে বিশুদ্ধ খোৱাপানী প্রস্তুত কৰাৰ বাবে প্রতিটো আঁচনিৰ ক্ষেত্রত প্রতি মাহে ৫০০ টকাকৈ কেমিকেল ক্রয়ৰ বাবে ধন আগবঢ়াই আছিল। এই ধন সংশ্লিষ্ট গাঁও পঞ্চায়তৰ একাউণ্টত জমা হয় যদিও বহু ক্ষেত্রত জলমিত্র তথা আঁচনি পৰিচালনাৰ দায়িত্বত থকা কর্মচাৰীসকলক ধন মুকলাই দিয়া হোৱা নাই বুলি অভিযোগ কৰে। সংগঠনটোৰ মতে পানী বিশুদ্ধকৰণৰ বাবে প্রয়োজনীয় কেমিকেল সময়মতে ক্রয় কৰিব নোৱাৰাৰ ফলত বহু ঠাইত খোৱাপানী যোগান ব্যৱস্থা ব্যাহত হোৱাৰ আশংকা বৃদ্ধি পাইছে। চৰকাৰে জনস্বাস্থ্য সুৰক্ষাৰ স্বার্থত ধন আবণ্টন দিয়াৰ পিছতো যদি পঞ্চায়তসমূহে সেই ধন মুকলাই নিদিয়ে তেন্তে সাধাৰণ বাইজেই হ্যাৰ্ডকুফল ভোগ কৰিব লাগিবলুগি সংগঠনটোৱে উল্লেখ কৰে। সংবাদমেলত সংগঠনটোৰ বিষয়বৰীয়াসকলে দাবী কৰে যে গাঁও পঞ্চায়তসমূহে শীঘ্রে জলমিত্রসকলৰ প্রাপ্য ধন মুকলাই দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। অন্যথা বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থা বিপর্যস্ত হোৱাৰ লগতে বাইজৰ মাজত স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি হ'ব পাৰে বুলি সকীয়াই দিয়ে। ইফালে এই গুৰুত্বপূর্ণ বিষয়ত চৰকাৰ আৰু সংশ্লিষ্ট বিভাগৰ তৎকালে হস্তক্ষেপ কৰি সমস্যাটোৰ স্থায়ী সমাধান উলিয়াবলৈও সদৌ অসম পি.এইচ.ই. অস্থায়ী শ্রমিক কর্মচাৰী পৰিষদে আহ্বান জনায়। সংবাদমেলত সংগঠনটোৰে কয় যে বিশুদ্ধ খোৱাপানী যোগানৰ দৰে জনস্বার্থজড়িত বিষয়ত কোনো ধৰণৰ অবহেলা গ্রহণযোগ্য নহয় আৰু বাইজৰ স্বার্থত প্রয়োজনীয় ব্যৱস্থা শীঘ্রে গ্রহণ কৰা উচিত।

মৰিগাঁও জিলাত শৈক্ষিক উন্নয়নৰ লক্ষ্যৰে আৰম্ভ শৈক্ষিক গাঁও সভা অভিযান

অসম বার্তা, মৈৰাবাৰী, ৪ জুন ঃ মৰিগাঁও জিলা প্রশাসনৰ উদ্যোগত আজি ২ জুনৰ পৰা সমগ্র জিলাজুৰি শৈক্ষিক গাঁৱ সভা শীর্ষক এক বিশেষ সচেতনতামূলক আৰু পর্যালোচনামূলক অভিযান আৰম্ভ কৰা হৈছে। জিলাখনৰ বিদ্যালয়সমূহৰ শিক্ষার মান উন্নীতকৰণ কৰা, পৰীক্ষাৰ ফলাফল অধিক সন্তোষজনক কৰি তোলা আৰু বিভিন্ন সামাজিক, আর্থিক বা ব্যক্তিগত কাৰণত আধাতে বিদ্যালয় এৰি দিয়া ছাত্র-ছাত্রীসকলক পুনৰ শিক্ষার মূলস্তৰীলৈ ঘুৰাই আনাৰ লক্ষ্যৰে এই পদক্ষেপ গ্রহণ কৰা হৈছে। এই অভিযান কার্যসূচীৰ জৰিয়তে বিদ্যালয়, অভিভাবক, সমাজ আৰু প্রশাসনৰ মাজত অধিক সমন্বয় স্থাপন কৰি শিক্ষাৰ ক্ষেত্রত এক সুস্থ আৰু ইতিবাচক পৰিবেশ গঢ়ি তোলাৰ প্রয়াস কৰা হৈছে। শৈক্ষিক গাঁৱ সভাসমূহত বিদ্যালয় পৰিদর্শক, শিক্ষক-শিক্ষয়িত্রী, গাঁওবুঢ়া, অভিভাবক, সচেতন নাগৰিক, বিভিন্ন সামাজিক আৰু স্বেচ্ছাসেবী সংগঠনৰ প্রতিনিধি, বিদ্যালয় ত্যাগ কৰা শিশুসকলক পুনৰ বিদ্যালয়লৈ ঘুৰাই আনাটো কেৱল শিক্ষা বিভাগৰ কাম নহয়, ই সমগ্র সমাজৰ এক সামূহিক দায়িত্ব। প্রতিগাঁৱকী শিশোৱে শিক্ষাৰ অধিকাৰ লাভ কৰাটো নিশ্চিত কৰিবলৈ সকলোৱে একেলগে আগবাঢ়ি আহিব লাগিব বুলি তেওঁ মন্তব্য কৰে। এই শৈক্ষিক গাঁও সভাৰ জৰিয়তে শিক্ষাৰ ক্ষেত্রত বিদ্যমান সমস্যাসমূহ চিনাক্ত কৰাৰ লগতে সমাধানৰ ব্যৱস্থা গ্রহণ, বিদ্যালয়ভিত্তিক পৰিকল্পনা প্রস্তুতকৰণ আৰু শিক্ষার্থীসকলৰ সামগ্রিক বিকাশৰ বাবে এক সুদৃঢ় ভেটি স্থাপন হ'ব বুলি আশা প্রকাশ কৰা হৈছে। মৰিগাঁও জিলা প্রশাসনৰ এই পদক্ষেপে জিলাখনৰ শিক্ষাখণ্ডত এক নতুন ইতিবাচক দিশ উন্মোচন কৰিব বুলি সচেতন মহলে মত প্রকাশ কৰিছে। তেওঁ উল্লেখ কৰে যে চৰকাৰে ছাত্র-ছাত্রীৰ বাবে বিনামূলীয়া ইউনিফর্ম, পাঠ্যপুথি, উন্নত বিদ্যালয় ভৱন আৰু গৰেষণাগাৰৰ দৰে বিভিন্ন সুবিধা প্রদান কৰিব পাৰে, কিন্তু শিক্ষা জীৱনত সফলতা লাভ কৰিবলৈ হ'লে প্রতিগাৰকী শিক্ষার্থীয়ে নিজা প্রচেষ্টা আৰু অধ্যবসায়ৰে আগবাঢ়িব লাগিব। তেওঁ আৰু কয় যে শিক্ষাখণ্ডৰ উন্নয়ন কেৱল চৰকাৰৰ একক দায়িত্ব নহয়; ইয়াৰ বাবে শিক্ষক, অভিভাবক, সমাজ আৰু প্রশাসন সকলোৱে সন্মিলিত সহযোগিতা অতি প্রয়োজনীয়। প্রতিটো শিশু, বিশেষকৈ কন্যা শিশু যাতে নিয়মীয়াকৈ বিদ্যালয়লৈ যায় আৰু শিক্ষাৰ সুযোগ লাভ কৰে, তাৰ বাবে পৰিয়াল আৰু সমাজে ইতিবাচক পৰিবেশ সৃষ্টি কৰিব লাগিব বুলি তেওঁ মন্তব্য কৰে। জিলা আয়ুক্তগৰাকীয়ে বর্তমান সময়ত কিশোৰ-কিশোৰীসকলৰ মাজত বৃদ্ধি পোৱা বিভিন্ন সামাজিক সমস্যাৰ প্রসংগ উত্থাপন কৰি কয় যে ছাত্র-ছাত্রীসকল যাতে মঠৰ চাইকেলৰ অপব্যৱহাৰ, মোবাইল ফোনৰ অত্যধিক ব্যৱহাৰ, ড্রাগছ আদি কু-অভ্যাসৰ বলি হৈ বিপথে পৰিচালিত নহয়, তাৰ বাবে শিক্ষক আৰু অভিভাবকসকলে সদায় সজাগ দৃষ্টি ৰাখিব লাগিব। তেওঁ লগতে কয় যে শিক্ষাসকল সমাজৰ পৰা যি শিক্ষা আৰু মূল্যবোধ লাভ কৰে, সেই অনুসৰিয়ে তেওঁলোকৰ ব্যক্তিত্ব গঢ় লৈ উঠে। সেয়েহে সকলে পৰাই নৈতিকতা, সততা আৰু সামাজিক দায়বদ্ধতাৰ শিক্ষা প্রদান কৰাটো অত্যন্ত জৰুৰী। তেওঁ ছাত্র-ছাত্রীসকলক জীৱনৰ লক্ষ্য সম্বন্ধে পৰাই স্থিৰ কৰি লৈ একাগ্রতা আৰু আত্মবিশ্বাসেৰে আগবাঢ়িবলৈ আহ্বান জনায়। সভাত অনুষ্ঠিত জিলা আয়ুক্ত অনন্যয়া শর্মাইও শিক্ষাৰ প্রসাৰৰ ক্ষেত্রত অভিভাবক-শিক্ষকৰ সমন্বিত ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য প্রদান কৰে। আনহাতে, বিদ্যালয়সমূহৰ পৰিদর্শক ড° অপূর্ব ঠাকুৰীয়াই শিক্ষাৰ বাবে অনুকূল পৰিবেশ গঢ় দিয়াৰ ক্ষেত্রত শিক্ষা বিভাগে গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ শৈলেন্দ্র বর্মন বৰা, গাঁও প্রধান, গাঁও পঞ্চায়তৰ প্রতিনিধি, বিভিন্ন ক্ষেত্রৰ নেতৃস্থানীয় ব্যক্তি, শিক্ষক-শিক্ষয়িত্রী, অভিভাবক আৰু বহুৎ সংখ্যক ছাত্র-ছাত্রী উপস্থিত থাকে।

মাকুমত পথ দুর্ঘটনাত এজনৰ মৃত্যু

অসম বার্তা, মাকুম, ৪ জুন ঃ আজি বাতিপুৱা ভাগত মাকুম ষ্টেচ বেকে অৱ ইণ্ডিয়াৰ সমীপৰ ৩৭ নং বাষ্ট্রীয় ঘইপথত তিনিচুকীয়া দিশৰ পৰা আহি থকা এ এচ ২৩ বি চি ৫৯৯৯ নম্বৰৰ মধুমিতা যাত্রীবাহী বাছ আৰু মাকুম দিশৰ পৰা তিনিচুকীয়া দিশে গৈ থকা এ এচ ২৩ ই আৰ ১৯০৮ নম্বৰৰ ই-ৰিক্সাৰ মাজত মুখামুখি সংঘর্ষ হোৱাৰ ফলত দুর্ঘটনাটো সংঘটিত হয়। দুর্ঘটনাটোত ই-ৰিক্সা চালকজন গুৰুতৰ ভাৱে আহত হয়। ঘটনা স্থলীত মাকুম আৰক্ষী উপস্থিত হৈ আহত হোৱা লোক জনক মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত ভর্তি কৰাই যদিও অৱস্থা সংকটজনক হোৱাৰ বাবে ডিব্রুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ বুলি প্রেৰণ কৰা হৈছিল। কিন্তু আধা বাটতে লোক জনৰ মৃত্যু হয়। উক্ত দুর্ঘটনাটোত পতিত হৈ মৃত্যু হোৱা লোকজন মাকুম লাচিত নগৰৰ কৃষ্ণ মাহাতু (৫৪)। ঘটনাস্থলী আৰক্ষী উপস্থিত হৈ দুর্ঘটনাগ্রস্ত হোৱা বাহণ আৰু ই-ৰিক্সাখন থানালৈ লৈ যায়।

চিলিণ্ডাৰ, পেট্রে'ল-ডিজেলৰ

বাইজৰ মূৰত আন এক মাৰ ঘৰিছে। কোম্পানীটোৰ তৰফৰ পৰা প্রতি ইউনিট বিদ্যুতত সর্বনিম্ন ১৫ পইচাৰ পৰা আৰম্ভ কৰি সর্বোচ্চ ২৮ পইচা পর্যন্ত মূল্য বৃদ্ধি কৰা হৈছে। চলিত বর্ষৰ জুন মাহৰ পৰা আৰম্ভ হৈ ২০২৭ বর্ষৰ মার্চ মাহলৈকে এই বৃদ্ধি কার্যকৰী হ'ব। বিভিন্ন মাহত পৃথক পৃথক হাৰত এই মূল্যবৃদ্ধি সংঘটিত হ'ব এপিডিচিএল বিভাগে মাহে মাহে প্রতি ইউনিটত কিমানকৈ মূল্যবৃদ্ধি হ'ব তাৰ এখন বিস্তৃত তালিকা প্রস্তুত কৰিছে। তালিকা অনুসৰি, জুন মাহত প্রতি ইউনিট বিদ্যুতৰ মূল্য বৃদ্ধি পাব ২১ পইচা, জুলাই মাহত এই বৃদ্ধিৰ পৰিমাণ হ'ব ১৮ পইচা, আগষ্ট মাহত ১৬ পইচাকৈ বৃদ্ধি পাব, ছেপ্টেম্বৰ মাহত মূল্য বৃদ্ধি পাব ১৭ পইচা, নৱেম্বৰ মাহত বৃদ্ধিৰ হাৰ হ'ব ১৯ পইচা, ডিচেম্বৰ মাহত ২৪ পইচাকৈ বেছি দিব লাগিব প্রতি ইউনিটত, ২০২৭ বর্ষৰ জানুৱাৰী মাহত বৃদ্ধিৰ পৰিমাণ দাঁতিয়ে ২৬ পইচা, ফেব্রুৱাৰী মাহত প্রতি ইউনিটত ২৫ পইচা আৰু মার্চ মাহত সর্বোচ্চ ২৮ পইচাকৈ বিদ্যুতৰ মাচুল বৃদ্ধি পাব। উল্লেখযোগ্য যে, এপিডিচিএলে এই মূল্যবৃদ্ধিৰ বাবে বিদ্যুৎ নিয়ামক আয়োগৰ পৰা অনুমতি লাভ কৰিছে। ইয়াৰ উপৰিও, এফপিপিপিএ (FPPPA) বৃদ্ধিৰ বাবেও এই সিদ্ধান্ত বিদ্যুৎ নিয়ামক আয়োগৰ দ্বাৰা অনুমোদিত। চলিত বর্ষৰ জুন মাহৰ পৰা আহা ২০২৭ বর্ষৰ মার্চ মাহলৈকে মাহে মাহে পৃথক পৃথক হাৰত বিদ্যুতৰ মাচুল নির্ধাৰণ কৰা হৈছে বুলি বিভাগীয় সূত্রই জানিবলৈ দিয়ে। ইতিমধ্যে এই মূল্যবৃদ্ধিৰ সিদ্ধান্তই ৰাজ্যৰ বিভিন্ন মহলত প্রতিক্রিয়াৰ সৃষ্টি কৰিছে। ব্যবসায়ী, উদ্যোগী তথা ঘৰুৱা গ্রাহকসকলে এই সিদ্ধান্তক অতি অসামঞ্জস্যপূর্ণ বুলি অভিহিত কৰিছে। চৰকাৰী ভাৰসাহায্যৰ দাবীও জোৰদাৰ হৈ পৰিছে। ভালানি তেলৰ পাছত বিদ্যুতৰ মাচুল বৃদ্ধিয়ে মধ্যবিত্ত আৰু নিম্নবিত্ত পৰিয়ালৰ বাজেটত প্রভাৰ পেলোৱা নিশ্চিত বুলি অর্থনীতিবিদসকলে মত প্রকাশ কৰিছে।

সৰুপথাৰ মহাবিদ্যালয়ত 'বিশ্ব বাইচাইকেল দিৱস-২০২৬' উদ্‌যাপন

'বিশ্ব বাইচাইকেল দিৱস ২০২৬'ৰ বিষয়বস্তু হৈছে 'এক সেউজীয়া ভবিষ্যতৰ বাবে চাইকেল চলাওঁ'

অসম বার্তা, সৰুপথাৰ, ৪ জুন ঃ সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু মহাবিদ্যালয়খনৰ চাইকেল ক্লাব, দিৱস উদযাপন কোষ (Day Observation Cell) আৰু আভ্যন্তৰীণ মান নির্ণায়ক কোষৰ (IQAC) সহযোগত 'বিশ্ব বাই চাই কেল দিৱস-২০২৬' উদযাপন কৰা হয়। বর্তমান প্রদুষণপূর্ণ পৰিবেশত যান-বাহনৰ ধোঁৱাৰ পৰা হাত সাবিবলৈ, পৰিবেশ অনুকূল যাতায়াত ব্যবস্থা গঢ়ি তুলিবলৈ তথা শাৰীৰিক সুস্থাস্থ্য অটুট ৰাখিবলৈ চাইকেলৰ ব্যৱহাৰ যে অত্যন্ত জৰুৰী, সেই গুৰুত্বপূর্ণ বার্তা সমাজলৈ প্রেৰণ কৰাৰ উদ্দেশ্যেই এই বিশেষ দিনটো মহাবিদ্যালয়খনত পালন কৰা হয়। ছাত্র-ছাত্রী আৰু শিক্ষক-শিক্ষয়িত্রীসকলৰ সক্রিয় অংশগ্রহণেৰে অনুষ্ঠিত হোৱা এই দিৱসৰ কার্যসূচীয়ে সমগ্র মহাবিদ্যালয় চৌহদত এক উৎসাহজনক পৰিবেশৰ সৃষ্টি কৰে। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি এক সাৰগর্ভ বক্তৃতা প্রদান কৰে মহাবিদ্যালয়খনৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্রত দত্তই। উল্লেখযোগ্য যে, অধ্যাপক দত্তই কেৱল শৈক্ষিক দিশতেই নহয়, বৰঞ্চ সৰুপথাৰত 'ধনশিৰি মহকুমা চাইকেলিং ক্লাব'ৰ কার্যকৰী সভাপতি হিচাপেও এক গুৰু দায়িত্ব পালন কৰি সমাজত এক সুন্দৰ আদর্শ স্থাপন কৰি আহিছে। তেখেতে নিজৰ বক্তব্য আৰু কর্মৰ জৰিয়তে প্রতিটো সময়তেই ছাত্র-ছাত্রীসকলক চাইকেলৰ প্রতি আকর্ষিত কৰি আহিছে আৰু নতুন প্রজন্মৰ মাজত চাইকেল চলোৱাৰ এক সুস্থ অভ্যাস গঢ়ি তোলাত বলিষ্ঠ

কেৱল শ্লোগানতে সীমাবদ্ধ থাকিব নেকি বিশ্ব পৰিৱেশ দিৱস?

আমাৰ চৌপাশৰ সমগ্ৰ প্ৰাকৃতিক আৰু জৈৱিক অৱস্থাই হ'ল পৰিৱেশ। মানুহকে ধৰি পৃথিৱীৰ প্ৰতিটো জীৱৰে অস্তিত্ব পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। মানুহক প্ৰকৃতিৰ গুৰুত্ব উপলব্ধি কৰোৱা আৰু ধৰিত্ৰীৰ সুৰক্ষাৰ বাবে বিশ্বক একত্ৰিত কৰাৰ উদ্দেশ্যেই ৰাষ্ট্ৰসংঘৰ তত্ত্বাবধানত ১৯৭৪ চনৰ পৰা প্ৰতি বছৰে ৫ জুন তাৰিখে সমগ্ৰ বিশ্বতে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। গোটেই বিশ্বৰ লগতে অসমতো উদযাপন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। ৰাজধৰা সভা, সমদল, পৰিৱেশ সুৰক্ষাৰ বাবে বক্তৃতা, শে-গান আৰু ছ'চিয়েল মিডিয়াত গছপুলি ৰোপণৰ ফটো, ভিডিঅ' আপলোড কৰাৰ এক উৎসবমুখী পৰিৱেশ সৃষ্টি হয়। কিন্তু দিনটো পাৰ হৈ যোৱাৰ পিছদিনাই যেন সকলোবোৰ পুনৰ পূৰ্বৰ দৰেই স্থিৰ হৈ পৰে। পৰিৱেশ দিৱস উপলক্ষে ৰোপণ কৰা গছপুলিটোক পাছত পানী এটুপি দিবলৈ কাৰো আহৰি নোহোৱা হয়, চকুৰ সম্মুখতে যত্ৰ-তত্ৰে প্লাষ্টিকৰ আবৰ্জনা পেলাই থকা হয় আৰু উন্নয়নৰ নামত গছ-গছনি কটা, বনাঞ্চল ধ্বংসৰ দৰে কাৰ্যবোৰ অব্যাহত থাকে। এনে প্ৰেক্ষাপটত স্বাভাৱিকতে এটা ডাঙৰ প্ৰশ্ন উত্থাপন হয়— কেৱল শ্লোগানতে সীমাবদ্ধ থাকিব নেকি বিশ্ব পৰিৱেশ দিৱস?

ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচী (ইউ এন ই পি)ৰ উদ্যোগত চলিত ২০২৬ বৰ্ষৰ মূল বাৰ্তা নিৰ্ধাৰণ কৰা হৈছে— "প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত। জলবায়ুৰ বাবে, আমাৰ ভবিষ্যতৰ বাবে।" এই গোলকীয় আহ্বানে স্পষ্টকৈ সকীয়নি দিছে যে পৰিৱেশ সংৰক্ষণ কেৱল এটা দিনৰ শ্লোগান বা বক্তৃতা নহয়, বৰঞ্চ ই আমাৰ ভবিষ্যত সুৰক্ষাৰ বাবে প্ৰতিটো দিনৰে এক অবিৰাম সংগ্ৰাম আৰু নৈতিক দায়িত্ব হ'ব লাগিব। কিয়নো পৰিৱেশ দিৱসত পৰিৱেশ সুৰক্ষাৰ নামত কোৱা কথাখিনি যদি কামত প্ৰকাশ আৰু প্ৰয়োগ নকৰোঁ তেন্তে কাইলৈ আমাৰ ভবিষ্যত প্ৰজন্মই উশাহ ল'বলৈ অলপ পৰিষ্কাৰ বায়ু আৰু উটোপলা বিশুদ্ধ পানীৰ বাবেও হাহাকাৰ কৰিব লগা হ'ব।

বৰ্তমান সময়ত মানৱ সভ্যতা উন্নত বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত ক্ৰমান্বয়ে আধুনিকতাৰ দিশে ধাৰমান হৈছে। কিন্তু তাৰ বনাঞ্চল ধ্বংস কৰা, পাহাৰ কটা আৰু জলাশয়সমূহ পূৰি পেলোৱাৰ বাবেই আজি গুৱাহাটীকে ধৰি বিভিন্ন চহৰ অলপ বৰষুণতে কৃত্ৰিম বানত জলমগ্ন হৈ পৰে। আনহাতে, বনাঞ্চল সংকুচিত হৈ অহাৰ বাবেই হাতী-মানুহৰ সংঘাত চৰম পৰ্যায় পাই'ছেগৈ। বন্যপ্ৰাণীসমূহৰ প্ৰাকৃতিক বাসস্থান ধ্বংস হোৱাৰ ফলত কেৱল বন্যহস্তীয়েই নহয়, বৰঙ্গ বাঘ, গঁড়, বিভিন্ন প্ৰজাতিৰ বান্দৰ আদিয়েও খাদ্য আৰু আশ্ৰয় বিচাৰি জনাজনিলৈ ওলাই আহিবলৈ বাধ্য হৈছে। ইয়াৰ ফলত পোহনীয়া গৰু, ছাগলী, মানুহ আদিৰ ক্ষতি হোৱাৰ লগতে মানুহৰ প্ৰাণহানিও ঘটিছে। আনহাতে, বনাঞ্চল নিৰ্মূলকৰণৰ বাবে অসমৰ আপুৰুগীয়া পক্ষীকুল আৰু বিভিন্ন প্ৰজাতিৰ অপূঞ্জীৰ তথা কীট-পতংগবো চিৰদিনৰ বাবে বিলুপ্তি ঘটিছে, যাৰ বাবে আমাৰ খাদ্য শৃংখল আৰু প্ৰাকৃতিক ভাৰসাম্যৰ ওপৰত পোনপটীয়া আৰু গভীৰ প্ৰভাব পৰিছে। বৰ্তমানৰ চৰম প্ৰাকৃতিক ভাৰসাম্যহীনতাই কাজিৰঙা বা পবিতৰাৰ দৰে ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যসমূহৰ অস্তিত্বকেলৈকো এক ভয়াবহ সংকট কঢ়িয়াই আনিছে। অসমৰ মনোৰম প্ৰকৃতিৰ এনে সংকটময় অৱস্থা দেখাৰ পিছতো আমি যদি কেৱল ৫ জুনৰ দিনাহে গছপুলি ৰোপণ কৰিবা শ্লোগান দিয়েই দায়িত্ব সামৰো অথবা সময় থাকোঁতেই যদি আমি সজাগ নহওঁ, তেন্তে অসমৰ চিৰসেউজ পৰিচয় আৰু সুন্দৰ ভবিষ্যত চিকলাব বাবে হেৰাই যোৱাটো নিশ্চিত।

প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাৰ ক্ষেত্ৰত গছ ৰোৱাৰ প্ৰয়োজনীয়তা অপৰিসীম। গছে আমাক কেৱল জীয়াই থকাৰ বাবে প্ৰয়োজনীয় অক্সিজেনেই নিদিয়ে, ৰৱং বায়ুমণ্ডলৰ পৰা ক্ষতিকাৰক কাৰ্বন-ডাই-অ'ইড গেছ শোষণ কৰি গোলকীয় উষ্ণতা বৃদ্ধি প্ৰতিৰোধ কৰাত মুখ্য ভূমিকা পালন কৰে। বৰ্তমান সময়ত প্ৰাকৃতিক পৰিৱেশৰ যি অস্বাভাৱিক পৰিৱৰ্তন ঘটিছে, তাক নিয়ন্ত্ৰণ কৰিবলৈ আৰু সময়মতে বৰষুণ আনিবলৈ হ'লে গছ ৰোৱা তথা বনাঞ্চল বৃদ্ধি কৰাৰ বাহিৰে আন কোনো বিকল্প নাই। গছৰ শিপাই মাটি খামুচি ধৰি বানপানী আৰু ধহনীয়া ৰোধ কৰে, যিটো আমাৰ অসমৰ দৰে বাঙৰ বাবে অতি প্ৰয়োজনীয়। ইয়াবোপৰি গছ হৈছে অলেখ জীৱ-জন্তু, পক্ষীকুল আৰু কীট-পতংগৰ সুৰক্ষিত আশ্ৰয়স্থল। সমগ্ৰ মানৱ সমাজ তথা জীৱকুলৰ ক্ষুধা নিবাৰণৰ বাবে প্ৰয়োজনীয় ফল-মূল, শাক-পাচলি আৰু শস্য আদি খাদ্যৰ একমাত্ৰ উৎস হৈছে গছ-লতা। গতিকে আমাৰ খাদ্য শৃংখল অক্ষুণ্ণ ৰাখিবলৈ আৰু প্ৰকৃতিৰ বুকু সেউজীয়া কৰি ৰাখিবলৈ হ'লে প্ৰতিগৰাকী নাগৰিকে বিশ্ব পৰিৱেশ দিৱসতে নহয়, অন্য দিনতো গছ ৰোৱা আৰু তাক প্ৰতিপালন কৰাটো এক পবিত্ৰ দায়িত্ব আৰু কৰ্তব্য হিচাপে গ্ৰহণ কৰিব লাগিব।

বিশ্ব পৰিৱেশ দিৱসৰ গছপুলি ৰোপণ কৰা বা আকৰ্ষণীয় শ্লোগানসমূহক কেৱল ২৪ ঘণ্টাৰ এটা আনুষ্ঠানিক উৎসৱ বা সামাজিক মাধ্যমৰ ফটো তোলা, ভিডিঅ' কৰা আদিতে সীমাবদ্ধ নাৰাখি, ইয়াক প্ৰতিজন নাগৰিকে দৈনন্দিন অভ্যাসত পৰিণত কৰাটো শেহতীয়া সময়ত আটাইতকৈ ডাঙৰ প্ৰয়োজন। ইয়াৰ বাবে আমি সকলোৱে কেৱল গছপুলি ৰোপণ কৰাতকৈ দায়িত্ব নাসামৰি সেই পুলিবোৰ স্বাভাৱিকভাবে ডাঙৰ নোহোৱালৈকে মনোযোগেৰে চোৱা-চিতাৰ কৰাৰ দায়িত্ব ল'ব লাগিব। একেদৰে, চৰকাৰ আৰু প্ৰশাসনেও একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ প্ৰচলন আৰু পৰিৱেশ প্ৰদূষণকাৰী উদ্যোগসমূহ বন্ধ কৰাটো কেৱল কাগজতে সীমিত নাৰাখি বাস্তৱ ক্ষেত্ৰত সেইবোৰৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰাটো অতি জৰুৰী হৈ পৰিছে। ইয়াৰ সমান্তৰালভাবে ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথ্ প্ৰাথমিক পৰ্য্যায়ৰ পৰাই প্ৰকৃতি সংৰক্ষণ(যেনে-গছপুলি ৰোপণ কৰা, প্ৰতিপালন কৰা, পানী সংৰক্ষণ কৰা আদি)ৰ শিক্ষা দিয়াটো প্ৰয়োজন। প্ৰতিগৰাকী নাগৰিকে নিজৰ দৈনন্দিন জীৱনত পানী আৰু শক্তিৰ অপচয় ৰোধ কৰা, প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস আৰু পৰাপক্ষত বৰ্জন কৰাৰ লগতে আৱৰ্জনাবোৰ নিৰ্বিচাৰভাবে নেপেলাই সঠিকভাবে নিষ্কাষণ কৰাৰ দৰে সৰু সৰু মানসিক পৰিৱৰ্তন আনিব লাগিব। ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যসমূহৰ জৈৱ-বৈচিত্ৰ্য সুৰক্ষিত কৰিবলৈ গছ-গছনি, পাহাৰ আদি কটা বন্ধ কৰাৰ লগতে ইয়াৰ আশে-পাশে থকা প্ৰাকৃতিক কৰিডৰসমূহ যিকোনো প্ৰকাৰে বেৰখলমুক্ত কৰা উচিত। যদি আমি বিশ্ব পৰিৱেশ দিৱসৰ শ্লোগানসমূহক সেই দিনটিতে সীমাবদ্ধ কৰি নাৰাখি সঁচা কৰ্মলৈ ৰূপান্তৰ কৰিব নোৱাৰোঁ, তেন্তে প্ৰকৃতি ধ্বংসৰ এই ভয়াবহ ধাৰাৰ বাবে অসমৰ অনন্য চিৰসেউজ পৰিৱেশ চিৰদিনৰ বাবে ইতিহাস হৈ পৰিব।

দেৰগাঁও, গোলাঘাট

দৰ্শনা দত্ত

পৰিৱেশ দিৱস আৰু আমাৰ কৰণীয়

প্ৰতোক বছৰে ৫ জুন তাৰিখে সমগ্ৰ বিশ্বতে "বিশ্ব পৰিৱেশ দিবস" পালন কৰা হয়। ১৯৭২ চনত ৰাষ্ট্ৰসংঘই পৰিবেশ সংৰক্ষণৰ প্ৰতি বিশ্ববাসীক সচেতন কৰি তুলিবলৈ এই বিশেষ দিনটো ঘোষণা কৰিছিল। সেই সময়ৰ পৰা প্ৰতিবছৰে পৃথিৱীৰ বিভিন্ন দেশত বিভিন্ন কাৰ্যসূচীৰ মাজেৰে এই দিবস পালন কৰি অহা হৈছে। বিদ্যালয়, মহাবিদ্যালয়, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান, সমাজ সংগঠন আদিয়ে গছ পুলি ৰোপণ, সভা-সমিতি, সচেতনতা সভা, শোভাযাত্ৰা আদি আয়োজন কৰে। কিন্তু বৰ্তমান সময়ত এই দিবসৰ মূল উদ্দেশ্য ক'ৰবাত হেৰাই যোৱা যেন অনুভৱ হয়।

আজিকালি বহুতে পৰিবেশ দিবস মানেই কেৱল গছ পুলি ৰোপণ কৰা আৰু সামাজিক মাধ্যমত ফটো আপলোড কৰা বুলি ভাবিবলৈ লৈছে। গছ পুলি ৰোপণ কৰাৰ সময়ত বহুত উৎসাহ দেখা যায়, কিন্তু তাৰ পিছত সেই গছজোপাৰ খবৰ ল'বলৈ কিমান মানুহ ওলাই আহে? বহুত ক্ষেত্ৰত দেখা যায়, এদিনৰ অনুষ্ঠান শেষ হোৱাৰ পিছত সেই গছবোৰ পানীৰ অভাবত শুকাই মৰি যায়। কিন্তু পুনৰ পৰবৰ্তী বছৰত আকৌ একেই ধৰণৰ অনুষ্ঠান আয়োজন হয়। এইদৰে কেৱল আনুষ্ঠানিকতা পালন কৰি পৰিবেশ ৰক্ষা সম্ভৱ নহয়। এটা গছপুলি কেৱল ৰোপণ কৰিলেই দায়িত্ব শেষ নহয়। এজোপা গছ ডাঙৰ হৈ উঠিবলৈ বহুবছৰ সময় লাগে। সেই সময়ছোৱাত নিয়মিত পানী দিয়া, বেৰা দিয়া, পৰিষ্কাৰ কৰি ৰখা, পোক-পতংগৰ পৰা ৰক্ষা কৰা আদি বহু দায়িত্ব থাকে। গছবোৰ বাচি থাকিলেহে তাৰ পৰা অক্সিজেন, ছাঁ, ফল-মূল আৰু প্ৰাকৃতিক সৌন্দৰ্য লাভ কৰিব পাৰি। সেয়ে গছ ৰোপণৰ লগতে "গছ সংৰক্ষণ" বেছি গুৰুত্বপূৰ্ণ।

বৰ্তমান সময়ত পৃথিৱীৰ উষ্ণতা দিনক দিনে বৃদ্ধি পাইছে। গৰমৰ প্ৰকোপ আগৰ তুলনাত বহু গুণে বেছি হৈছে। কেতিয়াবা অস্বাভাৱিক বৰষুণ, কেতিয়াবা ভয়ংকৰ বানপানী, কেতিয়াবা খৰাং- এই সকলোবোৰ পৰিবেশৰ ভাৰসাম্য নষ্ট হোৱাৰ ফল। ইয়াৰ মূল কাৰণ হৈছে মানুহৰ অবিবেচক কাৰ্যকলাপ। উন্নয়নৰ নামত বৃহৎ পৰিমাণে বনাঞ্চল ধ্বংস কৰা হৈছে। কাৰখানা, বৃহৎ আট্টালিকা, ৰাস্তা-ঘাট নিৰ্মাণৰ বাবে লাখ লাখ গছ কাটি পেলোৱা হৈছে। গছ কমি যোৱাৰ ফলত বায়ুমণ্ডলত কাৰ্বন ডাই'আইডৰ পৰিমাণ বৃদ্ধি পাইছে আৰু তাৰ ফলতেই গ্ল'বেল ৱাৰ্মিং বা বিশ্ব উষ্ণতা বৃদ্ধি পাইছে। বনাঞ্চল ধ্বংস হোৱাৰ আন এটা ভয়ংকৰ ফল হৈছে বন্যাপ্ৰাণীৰ বাসস্থান নষ্ট হোৱা। আগতে যি জীৱ-জন্তুৱে গভীৰ জংঘলত বাস কৰিছিল, এতিয়া সিহঁতে খাদ্য আৰু আশ্ৰয় বিচাৰি মানুহৰ বসতিস্থললৈ ওলাই আহিবলৈ বাধ্য হৈছে। ফলত হাতী-মানুহ সংঘাত, বাঘৰ আক্ৰমণ, বান্দৰৰ উপদ্ৰৱ আদি সমস্যা বৃদ্ধি পাইছে। প্ৰকৃততে ইয়াৰ বাবে দায়ী মানুহেই। আমি বনাঞ্চল ধ্বংস কৰি সিহঁতৰ ঘৰ কাঢ়ি লৈছোঁ। সেয়ে জীৱ-জন্তুবোৰো নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে মানুহৰ ওচৰ চাপি আছে।

পবিত্ৰ গায়ন

আজিৰ সময়ত প্লাষ্টিক প্ৰদূষণো এক ডাঙৰ সমস্যা হৈ পৰিছে। বজাৰ-সমাৰত প্লাষ্টিকৰ বেগ, বটল, পেকেট আদিৰ অত্যধিক ব্যৱহাৰে মাটি আৰু পানী দুয়োটাই দূষিত কৰি তুলিছে। নদী-নলা, খাল-বিলত প্লাষ্টিক পেলোৱাৰ ফলত জলজ প্ৰাণী ক্ষতিগ্ৰস্ত হৈছে। বহু জীৱ-জন্তুৰে ভুলতে প্লাষ্টিক খাই মৃত্যুমুখত পৰে। অথচ আমি সৰু সৰু সজাগতাবে এই সমস্যাৰ পৰা বহু পৰিমাণে মুক্তি পাব পাৰোঁ। যানবাহনৰ ধোঁৱা, কল-কাৰখানাৰ বিষাক্ত গেছ, ঘৰুৱা কাটা, পাহাৰ খনন, নদী প্ৰদূষণ—এই সকলোবোৰে আমাৰ পৰিবেশক কেনেদৰে চেলি নিছে। যদি এতিয়াও মানুহ সচেতন নহয়, তেন্তে আগন্তুক দিনত পানীৰ অভাব, বিষাক্ত বায়ুৰ সংকট আৰু ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগে মানুহৰ জীৱন আৰু অধিক বিপদত পেলাব।

সেয়ে পৰিবেশ সংৰক্ষণক ব্যক্তিগত দায়িত্ব কেৱল চৰকাৰ বা কোনো সংগঠনৰ নহয়। এই দায়িত্ব আমাৰ প্ৰতিজন নাগৰিকৰ। আমি নিজৰ ঘৰ, চুবুৰী আৰু সমাজৰ পৰাই আৰম্ভ কৰিব লাগিব। গছ ৰোপণ আৰু সংৰক্ষণ, প্লাষ্টিকৰ ব্যৱহাৰ কমোৱা, পানী অপচয় নকৰা, আবৰ্জনা নিৰ্দিষ্ট ঠাইত পেলোৱা, বনাঞ্চল সংৰক্ষণ, বন্যপ্ৰাণীৰ সুৰক্ষা—এই সকঁ সকঁ পদক্ষেপেই ভবিষ্যতে ডাঙৰ পৰিবৰ্তন আনিব পাৰে। বিদ্যালয়সমূহত সৰুৰে পৰা ছাত্ৰ-ছাত্ৰীক পৰিবেশ শিক্ষা দিয়াটো অত্যন্ত জৰুৰী। কিয়নো আজিৰ শিশু কাইলৈৰ নাগৰিক। তেওঁলোক সচেতন হ'লে সমাজো সচেতন হ'ব। লগতে সামাজিক মাধ্যমতে কেৱল ফটো আপলোড কৰাতকৈ বাস্তৱত কাম কৰাটো অধিক প্ৰয়োজনীয়। বিশ্ব পৰিবেশ দিবস কেৱল উদ্‌যাপন কৰাৰ দিন নহয়, ই আত্মসমালোচনাৰো দিন। আমি প্ৰকৃতিৰ পৰা বহুত কিছু লাভ কৰিছোঁ, কিন্তু প্ৰকৃতিক কিমান সুৰক্ষা দিব পাৰিছোঁ সেয়াও ভাবিব লাগিব। মনত ৰাখিব লাগিব—প্ৰকৃতি থাকিলেহে মানুহ থাকিব। সেয়ে এখন সেউজীয়া, সুস্থ আৰু বাসযোগ্য পৃথিৱী গঢ়ি তুলিবলৈ আমি সকলোৱে একেলগে আগবাঢ়ি আহিব লাগিব।

ফুলনি, মাজুলী

কলুষিত পৰিৱেশ

মানুহৰ সমাজ ব্যৱস্থাত অতীজৰে পৰা ভাল কামো হৈ আহিছে, বেয়া কামো হৈ আহিছে। ভাল কামৰ দ্বাৰাই মানুহে আনৰ সমীহ আদায় কৰিব পাৰিছে আৰু বেয়া কামৰ দ্বাৰাই নিন্দিত হৈছে। মহাভাৰতৰ দিনৰ পৰাই ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় বুলি জানিও বহুসংখ্যক মানুহে আনৰ প্ৰতি অন্যায়, অবিচাৰ কৰি গৈছে। তাৰ বিষম পৰিণাম জীৱিত কালতে ভুগিছেও। তথাপিও মানুহে বেই মানিৰ বাস্তাত ভৰি থবলৈ এৰা নাই। জনসংখ্যা বৃদ্ধিৰ লগে লগে ভাল কামৰ সংখ্যা যিদৰে বাঢ়িছে, বেয়া কামৰ সংখ্যাও তড়িৎ গতিত বাঢ়িব ধৰিছে। আগতে যিটো কাম কৰিবলৈ মানুহে লাজ কৰিছিল সেই কামটো আজি বিনাদ্বিধাই গৌৰৱেৰে কৰিবলৈ লৈছে। উদাহৰণস্বৰূপে মদাপান কৰা মানুহক আগতে সমাজে লেহে লেহে ছেই কৈ ৰাখিছিল। কিন্তু আজিৰ পৰিবেশত সেই মদাহীয়েই সমাজত দপদপায়। সভাই সমিতিয়ে আগশ্বান পায়। সময়ৰ পৰিবৰ্তনৰ লগে লগে দুৰ্নীতিয়ে নিমজ্জিত ব্যক্তি ঘৃণীত হোৱাৰ পৰিবৰ্তে বন্দীত হ'ব ধৰিছে। কাৰণ দুৰ্নীতিৰ টকাৰ অনুদান নহ'লে এতিয়াৰ সময়ত অনুষ্ঠান প্ৰতিষ্ঠান নচলা হৈছে। সমসাময়িক ঘটনাপ্ৰবাহে লক্ষ্য কৰিলে দেখা যায় মানুহে বেয়া কামৰ বিৰুদ্ধে প্ৰতিবাদ নকৰাৰ ফলবোৱে পোৱা বুলি ক'ব পৰা যায়।

আমাৰ অসমীয়া সমাজ জীৱন ইমান জটিল নাছিল। অসমীয়া মানুহৰ মিলাপ্ৰীতিৰ এনাজৰীডাল নিকণকপীয়া আছিল। তাত অলপ শিথিলতা আহিছেযদিও একেবাৰে ঢিলা হৈ এতিয়াও যোৱা নাই। এতিয়াও অসমীয়া সমাজত বিপদে আপদে, কাজে কমহি ইথৰে সিঘৰৰ লগত সহায় সহযোগিতা কৰি আছিছে। তাৰ মাজত অলপ কৃত্ৰিমতা আছিছে যদিও সহায় সহযোগিতাৰ মনোভাব একেবাৰে নিঃশেষ হৈ যোৱা নাই। সেইবাবে অসমীয়া সমাজ কলুষিত হোৱাৰ আন এটা কাৰণ হৈছে চিনেমাত দেখুওৱা অত্যধিক হিংসা আৰু অশ্লীলতা ষ্ট্যাণ্ট। চিনেমা আসন্তসকলে খুন কা বদলা খুনটো বেছিকৈ শিকে। বাইক খুউব গতিত চলাব শিকে। আজি প্ৰায়সংখ্যক মানুহৰ ঘৰত এখন হ'লেও দুচকীয়া বাহন আছে। বাস্তাত বাহন চলোৱা নিয়ম কানুন জনা মানুহ কম। সকলোৱে আগত যাব বিচাৰে। ট্ৰেফিক জাম হ'লে বহুতো আভিজাত্যৰ মুখা পিন্ধা তথাকথিত ভদ্ৰলোকসকলে মুখা সুলকি পৰে। সকলোৱে আগত যোৱাৰ প্ৰতিযোগিতাই সমাজৰ বহুখিনি শৃঙ্খলা নষ্ট কৰিছে। মানুহে শৃঙ্খলাবদ্ধতা সৰুকালিৰে পৰা শিকিব লাগে। আৰু ইয়াক শিকোৱাৰ দায়িত্ব পিতৃ মাতৃ তথা শিক্ষাগুৰুৰ। ঘৰত অনুশাসন নাথাকিলে ল'ৰা ছোৱালী অবাটে যোৱাৰ সম্ভাৱনাই অধিক।

বৰ্তমান অসমীয়া সমাজখনত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ পৰাব লগতে বহুতো অপসংস্কৃতিয়ে গা কৰি উঠিছে। আমাৰ মাজতো খাই বৈ, মৌজ মস্তি কৰি থকাটোৱেই জীৱন বুলি এটা ধাৰণা গঢ় লৈ উঠিছে। সেয়ে বোধহয় উত্তৰ ভাৰতৰ কেৱল ৰেজীয়া ৰবণে। সেউজীয়াৰ অবিহনে আমাৰ এই শস্য-শ্যামলা ধুনীয়া ধৰণীখন বসবাসৰ যোগ্য হৈ নাথাকিব। আমাৰ সকলো সৃষ্টিৰ উৎস এই সেউজীয়াৰ যদি সমাপ্তি ঘটে আমাৰ আশা-আকাঙ্ক্ষাবো যথনিকা পৰিব। সেউজীয়া বহণে আমাৰ হৃদয়, মনলৈ বোৱাই আনে শান্তিৰ নিজৰা। সেয়ে হয়তো কবিয়ে কবিতা ৰচি, গীতিকাৰে গীত ৰচি সেউজীয়া ধৰণীৰ চিৰকাল বন্দনা কৰি আহিছে।

কিন্তু আজি এমুঠি লোকৰ অবিবেচকী কাৰ্যৰ ফলত সেউজীয়া বহুণ ম্লান হৈ পৰিছে। বনাঞ্চল ধ্বংসই এতিয়া নিষ্পাপ জীৱৰ ভবিষ্যতৰ প্ৰতি এক গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে।

বিবেকহীনভাবে গছ-গছনি কাটিছে, পাহাৰ কাটি লঠঙা কৰিছে, জলাশয় পুতি পেলাইছে আৰু বহুতো প্ৰকৃতি বিৰুদ্ধ কাৰ্য সংঘটিত কৰিছে। এজোপা গছ ডাঙৰ হ'বলৈ বহুবছৰ প্ৰয়োজন হয়। কিন্তুমান লোকে বীজ সিঁচাবে পৰা আৰম্ভ কৰি সাৰ-জাবৰ দি গছ-গছনিৰ যত্ন লয়, কিন্তুমান লোকে আকৌ গছ-গছনিৰ যত্ন লোৱাটো দূৰৰে কথা নিজৰ প্ৰয়োজনৰ উপৰিও ব্যবসায়ৰ বাবে যধে-মধে গছ-কাটি নিমিষতে ধ্বংস কৰি পেলায়। গছে আমাক ছাঁ দিয়ে, ফল-ফুল দিয়ে আৰু কত যে কি দিয়ে। আনকি আমাৰ আটাইতকৈ প্ৰয়োজনীয় অক্সিজেন গেছো গছে যোগান ধৰে। মানুহবোৰে যেতিয়া গছ-কনবোৰ কাটে তেতিয়া গছ-বন বোৰেঙওটো আঘাত পায়। গছ এজোপা কাটিবলৈ খুউব কম সময়ৰ প্ৰয়োজন। মানুহে যদি "এজোপা গছ কাটি দহজোপা বোৰক" বুলি শ্লোগান দি থকাতকৈ এজোপাও ৰুলেহেতেন। মানুহে স্বাৰ্থসিদ্ধিৰ বাবে গছৰ ওপৰত বিমান আক্ৰমণ চলাই আছে, সেই অত্যাচাৰৰ প্ৰতিশোধ হিচাপে যদি গছে আমাক আঁজোৰ গেছ যোগান নধৰো বুলি দাবী কৰে তেতিয়া আমি আঁজোৰ গেছ ক'ৰ পৰা পাম, কথাবোৰ দেকাই ভাবিলে গুনিলে আচৰিত লাগে নহয়নে বাৰু?

সকলোবোৰ পোৱাৰ পাছতো মানুহে একোকে নোপোৱাৰ দৰে আচৰণ কৰে, নহয়নে? সৰ্বস্ব ত্যাগ কৰিও প্ৰকৃতিয়ে নিস্বাৰ্থভাবেৰে আনৰ বাবে নিজৰ কৰ্তব্য পালন কৰি আছে। প্ৰকৃতিয়ে সকলোৰে দুখ বুজে কিন্তু প্ৰকৃতিৰ দুখ মানুহ নামৰ পৃথিৱীৰ আটাইতকৈ ভয়ঙ্কৰ প্ৰাণীটোৱে অলপো নুবুজে। নীৰৱে, নিবলে বে যোৱা নদীখনৰ দুয়োপাৰৰ জানো কেতিয়াবা লগ হোৱা দেখিছা? দেখিছা জানো

নাঙ জাছিঙফা খামছেঙ মৌ

আকাশৰ জোন আৰু তৰাৰ কেতিয়াবা মিলন হোৱা? নাই দেখা নহয়নে? কেতিয়াবা হয়তো নদীখনৰ দুয়োপাৰৰ গছ হ'বলৈ মন যায়, হয়তো জোন আৰু তৰাই ও কেতিয়াবা মিলন হোৱাৰ সপোন দেখে, কিন্তু নদীৰ দুয়োপাৰ আৰু আকাশৰ জোন-তৰাৰ কেতিয়াওটো মিলন নহয়। কিন্তু কি জানা, ইমান দুখৰে ভৰি থকাৰ পাছতো নদীখন কেতিয়াও থমকি ৰোৱা নাই। বহুবৰ্ষ শেষত গছপাতবোৰ সৰি গছবোৰো তো লঠঙা হয় কিন্তু বসন্তৰ আগমনত জানো শুকান লঠঙা গছবোৰ ন কুঁহিপাতে আৱৰি নলয়। ফুল প্ৰকৃতিৰ এক সুন্দৰ উপহাৰ। সকলোৱে মন মোহিব পৰা ফুলবোৰোতো শুকাই মৰহি যায়, কিন্তু ফুলবোৰ জানো নুফুলাকৈ থাকে। কাৰণ ফুলেও জানে যে ফুলৰ অবিহনে মাংগলিক কাৰ্য অসম্পূৰ্ণ হৈ ৰয়, ফল আৰু বীজ উৎপন্ন নহয়। সেয়েহে ফুলবোৰ বাৰে বাৰে শুকাই যোৱাৰ পাছতো ফুলিয়েই থাকে।

বৰ্তমান সময়ত প্ৰকৃতিৰ প্ৰতি কৰা অবিবেচকী কাৰ্যৰ ফলত প্ৰাকৃতিক ভাৰসাম্য হ্ৰাস পাইছে আৰু জলবায়ুৰ গতিধাৰাও ব্যাহত হৈ পৰিছে। এই সংঘাতৰ পৰা পৰিত্ৰাণ পাবলৈ আমি সজাগ হৈ প্ৰকৃতিক ৰক্ষা নানা অত্যাচাৰ বন্ধ কৰিব লাগিব। আমাৰ ভবিষ্যত আমিয়েই সুৰক্ষিত কৰিব লাগিব। সেয়ে পৰিবেশ সুৰক্ষাৰ স্বাৰ্থত অধিক মনোযোগী দি কৰ্মতৎপৰ হোৱাটোৱেই হ'ল আজিৰ সময়ৰ দাবী। আজি এমুঠি লোকে স্বাৰ্থসিদ্ধিৰ বাবে বিবেকহীনভাবে অৰণ্যসমূহ ধ্বংস কৰি পেলাইছে। যাৰ পৰিণতি হৈ বন্য পশু-পক্ষীয়ে আহাৰ আৰু আশ্ৰয়ৰবাবে হাহাকাৰ কৰিবলগীয়া হৈছে। বন্য পশু-পক্ষীয়ে আহাৰৰ সন্ধানত আছি অৰণ্যৰ দাঁতিকাষৰীয়া গাওঁবোৰত প্ৰবেশ কৰিছে, যাৰ পৰিণতিত বন্য পশু-পক্ষী আৰু মানুহৰ সংঘাত দিনে দিনে বাঢ়িহে গৈ আছে।

এই সংঘাতৰ পৰা পৰিত্ৰাণ পাবলৈ আমি সকলোৱে মিলি উপযুক্ত কাৰ্যসূচী লোৱাটো উচিত। আমি যদি অৰণ্যসমূহ ধ্বংস কৰাই পৰিবৰ্তে সংৰক্ষণ কৰোঁ, বন্য পশু-পক্ষীৰ বাবে ফল-মূলৰ গছ ৰোপণ কৰোঁ, তেতিয়াটো বন্যপ্ৰাণীবোৰে আহাৰ বিচাৰি খৃব লগা নহয় আৰু সিহঁতেও তেতিয়া গাঁৱলৈ আশ্ৰয় আৰু আহাৰ বিচাৰি নাহে। তেতিয়া অন্তত বন্য পশু-পক্ষী আৰু মানুহৰ সংঘাত কিছু পৰিমাণে হ'লেও কমিব। মানুহবোৰ বাৰু কিয় ইমান স্বাৰ্থপৰ? মানুহক জীবশ্ৰেষ্ঠ বুলি কয়, কাৰণ মানুহৰ চিন্তাশক্তি, বুদ্ধি, জ্ঞান আদি গুণবোৰ আছে যিবোৰ আন জীৱৰ নাই। কিন্তু মানুহবোৰে এতিয়া আনৰ সহায় নোলোৱাকৈ একোকে কৰিব নোৱাৰে। আনহে নালাগে উশাহ লওঁতে প্ৰয়োজন হোৱা অক্সিজেন গেছখিনিও গছেহে যোগান ধৰিব লাগে। আজিকালি আকৌ মানুহবোৰে ম'ম', পিজ্জা, বিৰিয়ানি আদিৰ দৰে সোৱাদলগা খাদ্যবস্তুবোৰহে গ্ৰহণ কৰে। দামী দামী কাপোৰ, আ-অলংকাৰ আদি পিন্ধে। মানুহৰ দৰে বন্য পশু-পক্ষীবোৰেও যদি সোৱাদ লগায়হে খাবলৈ পৰিলোহেতেন, যদি দামী দামী কাপোৰ, আ-অলংকাৰ পিন্ধিবলৈ বিচাৰিলেহেতেন, মানুহৰ দৰে যদি স্বাৰ্থপৰ হ'লহেতেন? তেতিয়া বাৰু কি হ'লহেতেন? কথাবোৰ ভাবিলে হৃদয়খন কঁপি উঠে। ই যে অতি চিন্তনীয় বিষয়।

(কেঁচাসোণৰ পৰা)

কাকজান মহাবিদ্যালয়, যোৱহাট

প্ৰকৃতিৰ কিছু কথাৰে

মহান ব্যক্তি অস্কাৰ বাইল্ডে কৈছিল, "প্ৰকৃতিক প্ৰাণভৰি চোৱা আৰু বুজাৰ আনন্দই হ'ল মানুহৰে প্ৰকৃতিৰ মহত্তম উপাহাৰ।" আমি প্ৰায়তেলৈকে ব্যক্তিয়েই পৰিবেশক ভালপাব লাগিব, পৰিবেশ

সংকটত গজৰাজ

মানুহৰ অবিবেচকী কার্যবাৰ ফলত দিনক দিনে পৃথিৱী, পৰিবেশ, পাৰিপার্শ্বিকতা, সেউজীয়া স্নান পৰি গৈছে। অৱশ্যে আমাৰ জীৱ-জন্তুৰ বাবে কিমান উপকাৰী সেই কথা জনাব পাছতো মানুহে কিন্তু গছ কাটিবলৈ এৰা নাই। মানুহৰ কার্য কলাপৰ বাবেই পৰিবেশ তন্ত্ৰৰ বিকপ পৰিস্থিতিৰ সৃষ্টি হৈছে। জলবায়ু পৰিবর্তনকে ধৰি বহুতো সমস্যাই জন জীৱন বিপর্যস্ত কৰি তুলিছে। গছ-গছনি আমাৰ বৰ প্ৰিয়। আমাৰ জীৱনধাৰণৰ বাবে প্ৰতিদিনে খাদ্য, আশ্ৰয় আৰু নিৰাপত্তাৰ অনিশ্চয়তাত জীৱন পাৰ কৰিব লগা হৈছে। গছ-পাহনিয়ে জীৱ-জন্তুৰ সতে জতা আৰু জীৱনশক্তিক আলোকিত কৰে। বনাঞ্চল ধ্বংসই নিস্পাপ জীৱৰ ভৰিষ্যতৰ প্ৰতি গুৰুত্বৰ ভাবিকৰ সৃষ্টি কৰিছে। পাহাৰ কাটি লঠঙা কৰিছে, বিবেকহীন ভাবে গছ-গছনি কাটি টহিলং কৰিছে, জলাশয় পূতি আট্টালিকা সাজিছে। নৈ, বিল, জলাহভূমিসমূহত আশ্ৰাহী মানুহৰ বাবে পৰম্পৰাগত খাদ্যৰ উৎস হ্ৰাস পোৱাৰ ফলত বন্যপ্ৰাণীয়ে এতিয়া প্ৰাণৰ সংশয় সত্ত্বেও খাদ্যৰ সন্ধানত মানুহৰ মাজলৈ আহিবলৈ বাধ্য হৈছে। এইবোৰ প্ৰকৃতিৰ বিৰুদ্ধে কার্য কৰিছে। শান্তিপূৰ্ণ সহাৱস্থান সুস্থ পৰিবেশ ক্ৰমে বিলুপ্তি হোৱা পৰিলক্ষিত হৈছে। তাৰ ঠাইত বিশ্বজুৰি আজি নতুন নতুন ৰূপত জীৱজন্তুৰ ওপৰত আক্ৰমণ, অত্যাচাৰ উধ্ব হিংসাৰ ভয়ংকৰ প্ৰকোপ দিনক দিনে বৃদ্ধি পাই আহিছে। বন ধ্বংসৰ বাবে মানৱ সমাজসহ বিশ্ব ধ্বংসৰ মুখলৈ আগবাঢ়ি যোৱাৰ প্ৰক্ষোপতত গছ কটা কার্য মানুহ হত্যা কৰাতকৈ ডাঙৰ অপৰাধ বুলি মত প্ৰকাশ কৰিছে দেশৰ উচ্চতম ন্যায়ালয়ে। পৃথিৱীখন সুন্দৰ আৰু মনোমোহা কৰি ৰখাৰ স্বাৰ্থতে গছ-গছনি ধাহি মুহি নিয়া কার্য বন্ধ কৰিব লাগিব। আমাৰ ভবিষ্যত জীৱনলৈ স্বয়ং মানুহেই চৰম বিপৰ্যয় আৰু ভাবুকি কঢ়িয়াই আনিছে। গছ-গছনিবোৰে কথা পাতি বলৈ এক আশা কৰে। গছ মানুহতকৈ বেচি জ্ঞানী, চৰ বুজি পায়ো একো নকয়। গছক ভাল পাবলৈ একো কৰিব নালাগে, মাত্ৰ কথমাণ আবদাৰ বিচাৰে। জীৱজন্তু থাকিবলৈ জেগা নোহোৱা হৈছে। আমাক ছাঁ দিয়া ডাঙৰ ডাঙৰ গছবোৰ কাটি নিঃশেষ কৰিছে। আন কি অতিকৈ প্ৰয়োজনীয় অক্সিজেনৰ যোগান ধৰা গছবোৰো মানুহৰ নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ধ্বংস কৰিছে। বনৰীয়া জন্তুৰ বিচৰণক্ষেত্ৰ হিচাপে পৰিচিত জলাভূমি সমূহ জলবায়ু পৰিবর্তনৰ ফলত বহুগুণ অভাৱত ওকাই যাবলৈ ধৰিছে। এনে পৰিস্থিতি তীব্ৰ প্ৰত্যাহ্বানৰ সম্মুখীন হৈছে বন্যপ্ৰাণী সমূহ। গ্ৰা-চৰণীয়া পথাৰ, জলাশয়, উদ্ভিদ, ঘাঁহ, শেলুক, কলমৌ আদি জীৱ-জন্তুৰ আয়ুসবোধা। জলাশয়, গো-চৰণীয়া পথাৰ, পিটনি ধ্বংসৰ বিৰুদ্ধে সকলোৱে সজাগ হ'ব লাগিব। অবাধ হাবত বনাঞ্চল ধ্বংস, বেদখল, বনজুৰৈ সংহাৰ, খনিজ সম্পদ আহৰণ, কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ, গৰা খহনীয়া, উদ্যোগীকৰণ, নগৰী কৰণ, আদিয়ে জীৱ-জন্তুৰ ধ্বংসত বাৰুকৈয়ে ইন্ধন যোগাইছে। মূলতঃ মানৱসৃষ্ট এই সংকটৰ পৰিণাম বন্যপ্ৰাণীয়ে ভোগ কৰিবলগীয়া হোৱাটো উদ্বেগৰ বিষয়। মানুহ নামৰ পৃথিৱীৰ আতহিতকৈ গুণী জ্ঞানী ভয়ংকৰ প্ৰাণীয়ে এইবোৰ কথা অলপো ভাবি নাচায়। বর্তমান সময়ত প্ৰকৃতিৰ প্ৰতি কৰা অবিবেচকী কার্যৰ ফলত প্ৰাকৃতিক ভাৰসাম্য বহুখিনি হ্ৰাস পাইছে আৰু জলবায়ু দ্ৰুতগতিত পৰিবর্তন হৈছে। যাৰ পৰিণতিত বনৰীয়া পশু-পক্ষীয়ে খাদ্য আৰু আশ্ৰয়ৰ বাবে হাহাকাৰ কৰিব লগীয়া হৈছে। গোলকীয় উষ্ণতা বৃদ্ধি আৰু প্ৰদূষিত পানীয়ে জীৱকুলৰ জীৱন বিপদাপন্ন কৰি তুলিছে। জীৱজন্তুৰ চিৰ বিনাশ যেন সমাগত। বনাঞ্চলত মানুহৰ চূড়ান্ত নৃশংসতাৰ বলি হ'ব লগা হয়। এইয়া মানুহক লজ্জানত কৰা হৃদয়বিদাৰক ঘটনা।

উল্লেখযোগ্য যে ২০২১ চনৰ ১২ মে'ত কঠীয়াতলী বনাঞ্চলিক কাৰ্য্যালয়ৰ অধীনস্থ বামুণী পাহাৰৰ সংৰক্ষিত বনাঞ্চলৰ ৩ নম্বৰ জু'ৰ একেলগে ১৮টা বন্যহস্তী নিহত হৈছিল। চামুণ্ডৰি ধানাত দাখিল কৰা এজাহাৰ মৰ্মে সেই সময়তে ২৪৭/২১ নম্বৰত আৰু ১২০ (বি), ৪২৭, ৪২৯ ভাৰতীয় দণ্ড বিধিৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ৫১ ধাৰাৰ অধীনত গোচৰ ৰুজু হৈছিল। কিন্তু লক্ষণীয় কথা যে এই গোচৰ ৰুজু হোৱাৰ ৯টা বছৰ অতিক্ৰম কৰাৰ পিচতো কোনো তদন্ত ফলাফল নোলাল। ১৮ টাকৈ বন্যহস্তীৰ কঙ্কাল মৃত্যুৰ তদন্ত বিচাৰি অসম চৰকাৰৰ বন বিভাগ, বিষয়া আদিৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰৰ গোচৰৰ তদন্ত ৯টা বছৰে ৰঙা ফিতাৰ মেৰপাকতে থাকিল। এই ঘটনাই আমাক শোকাৰ্ত কৰি ভাবিবলৈ বাধ্য কৰাইছে। আমি প্ৰত্যেকেই মানুহ বা জীৱজন্তুৰেই হওক পৰিবেশক ভাল পাবলৈ শিকিব লাগিব, গছজাহুনিক সুস্থ-সবল কৰি ৰাখিবলৈ যত্ন কৰিব লাগিব। তেতিয়াহে পৃথিৱীখন সৌন্দৰ্যশালী হৈ থাকিব আৰু আমাবো জীৱন ৰক্ষা পাবি। দুৰদৰ্শী কন্যাকামী চিন্তাহৈছে মানৱ জাতিৰ উত্তৰণ নির্ভৰ কৰে। ইয়াৰ বাবে দায়ী প্ৰধানকৈ মানুহ। আমাৰ ভাগ্য বুলি কিবা আছে নো'নাহে নাজানো! এই ধাৰাত আমাবো পূৰ্ণ অধিকাৰ থাকিবই লাগিব। মঠতে বনাঞ্চললৈ মানুহৰ আগ্ৰাসন, আধিপত্যবাদ বন্ধ হ'বই লাগিব, আমি হাত সাৰটি বহি নাথাকো। নহলে

আমাৰ নিস্তাৰ নাই।

উল্লেখযোগ্য যে ৰাজ্যত থকা ১২ খনকৈ হস্তীদণ্ডিত অধিসূচিত এলেকাৰ লগতে ইয়াৰ ওচৰে-পাঁজৰে গড়ি উঠিছে অত্যাধুনিক ৰিজৰ্ট, চাহ বাগিচা, উদ্যোগ বিভিন্ন চৰকাৰী নিৰ্মাণ-জনবসতি। কেন্দ্ৰীয় চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিবর্তন মন্ত্ৰালয়ে এনে ১২খন হস্তীদণ্ডিত সুৰক্ষা আৰু সংৰক্ষণৰ বাবে যাবতীয় ব্যৱস্থা কৰিবলৈ বাৰম্বাৰ নির্দেশ দিছে যদিও ৰাজ্য চৰকাৰৰ এতিয়াও গা লৰা নাই। হাতীৰ সংৰক্ষণ আৰু হাতী মানুহৰ সংঘাত নিৰাময়ৰ ক্ষেত্ৰত হস্তীদণ্ডীয় সুৰক্ষা একমাত্ৰ উপায় বুলি ইতিমধ্যে "ৰাইল্ড লাইফ ইনষ্ট্ৰিটিউট অব্ ইণ্ডিয়াৰ অধ্যয়নত পোহৰলৈ আনিছে। তথ্য অনুসৰি ১২টা হস্তীদণ্ডিৰ ভিতৰত আদি নির্মাণৰ দৰে চৰকাৰী উদ্যোগত হোৱা আন্তৰ্গাঁওনিমূলক নির্মাণৰ ফলতে আমি অহাযোৱা কৰা ৰাস্তাসমূহ অসুবিধেত পৰিছে। ইয়াৰ লগতে ব্যক্তিগত কোম্পানীৰ চাহ বাগিচাৰ সম্প্ৰসাৰণ, হোটেল-ৰিজৰ্ট নির্মাণ, বিদ্যালয় স্থাপনৰ ফলতো আমাৰ বিচৰণত ব্যাঘাত জন্মিছে। চৰকাৰী-বেচৰকাৰী উদ্যোগত নির্মাণ কৰা আন্তৰ্গাঁথনিয়ে আমি অহাযোৱা কৰা বাটপথ ধ্বংসৰ মুখলৈ গতি কৰাইছে। মূলতঃ হস্তীদণ্ডীৰ মাজেৰে নির্মাণ কৰা ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লপথ নির্মাণৰ ফলত বনবীয়া চৰকাৰী বিচৰণ ব্যাপক ৰূপত ছেদেলি-ভেদেলি হৈ পৰিছে। অৰণ্যাধিকাৰে আশ্ৰয় হেৰুৱাইছে বনবীয়া পশু-পক্ষীয়ে। আমাৰ জীৱন পাৰিপার্শ্বিকতা ধ্বংস কৰিছে। প্ৰকৃতিৰ সুৰক্ষাৰ দিশটো মুঠেই আওকাণ কৰা সমাজীন নয়। জীৱ-জন্তুবো যে এই ধৰাত জীয়াই থকাৰ অধিকাৰ আছে, এই পৃথিৱীখন সিহঁতৰো যে বাসস্থান, বহুতে গণ্যই কৰিব নোখোজে। বহুক্ষেত্ৰত মানুহে নিজৰ বিপদ নিজেই মাতি আনিছে। এক কথাত কবলৈ হ'লে গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে প্ৰধানকৈ মানুহেই জগৰীয়া।

আমি খাদ্যৰ সন্ধানত আহি অৰণ্যৰ দাতি-কাষৰীয়া অঞ্চলৰ গাওঁবাসত প্ৰৰেশ কৰিলে আমাক হানি-খুচি অত্যাচাৰ কৰি খেদি পঠিয়াই। আনকি কেতিয়াবা গাত জুই লগাইও দিয়ে। এই কাম নিসন্দেহে হাতী মানুহৰ গড়ো। এনেকৈ আলোচনা কৰি থাকোঁতেই কেইবাজনো খৰি লুবিবলৈ যোৱা মানুহ ভুলক্ৰমে গৈ হাতীৰ মহাসভাত সোমাল। মানুহককেইটাক দেখা মাত্ৰেই খঙত হাতীবোৰ চকু ৰঙা পৰিল। 'ধৰা, ধৰা, মাৰি পেলোৱা' বুলি ভালেকেইটা হাতীয়ে একেমুখে চিঞৰিলে। পৰিস্থিতি বেয়াৰ পিনে যোৱা দেখি বয়সস্থ হাতী এটাই ধমকিৰ সুৰত মানুহকেইজনক এৰি দিবলৈ ক'লে।

আমি খাদ্যৰ সন্ধানত গাঁৱলৈ গলে 'আমাৰ ভাই-ভনীবোৰক দেখোন মানুহে খেদি খেদি মাৰে, গাত জুই লগাই দিয়ে, কাঁড় মাৰি আমাৰ দেহাটো ৰক্ষা সবকা কৰে।' হাতী এজনীয়ে খঙেৰে কয়। 'আমাৰ জাতিক ধ্বংস কৰিব লগাকৈ প্ৰতিশোধ লৈ আমি কিয় নিৰীহ হৈ থাকিম? বৃদ্ধ হাতীটোৰে কৈ গ'ল— মানুহৰ ওপৰত প্ৰতিশোধ লৈ তোমালোকে তেওঁলোকতকৈও কিয় নিকৃষ্ট হ'ব বিচাৰিছা? বৃদ্ধৰ কথা শুনি হাতীবোৰে খং-বাগ এৰি নিজৰ সভাৰ কামত ব্যস্ত হৈ পৰিল।

হাতীবোৰৰ মাজত আলোচনা হৈছে যে আমাৰ দেশৰ অন্য ৰাজ্যটো আমাৰ জাতিভাই (হাতী) আছে। কিন্তু সেই ঠাইত হাতীৰ ওপৰত এনে ধৰণৰ অমানবীয় অত্যাচাৰ আজিলৈকে হোৱা শুনা নাই আৰু দেখাওঁ নাই। সেয়েহে আমি আলোচনা কৰি কিছু সংখ্যক তাতো থকাকৈ যাব পাৰিম বুলি ভাবিছো। তদুপৰি গুজৰাটত অনন্ত আম্বানিৰ চিৰিয়াখানা "বনতৰা" লৈও থকাকৈ যাব পাৰিম নে কি চতুৰ বাজনৈতিক নেতাৰ লগত আলোচনা কৰিব লাগিব। অলপতে আমাৰ কেইজনমান কাণ্ডীয়ে দেখা পোৱা— নতুন বন্ধু বান্ধৱীৰ লগত চা-চিনাকি হ'ব। কিমান যে ভাল লাগিব। মন আনন্দৰে ভৰি পৰিব। খাদ্য বিচাৰি ঘুৰি ফুৰিব নালাগে। বৰষুণ অসুখ হ'লে ডাক্তৰে চোৱা-মেলা কৰিব। মাজে সময়ে দেশৰ মুৰবীয়ে আমাক দেখা কৰিবলৈ আহিব, নিজ হাতেৰে খাদ্য খুৱাব। ই য়াতকৈ আৰু সৌভাগ্যৰ কথা একোৱেই হ'ব নোৱাৰে। ফটো উঠিবলৈ পাম, ভাল ভাল পুষ্টিকৰ খাদ্য খাবলৈ পাম। প্ৰাপ্তবয়স্ক আৰু সৰু পোৱালি কিছুমানক তাঁলিকে পঠাব লাগিব। আৰামত, সুখত থাকিব পাৰিব, অন্তত জীৱিত কালত মানুহৰ পৰা অত্যাচাৰো সহিব নালাগে।

গুৱাহাটী, নাৰেংগী

কীৰ্ত্তন-ঘোষাত প্ৰকৃতি সুৰক্ষা

অজিত বৰুৱা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমীয়া জাতিৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সাহিত্যিক জীৱনৰ এক উজ্জ্বল নক্ষত্ৰ। শ্ৰীমন্ত শংকৰদেৱ অহিংসে অসমীয়া জাতিৰ কথা কল্পনাও কৰিব নোৱাৰি। তেখেতে অসমীয়া জাতি, অসমীয়া ভাষা-সংস্কৃতিৰ লগতে অসমীয়া সাহিত্য আৰু অসমীয়া সমাজ জীৱনলৈ আগবঢ়োৱা অৱদান কোনো অসমীয়াইহে পাহৰিবই নোৱাৰে। এইখিনিকী মহান আত্মা, জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ অমৰ সৃষ্টি 'কীৰ্ত্তন-ঘোষা' অসমীয়া জাতি তথা অসমীয়া ভাষা সাহিত্যৰ এক অনন্য সম্পদ। তেখেতৰ এই অপূৰ্ব সৃষ্টি মূলত ভক্তিধৰ্ম, নৈতিকতা আৰু মানৱকল্যাণৰ আদৰ্শ প্ৰতিষ্ঠাৰ উদ্দেশ্যে ৰচিত হ'লেও ইয়াত প্ৰকৃতি আৰু জীৱজগতৰ প্ৰতি গভীৰ শ্ৰদ্ধা, সহমৰ্মিতা আৰু সংৰক্ষণৰ চিন্তা সুস্পষ্টভাবে প্ৰকাশ পাইছে বুলিব পৰা যায়।

বর্ত্তমান বিশ্বত পৰিবেশ প্ৰদূষণ, বননি ধ্বংস, জৈৱবৈচিত্ৰ্যৰ সংকট আৰু জলবায়ু পৰিবর্তনৰ দৰে সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এনে সময়ত কীৰ্ত্তন-ঘোষাত নিহিত প্ৰকৃতি-চেতনাই আমাৰ বাবে মূলবান দিশ-নির্দেশনা আগবঢ়ায় বুলিব পাৰি।

১. কীৰ্ত্তন-ঘোষাত প্ৰকৃতিৰ মহিমাঃ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিশ্বব্ৰহ্মাণ্ডক ঈশ্বৰৰ সৃষ্টি বুলি বিবেচনা কৰা দেখিবলৈ পোৱা গৈছে। গুৰুজনাৰ মতে গছ-লতা, নদ-নদী, পশু-পক্ষী, পৰ্বত-সমভূমি সকলো ভগৱানৰ সৃষ্টি। সেয়েহে এইবোৰৰ প্ৰতি শ্ৰদ্ধা আৰু যত্ন লোৱাটো মানুহৰ কর্তব্য।

"তুমি সূর্য্য তুমি চন্দ্র
তুমি জগতর প্রাণ।
তোমার ইচ্ছাত সৃষ্টি স্থিতি
তোমাতে হয় লয়।"

এই পদ ফাকিটো বিশ্বপ্ৰকৃতিৰ সকলো উপাদান ঈশ্বৰৰ সৈতে একাত্ম বুলি দেখুওৱা হৈছে। যেতিয়া প্ৰকৃতিক ঈশ্বৰৰ সৃষ্টি হিচাপে দেখা যায়, তেতিয়া ইয়াৰ ধ্বংসমূহ হয়, সংৰক্ষণৰ মানসিকতা গঢ় লৈ উঠে।

২. বৃক্ষ আৰু বনাঞ্চলৰ গুৰুত্বঃ

'কীৰ্ত্তন-ঘোষা'ত বৃন্দাবনৰ বর্ণনা কৰোঁতে গুৰুজনাই গছ-গছনি, বনাঞ্চল আৰু ফুলেৰে সুশোভিত পৰিবেশৰ মনোৰম চিত্ৰ অংকন কৰিছে। বৃন্দাবন কেবল ধর্মীয় স্থানেইনহয়, ই এক আদর্শ পৰিবেশগত বাস্তুতন্ত্ৰৰ প্ৰতীকো।

"নানা পুষ্পে শোভিত কানন।
নানা ফল ভৰা বৃক্ষগণ।"

গুৰুজনাৰ এই বর্ণনাৰ দ্বাৰা বনাঞ্চলৰ সৌন্দর্য আৰু উপকাৰিতাক সূচায়। বনাঞ্চল হৈছে জীৱজগতৰ আশ্ৰয়স্থলীয় দৰে।

আধুনিক যুগত বননি ধ্বংসৰ ফলত সৃষ্টি হোৱা পৰিবেশ সংকটৰ প্ৰেক্ষাপটত এই শিক্ষা বিশেষ তাৎপর্যপূর্ণ।

৩. নদ-নদীৰ পৰিত্ৰতা আৰু সংৰক্ষণঃ

গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিভিন্ন স্থানত যমুনা, গংগা আদি নদীৰ পৰিত্ৰতা আৰু মহিমা বর্ণনা কৰিছে। নদীবোৰ কেবল পানীৰেই উৎস নহয়, ই হৈছে জীৱন, সংস্কৃতি আৰু সভ্যতাৰ আধাৰস্বৰূপ।

"যমুনাৰ নির্মল জল।
দেখি হবে মনৰ বিকল।"

এই পদ ফাকিত নদীৰ নির্মলতা আৰু সৌন্দর্যৰ বর্ণনা আছে। আজিৰ যুগত নদী দূষিতকৰণ এক গুৰুতৰ সমস্যা। কীৰ্ত্তন-ঘোষাই নদীক পৰিত্ৰ সম্পদ হিচাপে গণ্য কৰি ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে মানুহক উপলব্ধি কৰায়।

৪. পশু-পক্ষীৰ প্ৰতি সহানুভূতিঃ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধর্মৰ মূল শিক্ষা হৈছে- সকলো জীৱৰ প্ৰতি দয়াল্ হোৱা। কীৰ্ত্তন-ঘোষাত বিভিন্ন জীৱ-জন্তুৰ উল্লেখে তেখেতৰ এই দৃষ্টিভংগীক শক্তিশালী কৰিছে বুলিব পাৰি।

"সকলো ভূতে দয়া কৰা। !
হবিভক্তে ইহা আচৰা।"

গুৰুজনাৰ এই শিক্ষাই মানুহক পশু-পক্ষী আৰু অন্যান্য জীৱৰ ওপৰত অত্যাচাৰ নকৰিবলৈ উদ্বুদ্ধ কৰে। আধুনিক জৈৱবৈচিত্ৰ্য সংৰক্ষণৰ মূল ভিত্তিও হৈছে সকলো জীৱৰ অস্তিত্বৰ অধিকাৰ স্বীকাৰ কৰি লোৱা।

৫. জৈৱবৈচিত্ৰ্যৰ মূল্যঃ

গুৰুজনাই বৃন্দাবনৰ বর্ণনা কৰোতে ময়ূৰ, কোকিল, ভ্ৰমৰ, গাই-গৰু আদি বহু জীৱৰ উল্লেখ কৰা আমি দেখিবলৈ পাওঁ। এই সকলোবোৰে এক সুস্থ বাস্তুতন্ত্ৰৰ চিনাই দাড়ি ধৰে বুলিব পাৰি।

"কোকিলৰ মধুৰ ৰব।
ভ্ৰমৰে কৰে গুণগুণ ধ্বনি।"

গুৰুজনাৰ এই বর্ণনাই দেখুৱায় যে প্ৰকৃতিৰ সৌন্দর্য সদায় জৈৱবৈচিত্ৰ্যৰ ওপৰত নির্ভৰশীল। প্ৰকৃতিৰ কোনো এটা প্ৰজাতিও যদি বিলুপ্ত হয় তেনে হ'লে বাস্তুতন্ত্ৰৰ ভাৰসাম্য নষ্ট হয়।

৬. মানুহ আৰু প্ৰকৃতিৰ সম্পর্কঃ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মানুহক প্ৰকৃতিৰ অংশ হিচাপে বর্ণনা কৰিছে, প্ৰকৃতিৰ স্বামী হিচাপে কৰা নাই। সেয়েহে মানুহে প্ৰকৃতিৰ সৈতে সহাৱস্থান কৰিব লাগে।

"হৰি বিনে নাহি আন আশ্রয়।
জগতর প্রাণ হরি সয়।"

গুৰুজনাৰ এই দর্শনে মানৱক অহংকাৰ ত্যাগ কৰি বিশ্বপ্ৰকৃতিৰ সৈতে সামঞ্জস্যপূর্ণ জীৱন যাপন কৰিবলৈ আহ্বান জনায়।

৭. সংযমী জীৱনধাৰা আৰু পৰিবেশঃ

কীৰ্ত্তন-ঘোষাত লোভ, মোহ আৰু ভোগবিলাসৰ বিৰুদ্ধে উপদেশ দিয়া হৈছে। অতি ভোগাবাদেই হৈছে আজিৰ বহু পৰিবেশ সমস্যাৰ মূল কাৰণো।

"ধনজন যৌবন গর্ব।
ক্ষণভঙ্গুর জানিবা সর্ব।"

গুৰুজনাৰ এই পদে সংযমী জীৱনধাৰাৰ শিক্ষা দিয়ে। কম ভোগ, কম অপচয় আৰু মিতব্যয়ী জীৱন পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয়।

৮. বৈষ্ণৱ ধর্ম আৰু পৰিবেশ নৈতিকতাঃ

গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নামধর্মত দয়া, ক্ষমা, সত্য, সংযম আৰু সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই মূল্যবোধসমূহ হৈছে পৰিবেশ নৈতিকতাৰো ভেটি।

"পৰৰ দুখত দুখী যিজন।
সেহি বৈষ্ণৱ মহাজন।"

যি ব্যক্তি আনৰ দুখত দুখী হয়, তেওঁ প্ৰকৃতি আৰু জীৱজগতৰ ক্ষতিতো ব্যথিত হ'ব। মানুহৰ এই মানসিকতাই পৰিবেশ সংৰক্ষণৰ চেতনাক শক্তিশালী কৰে বুলিব পাৰি।

৯. আধুনিক পৰিবেশ সংকট আৰু কীৰ্ত্তন-ঘোষাৰ প্ৰাসংগিকতাঃ

সাম্প্ৰতিক সময়ত পৰিবেশৰ ওপৰত মানুহৰ অত্যাচাৰ আৰু উৎপীড়ন ক্ৰমশঃ বৃদ্ধি পাবলৈ ধৰিছে। ই জীৱকুলৰ লগতে সমগ্ৰ পৃথিৱীৰ বাবে গভীৰ সংকট উৎপন্ন কৰিছে। সেয়েহে বর্ত্তমান সময়ত—

ক) বননি ধ্বংস বৃদ্ধি পাবলৈ ধৰিছে।
খ) বায়ু দূষিতকৰণ ভয়ংকৰ ৰূপ ধৰিছে।
গ) বহু জীৱ-জন্তু বিলুপ্তিৰ মুখত,
ঙ) গোলকীয় উষ্ণতা বৃদ্ধিয়ে প্ৰকৃতিৰ ভাৰসাম্য নষ্ট কৰিছে।

ওপৰত উল্লিখিত এই সমস্যাসমূহ সমাধানৰ বাবে কীৰ্ত্তন-ঘোষাৰ শিক্ষাসমূহ বিশেষ গুৰুত্বপূর্ণ বুলিব পাৰি—

ক) প্ৰকৃতিক ঈশ্বৰৰ সৃষ্টি হিচাপে সম্মান কৰা।
খ) গছ-গছনি বক্ষা কৰা।
গ) নদী-জলাশয় পবিষ্কাৰ ৰখা।
ঘ) জীৱ-জন্তুৰ প্ৰতি দয়া প্ৰদর্শন কৰা।
ঙ) সংযমী জীৱনধাৰা গ্ৰহণ কৰা।
চ) জৈৱবৈচিত্ৰ্য সংৰক্ষণ কৰা।

সামগ্ৰিকভাবে কীৰ্ত্তন-ঘোষা এখন কেবল ভক্তিমূলক গ্ৰন্থই নহয়, ইয়াক এক গভীৰ মানৱতাবাদী আৰু প্ৰকৃতি-সচেতন সাহিত্যকীর্তি বুলিব পাৰি। গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিশ্ব প্ৰকৃতিক ঈশ্বৰৰ প্ৰকাশ বুলি গণ্য কৰি গছ-গছনি, নদ-নদী, পশু-পক্ষী আৰু সমগ্ৰ জীৱজগতৰ প্ৰতি শ্ৰদ্ধা, দয়া আৰু সংৰক্ষণৰ বাণী প্ৰচাৰ কৰিছে। তেওঁৰ এই চিন্তাধাৰা আধুনিক পৰিবেশবাদৰ বহু মূল নীতিৰ সৈতে সামঞ্জস্যপূর্ণ বুলিব পাৰি।

সেয়ে ক'ব পাৰি যে কীৰ্ত্তন-ঘোষাত নিহিত প্ৰকৃতি-চেতনা আৰু জীৱপ্ৰেম আজিৰ পৰিবেশ সংকটময় যুগত অত্যন্ত প্ৰাসংগিক। শংকৰদেৱৰ আদর্শ অনুসৰণ কৰি প্ৰকৃতিৰ সৈতে সমন্বয় সাধন কৰিলেহে এক সুস্থ, সেউজীয়া আৰু সুন্দৰ পৃথিৱী গঢ়ি তোলা সম্ভৱ হ'ব।

বিশ্ব পৰিবেশ দিৱস

বিপুল চন্দ্র দাস

আমি প্ৰতি বছৰে ৫ জুনৰ দিনা বিশ্ব পৰিবেশ দিবস পালন কৰোঁ। এই দিনটো ১৯৭৪ চনৰ পৰা ৰাষ্ট্ৰসঘ দ্বাৰা সমগ্ৰ বিশ্বতে আৰম্ভণি কৰা হয়। সেইবাবে আমি বিভিন্ন ঠাইত দল-সংগঠন পুথিভৰাল সংঘ, গাঁও পঞ্চায়ত চৰকাৰী ভাবে গছপুলি বোপণ কৰোঁ। ই এটা বৰ ভাল পদক্ষেপ। কাৰণ প্ৰাকৃতিক পৰিবেশ নহ'লেজন স্বাস্থ্যৰ বাবেৰ বেয়া হয়। বিশুদ্ধ জলবায়ু পাবলৈ কঠিন। সেই বাবেই এটা নির্দিষ্ট দিন বাৰ ঠিক কৰা হৈছে। যাতে সকলো মানুহে পৰিবেশৰ প্ৰতি সজাগ সচেতন হৈ পৰে। সেই ফালৰ পৰা আগতকৈ মানুহে এতিয়া গছপুলি বোপণ কৰা, ইয়াৰ সংৰক্ষণ কৰা দেখা যায়। তথাপি এটা কথা নকলে ভুল হ'ব। আমাৰ যিমান বোৰ গছপুলি বোপণ কৰোঁ। কিন্তু ইয়াৰ সংৰক্ষণ আৰু প্ৰতি পালনত সিমান গুৰুত্ব দিয়া দেখা নাযায়। সেয়ে ইয়াৰ বেছি ভাগ এটা বিৰিষা আমমাণ সজাতী দল প্ৰয়োজন। নহ'লে সঠিক ৰূপায়ন নহ'ব বুলি অনুভব হয়। কাৰণ গৰু ছাগলীয়ে অনিষ্ট কৰিবই। খোজঁৰ দিলেও সময়ত ভাঙিয়ায়। তেতিয়া পুলিবোৰ ডাঙৰ নহয়ে। ডাঙৰ দীঘল হ'বলৈ সময় লাগে। নহ'লে যিটো হাবত গছপুলি বোপণ কৰা যায়। বহুত বেছি হৈগে'ল হেঁতেন। কাৰণ আমাৰ পলাশবাৰী সমষ্টিৰ অন্তর্গত ৰামপুৰ আৰু, নহিৰা গাঁৱৰ সংলগ্ন পথৰ দুয়ো কাষে চৰকাৰী ভাৰে আকৌ ডেকা যুবচামে ৫ জুন তাৰিখে গছপুলি বোপণ কৰি থাকে। সেই হিচাপে ইয়াৰ সংখ্যা বহুত কম। সবহ সংখ্যকে প্ৰতি পালনৰ অভাৰত মৰি যায়। তথাপি আগতকৈ বহুত ভাল। সৌন্দর্য লগা হৈছে। তাৰ কাষতে সৌন্দর্যৰ বাণী দবাবলি সৃষ্টি হৈছে। য'ত এবাৰ মুকলি আকাশৰ তলত থিয় হ'লে স্বৰ্গীয় অনুভূতি পোৱা যায়। এই যে গধম দিন আহিল। আবেলিপৰত গাঁৱৰ ল'ৰা ছোৱালী পুৰুষ মহিলা এবাৰ ইয়ালৈ ওলাই আহে মুকলি আকাশলৈ। কিয়ে সুন্দৰ মলয়া বতাহ গা মন শাত পৰি যায়। নিশাৰ ভাগত গধমত টোপনি নাহিলে দুই চাৰিজনে ওলাই আহে। দেহা জুৰ পেলায় আকৌ ঘৰলৈ যায়। বামপুৰ- নহিৰা পথৰ মাজত থকা দলং খনৰ কাষত বৃহৎ বৰ গছ জোপা তলত বহু মানুহে মহাদেৱ পাৰ্বতী থকা বুলি বিশ্বাস কৰে। যাৰ বাবে বহু লোকে মাজে সময়ে ইয়ালৈ ভোগ প্ৰসাদ দিবলৈ আহে। ইয়াৰ পৰা অলপ উত্তৰে নহিৰা গাঁৱৰ ফালে গ'লে এজোপা প্ৰকাণ্ড ফেটিকদম গছ আছে। যাৰ আকাৰ আকৃতি গঠন প্ৰণালী অন্য গছবোৰতকৈ বহুত বেছি বেলেগ। য'ত উঠি দৌৰি ফুৰিব পাৰি। সেয়ে আমাৰ ওচৰ চুবুৰীয়া গাঁৱৰ মানুহে ইয়াক হলাগছলোপা

বুলি কয়। সেয়ে গছজোপাৰ নাম হলাগছ জোপা নামেৰে জনাজাত। পৰিবেশ পৰিস্থিতি চাই এই জোপা কেতিয়াবা হঠাতে হেৰাই যোৱাৰ সম্ভাবনা আছি পৰিছে। যদি তেনেকুৱা হয় বৰ দুখ লগা হ'ব। এতিয়া এটা কথা কৰি কৰি টুকুৰা লৈ যায়। বিপদে আপদে বেচি কিনা কৰিব লাগিব। কিন্তু হিচাপতকৈ বহুত বেছি হৈছে। কিবা ক'লেই কৈ দিয়ে। চৰকাৰে বাষ্ট্ৰীয় ঘাইপথত গছ কাটি থকা দোষী নাই। সেই বাবে চৰকাৰ লে অনুবোধ নতুন পথৰ দুয়ো কাষে গছপুলি বোপণ কৰক। আকৌ মাজভাগত সুন্দৰকৈ গুন্ধাজাতীয় উদ্ভিদ গছপুলি পুতি পৰিবেশ সংৰক্ষণ আৰু আদর্শ দেখুৱাই দিয়ক। পুনৰ এটি কথা ক'ব হ'ল।

এই যে আমাৰ ৰামপুৰ-নহিৰা সংলগ্ন পথৰ কাষত আজি কালি একাধিক মানুহে বাতিৰ আন্ধাৰৰ সুযোগ লৈ বেয়া পেলনী

মানুহৰ বিধংসী উন্মাদনাত বিশ্বৰ পৰিবেশ

তাৰ লগতে আছে আমাৰ ঘৰ-দুৱাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান, দোকান-পোহাৰ, হাট-বজাৰ, কল-কাৰখানা। এইবোৰো পৰিবেশৰ ভিতৰুৱা। মূলতঃ জীৱৰ বাসভূমিৰ চৌপাশৰ অবস্থা হৈছে আমাৰ পৰিবেশ। বায়ু, পানী আৰু মাটি আদি প্ৰধান ভৌতিক উপাদান। এই তিনিবিধ উপাদানৰ সৈতে সংশ্লিষ্ট সকলো জৈৱিক আৰু অজৈৱিক উপাদান লগ লাগি গঠিত হৈছে আমাৰ পৰিবেশ। এই প্ৰত্যেক উপাদানৰ তাৰতমযই আমাৰ পৰিবেশ বিন্ত্ৰ কৰে বা তাৰ ভাৰসাম্যত বিঘ্নপ প্ৰভাৱ পেলায়। গতিকে পৰিবেশৰ প্ৰতি সকলো সজাগ হোৱাটো নিতান্তই বাঞ্ছনীয়।

"In the universe are billions of galaxies,
In our galaxy are billions of planets,
But there is Only One Earth."

ওপৰৰ কথাখিনি হৈছে ২০২২ চনৰ বিশ্ব পৰিবেশ দিবসৰ প্ৰতিপাদ্য বা শ্লোগান (Theme)।

পৰিবেশৰ প্ৰতি মানুহৰ নিষ্ঠুৰতা ইমানেই বৃদ্ধি পাইছে যে 'পৃথিবী'নামৰ গ্ৰহটোক চাবিও ফালে আৰৰি বখা প্ৰকৃতি আৰু পৰিবেশক প্ৰতিপালন কৰিবলৈ ইয়াতেই জীৱন যাপন কৰা মানুহৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লগীয়া সময় আহি পৰিছে। মানুহৰ নিষ্ঠুৰতাৰ সাক্ষী হৈ গ্ৰহটোৰ পৰা ইতিমধ্যে বহু পশু-পক্ষী, গছ-লতিকা হেৰাই গৈছে। পৃথিবীত সযনে হৈ থকা বানপানী, ভূমি স্খলন, বিভিন্ন ৰোগৰ আবির্ভাৰ আদিৰ বাবে আমি অতি উন্নত প্ৰজাতিৰ জীৱ -মানৰ সকলেই ভগবীয়া।

১৯৭৩ চনৰ ৫ জুনত ৰাষ্ট্ৰসংঘই এটা অভিযান আৰম্ভ কৰিছিল। সেই সময়ত সাগৰীয় প্ৰদূষণ, পৃথিবীৰ উষ্ণাপ বৃদ্ধি, বন্যপ্ৰাণী আৰু অৰণ্যৰ প্ৰতি বৃদ্ধি হোৱা শত্ৰুতাৰ বিৰুদ্ধে নিজকে উন্নত প্ৰজাতি বুলি গৰ্ব কৰা মানুহক সজাগ কৰাৰ অৰ্থে ৰাষ্ট্ৰসংঘই 'World Environment Day' উদযাপন কৰিছিল। পৰৱৰ্তী সময়ত এই অভিযান পৃথিবীৰ বিভিন্ন ৰাষ্ট্ৰলৈ প্ৰসাৰিত কৰা হৈছে। আৰম্ভণিতে ইয়াৰ সদস্য সংখ্যা কম আছিল যদিয়ো পৃথিবীৰ পৰিবেশলৈ হঠাতে অহা পৰিবৰ্তনৰ বাবে এই দিবস উদযাপন কৰা দেশৰ সংখ্যা বৃদ্ধি হৈ বৰ্তমান ১৪৩খন হৈছে গৈ।

বিশ্ব পৰিবেশ দিবসৰ বাবে প্ৰতি বছৰে একোটা শ্লোগান গ্ৰহণ কৰা হয়। সেই ধৰণে কাম কৰিবলৈ উদযাপন কৰা দেশসমূহৰ চৰকাৰী, বে-চৰকাৰী, বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে তাক পালন কৰিবলৈ আগবাঢ়ি আহিছে। ২০০৫ চনৰ শ্লোগান আছিল -'Plant for the Planet'! সেই বৰে ২০০৬ চনত মৰুভূমিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। ২০০৭ চনত 'Melting Ice — a Hot Topic?' শ্লোগানেৰে পৃথিবীৰ উষ্ণতা বৃদ্ধিৰ বিষয়ে মানুহক সজাগ কৰা হৈছিল। 'Only One Earth' আছিল ২০২২ চনৰ বিশ্ব পৰিবেশ দিবসৰ শ্লোগান।

'Only One Earth, এৰা আমাৰ সম্মুখত পৃথিবী মাত্ৰ এখনেই! এই কথা আমি সকলোৱে জানো। কিন্তু বৰ্তমান পৃথিবীৰ কিমানে সেই কথা উপলব্ধি কৰিব পাৰিছে? একমাত্ৰ পৃথিবীখন বক্ষা কৰাৰ বাবে কিমানজন মানুহ দায়বদ্ধ? বেছি ভাগ মানুহেই আজি ওলাই আছিলে নে - পৃথিবীৰ পৰিবেশ সংৰক্ষণ কৰিবলৈ? এগালমান মানুহ লগ হৈ এটা গছ পুলি কইছে। চাৰি-পাঁচ জনে লগ লাগি পুলিটো ডাঙি লৈছে, এজনে গাটত সুমুৱাই দিছে, এজনে পাত এটাত ধৰিছে, এজনে মাটি চপাই দিছে, এজনে মিনাৰেল বাটাৰৰ বটলেৰে পানী দিছে। মুঠতে মস্ত এটা কাৰবাৰ। এই সকলোবোৰ আৱহ হৈছে কেইটামান মোবাইল ফোনৰ কেমেৰাত, নাইবা বিয়াগোম বিষয়া আৰু মন্ত্ৰী বিধায়কৰ পিছে পিছে যোৱা নিউজ চেনেলৰ কেমেৰাত। ডিঙিত গামোচা, নিউজ চেনেলৰ হেতা ওপৰা। পৃথিবীখন সুন্দৰ কৰিবলৈ ইমান আয়োজনৰ দৰকাৰ আছে নে?

এই যে ফটোবোৰ কাৰোবাক লাগে নিজৰ দপ্তৰৰ ওপৰবালা বিষয়াক দেখুৱাবলৈ, কাৰোবাক লাগে পৰিবেশ দিবস উপলক্ষে চৰকাৰে দিয়া ধনৰ সং ব্যৱহাৰ প্ৰমাণিত কৰিবলৈ। যিসকল এইবোৰৰ পৰা আঁতৰত, তেওঁলোকৰ লাগে - ফেচবুক বা ইনষ্টাগ্ৰামত আপলোড কৰিবলৈ, যেন তেওঁহে পৃথিবীখন সেউজীয়া কৰি ৰখা পৃথিবীৰ একমাত্ৰ মানুহ! এয়া সঁচা যে, সাঁজি-কাচি, ডিঙিত গামোচা পিন্ধি গছপুলি বোপণ কৰি আমি পৃথিবীৰ পৰিবেশ বাসোপযোগী কৰিবলৈ হেতা ওপৰা লগাইছিলো। তাৰ বিপৰীতে যিকোনো পৰিষ্কাৰ ঠাইত, বাজপথত পিকাবলৈ পাহৰা নাই। ওহাহাটী আৰু অন্যান্য ঠাইৰ ফ্লাই অ'ভাবব্ৰিজ চিএৱৰি চিএৱৰি কৈ আছে - সুন্দৰ বৰবোক তামোল-পাণ আৰু গুটখাৰ পিকেৰে বিশ্ৰী কৰা অভদ্ৰ মানুহৰ কথা। আমি পানীৰ খালী বটলটো গাড়ীৰ পৰা দলিয়াই নিদিবলৈ শিকা নাই। 'যাতে ত'তে গাড়ী বখাই আনক সুবিধাৰ পৰা বঞ্চিত কৰিবলৈ সক্ষম হৈছোঁ। গাড়ী চলাই ঘৈ থাকোতে খাই খালী হোৱা মদৰ বটলটো দলিয়াই দিওঁতে পৰিবেশৰ কথা মনত নপৰে। মহানগৰীৰ ডাষ্টবিনত উজিহে পেলাওতে প্ৰকৃতিৰ কথা মনত নপৰে। মিউনিচিপেলিটিৰ আবৰ্জনাবোৱ চহৰৰ বাহিৰত পেলাওতে উচ্চ পদস্থ বিষয়াসকলৰ পৰিবেশলৈ মনত নপৰে। অসমৰ প্ৰায় সকলো চৰকাৰী দপ্তৰ আৰু কাৰ্যালয়ৰ টয়লেটে পৰিবেশৰ কথা মনত সাঁচ বহুবাই দিয়ে। টয়লেটৰ বেবৰোৰ পৰিবেশ সচেতনতাৰ অন্যতম মাধ্যম।

যেতিয়া উন্নত মানৰ হাইৰেৰে মসৃণ গতিত গাড়ী চলাই যাওঁ - মনটো ভাল লাগি যায়। বাহ, কি সুন্দৰ পথ। কিন্তু গছবোৰ কাটি কৰা বহল পথৰ দাঁতিত নতুন গছৰ পুলি চকুত নপৰে। বায়ু প্ৰদূষণ হ্ৰাস কৰিবলৈ পোন্ধৰ বছৰ পাৰ হৈ যোৱা পুৰণি ট্ৰাক, গাড়ী, মটৰচাইকেলবোৰৰ চলাচল বন্ধ কৰা হৈছে নে? নামত যান-বাহনৰ প্ৰদূষণ পৰীক্ষা কৰা হয়। কিন্তু পোন্ধৰ বছৰ পাৰ হৈ যোৱা কিমান যান-বাহন চলাবলৈ প্ৰশাসনে বন্ধ কৰিলে, সেই খবৰ আমি নাপাওঁ।

'পৰিবেশ দিৱস' পালনৰ সৈতে বহু কথা থাকি যায়। গছৰ পুলিকেইটা ঠিকেই ৰখেহী, কিন্তু অসমত উৰং হৈ পৰি থকা খেতিপথাৰ বোৰৰ কথা কোনোবাই ভাবিছে নে? দৰব প্ৰয়োগ কৰা শাক-পাচলি খাই মানুহৰ অসুখ হৈছে বুলি আলোচনা কৰিছোঁ। শাক পাচলি, ফল-মূলৰ নাটনিৰ কথা আলোচনা কৰিছোঁ। কিন্তু বৰ্ষিত জনসংখ্যাৰ চাহিদা অনুসৰি অল্প সংখ্যক মানুহে বিশাল জনসাধাৰণক খুবাই ৰখা কথাটোত পৰিবেশৰ কথা ভাবিলে কিবা লাভ হ'ব নে? পৃথিবীৰ আন দেশত কি কৰিছে নাজানো। অসমত যান- বাহনৰ নতুনকৈ ৰেজিষ্ট্ৰেচন দেখোন হেঁচেই আছে। ওহাহাটীত যান-য'ত দেখোন দিনে দিনে বৃদ্ধি পাই আছে। অসমত এজন যাদব পায়ে আৰু ছত্ৰীজ্ঞড়ত এজনী তুলসী দেবী গোঁড়া খাকিলেই আমাৰ পৰিবেশে সুৰক্ষা পাব নে? আমাৰ ৰনাঞ্চল দেখোন বক্ষকবন্ধাবাই ভক্ষণ হোৱা দেখা পাইছোঁ।

আজি ৰাষ্ট্ৰসংঘই "Only One Earth"-ৰ কাক মেজেজ দিব খুজিছে, আমাৰ সৰু মগজুলে ঢুকি নাপায়। যিবোৰ ৰাষ্ট্ৰৰ মানুহে নিজকে সকলোতকৈ জ্ঞানী বা আগবঢ়া বুলি ভগতত চিনাকি দিয়ে তেওঁলোকেই ৰাষ্ট্ৰসংঘৰ পৰিচালনা কৰে। তেওঁলোকেই পৰিবেশ ৰক্ষাৰ, পৃথিবী ৰক্ষাৰ আঁচনি প্ৰস্তুত কৰে। কিন্তু তেওঁলোকে কৰে কি? কোনো দেশৰ তৈল উদঘাটন কৰা খাদত বোমা নিক্ষেপ কৰি প্ৰদূষণ বিস্তাৰিত কৰে। বিভিন্ন ধৰণৰ বোমা বিস্ফোৰণ ঘটাই এখনৰ পিছত আনখন দেশৰ পৰিবেশ ধ্বংস কৰে। সাগৰৰ তৈ থকা তৈলবাহী জাহাজ ধ্বংস কৰি সামুদ্ৰিক জীৱৰ জীৱন ধাৰণ দুৰ্বিষহ কৰি তোলে।

আফগানিস্তানৰ বিগত পৰিস্থিতি সৃষ্টিৰ মূলত কোন কোন আছিল? গালফ্ যুদ্ধৰ বাবে দায়ী কোন কোন আছিল? বৰ্তমান ইউক্ৰেইন আৰু ৰাছিয়া বা পেলেষ্টাইন, ইৰান আৰু ইজৰাইলৰ মাজত হোৱা যুদ্ধবোৰৰ গইনা কৈ পৃথিবী ধ্বংসৰ ষড়যন্ত্ৰ কৰা লোকসকলেই পৰিবেশ ৰক্ষাক কথা শিকাব নোৱাবে। নিজকে উন্নত বুলি জাহিৰ কৰা ৰাষ্ট্ৰই কিমান পৰমাণু পৰীক্ষণ চলাল- তাৰ হিচাপ পৃথিবীৰ পৰিবেশ ৰক্ষা কৰা সকলেও জানে। যুদ্ধৰ উন্মাদনাই পৃথিবীক কিমান ক্ষতি কৰি আছে তাক সকলো ৰাষ্ট্ৰ প্ৰধান আৰু ৰাষ্ট্ৰসংঘই জানে। কিন্তু বিড়ম্বনা তাতেই যে তেওঁলোকক পৰিবেশ দিৱসৰ কথা কোনে শিকাব? কথাবোৰ হাঁহি উঠা! কিন্তু কোনেও নিশিকালেও আমি কিছুমান কাম কৰিব পাৰোঁ। পদুলিত দুজোপা বকুল ফুল ৰুৱ পাৰোঁ। তাৰ ছাঁৱা আন নহ'লেও বকুলৰ সুবাসত ৰাতিপুৱাটো আনন্দেৰে ভৰি পৰিব। বৰ্তমানৰ আধুনিক পথিক আজি কালি গছৰ তলত নিজিৰায়। শীত তাপ নিয়ন্ত্ৰিত গাড়ীত সকলো ফুকে আৰু অপৰাগ্ত কাৰ্বন ডাই অক্সাইড কাৰ্বন মনক্সাইড বায়ুমণ্ডলত এৰি থৈ যায়। অ'জন তৰপত ফুটা হোৱাৰ কথা সকলোৱে জানে। কিন্তু প্ৰতিকাৰৰ বিষয়ে কোনোবে নাভাবে।

আমিও তো ভাবিব পাৰোঁ - খালী হৈ থকা মাটিত কেইজোপামান ফলৰ গছ লগোৱাৰ কথা। শিখৰ-গুটখাৰ পেকেটবোৰ ডাষ্টবিনত পেলাব পাৰোঁ। তামোলৰ পিক অন্ততঃ চাফা ঠাইত নেপেলাই উঠি ঘৈ দুবত পেলাব পাৰোঁ। গাড়ীখন নিনিয়াকৈ বজাবলৈ যাব পাৰোঁ নেকি তাকো ভাবিব পাৰোঁ। আজিকালি পানীৰ বটল সুলভ হ'ল। পলিথিনৰ বেগ বন্ধ কৰিবলৈ কৈ সকলো ভাগবি পৰিল। কিন্তু পলিথিন বেগৰ বিকল্পৰ সন্ধান নালোৱা। অন্ততঃ তাক নিষিদ্ধ কৰিবলৈকে শিকোঁচোন! সকলোতে আমি স্কুলত প্ৰাৰ্থনাৰ আগত চাফাই কৰিছিলোঁ। তাৰ বাবে একোজন চাফাই মন্ত্ৰী আছিল। সেয়া এতিয়াৰ ল'ৰা - ছোৱালীৰ বাবে হাঁহি উঠা কথা। আজিৰ ছাত্ৰ-ছাত্ৰীক সেইবোৰ কথাবোৰ অভিভাবকে প্ৰধান শিক্ষকক ধমকি দিব। কিন্তু তেনেকুৱা কথাবোৰে আমাক পৰিবেশৰ প্ৰতি সজাগ কৰিছিল। তেনেকুৱা কথা পুনৰ বিবেচনা কৰিব নোৱাৰিবে? আকৌ ৫ জুন আহিছে। এই বাৰৰ শ্লোগান বা প্ৰতিপাদ্য বিষয় (Theme) হৈছে-

"Inspired by Nature. For Climate. For Our Future."

প্ৰকৃতিৰ পৰা আমি প্ৰেৰণা পাইছোঁ। কিন্তু ক্ষমতা প্ৰয়াসী দানৱৰ হাতৰ পৰা আমাৰ ভবিষ্যত ৰক্ষা কৰা অসম্ভৱ।

২০২৫ চনৰ প্ৰতিপাদ্য বিষয় আছিল - "Land restoration decerification and draught resilience under the slogan 'our land our future'."

'আমাৰ মাটি আমাৰ ভবিষ্যত'।

২০২৪ চনৰ বিশ্ব পৰিবেশ দিৱসৰ সংকল্প আছিল - বিলুপ্ত হোৱা মাটিবোৰ পুনৰ উদ্ধাৰ কৰা, মৰুভূমি সদৃশ অঞ্চললৈবোৰ পুনৰ উৰ্বৰা কৰা।

"To Journey to a Greener Focusing on the collective efforts required to protect our planet and ensure a more sustainable future for all."

বিশ্ব পৰিবেশ দিৱসে আমাৰ ওপৰত দায়িত্ব পালনৰ সুযোগ দিয়ে যাতে আমি সমূহীয়াকৈ পৰিবেশ প্ৰদূষণৰ সমস্যা সমাধান কৰিবলৈ আগ্ৰহী বা সক্ষম হ'বলৈ পাৰোঁ। প্ৰদূষণ বোধৰ বাবে কৰিবলৈ দেশৰ চৰকাৰে কৰা কাৰ্যসূচী আৰু সিদ্ধান্তসমূহ যথেষ্ট নহয়। সকলো কথাৰ বাবে চৰকাৰক দোষাৰোপ কৰা নহয়। এখন বাসোপযোগী পৃথিবী সংৰক্ষণৰ বাবে আমি সমূহীয়াকৈ কাম কৰিব লাগিব। পৃথিবীখনৰ বিষয়ে চিন্তা কৰা লোক সকলে জৈৱিক সাৰ, কিম্বা ইন্ধন ব্যবহাৰৰ বাপকতাও ওপৰত গুৰুত্ব প্ৰদান কৰি আছিছে। কৃটীৰ শিল্প বা লঘু শিল্প প্ৰতিষ্ঠা কৰা, অৰণ্যৰ বক্ষণাবেক্ষণ দিয়া, আগ্নেয়াস্ত্ৰ আৰু পাৰমাণবিক অস্ত্ৰৰ পৰীক্ষণ বোধ কৰা, মহাকাশ মুক্ত কৰা আদিৰ বাবে ৰাষ্ট্ৰসংঘই সেখোবোৰক আহ্বান জনাইছে। আমাৰ ভাৰতবৰ্ষয়োও এনেকুৱা বিষয়সমূহ গ্ৰহণ কৰাত আগভাগীও লৈছে।

কিন্তু কথাবোৰাৰ উমান সহজে নাহয়। গৰম বৃদ্ধি হ'লেহে মানুহৰ মনত পৰে গছ বোপণৰ কথা। বানপানী আহিলে মনত পৰে নদ-নদীৰ প্ৰদূষণ বোধ কৰাৰ কথা। গুৱাহাটীত কৃত্ৰিম বানৰ কবলত পৰা সময়ত মনলৈ আহে নলা-নৰ্দমাৰ কথা। তাৰ পৰা উদ্ধাৰ পালেই সকলে কথা পাহৰি জনজীৱন স্বাভাৱিক হৈ পৰে। এইবাৰৰ পাৰা ভস্তুৰ প্ৰায়ে হয়তো মানুহক সকিয়নি দিছে। আজিৰ পৰাই আৰম্ভ কৰিলে হয়তো আহ বছৰৰ ৫ জুনলৈ পৃথিবীৰ বৰ্তমানৰ ৰূপৰ সলনি হ'ব। তাত আমাৰ ভূমিকা হ'ব- যাতে প্ৰকৃতিৰ অনিষ্ট হোৱা কোনো কামেই আমি নকৰোঁ!

আহক আমি সকলোৱে 'আমাৰ মাটি আৰু আমাৰ ভবিষ্যত' ৰক্ষা কৰোঁ!

পোহৰলৈ বিশ্বজিত দৈমাৰীৰ কাৰ্যকালৰ দুৰ্নীতিৰ

অনিয়ম আৰু বিভিন্ন ধৰণৰ দুৰ্নীতি সংঘটিত হৈছিল দৈমাৰীৰ কাৰ্যকালত বুলি অভিযোগ উঠিছে। শেহতীয়াকৈ, ৩ জুন ২০২৬ তাৰিখে বুধবাৰে, এই সম্পৰ্কে এখনি স্মাৰকপত্ৰ অসম বিধানসভাৰ বৰ্তমানৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ কাৰ্যালয়ত দাখিল কৰে 'আসাম পাব্লিক ৰকৰ্ড' (এপিডব্লিউ)'নামৰ সংস্থাটোৱে। সংস্থাটোৰ সভাপতি আভিজিত শৰ্মা আৰু সাধাৰণ সম্পাদক ধ্ৰুবজ্যোতি তালুকদাৰে স্বাক্ষৰ কৰা এই স্মাৰকপত্ৰখনিত মুঠ ১৬টা দফাত বিভিন্ন অভিযোগ উল্লেখ কৰা হৈছে। এপিডব্লিউ'ই স্মাৰকপত্ৰযোগে উল্লেখ কৰে যে বিগত সময়ছোৱাত অসম বিধানসভাত সংঘটিত হোৱা ব্যাপক অনিয়ম, বিত্তীয় খেলিমেলি আৰু ৰাজকোষৰ ধনৰ অপব্যৱহাৰ সম্পৰ্কে ইতিমধ্যে সংস্থাটোৱে যোৱা ৩১ মে' ২০২৬ তাৰিখে সংবাদমেলযোগে তথ্য পোহৰলৈ আনিছিল। সেই অভিযোগসমূহৰ লিখিত কপি হিচাপে বৰ্তমান অধ্যক্ষৰ কাৰ্যালয়ত স্মাৰকপত্ৰখনিও দাখিল কৰা হৈছে। উক্ত অভিযোগগানামাখনত বিধানসভাৰ সদ্য প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত দৈমাৰীৰ কাৰ্যকালতে নিয়োজিত কেইগৰাকীমান বিষয়া তথা ঠিকাদাৰৰ বিৰুদ্ধে গুৰুতৰ বিত্তীয় অনিয়মৰ কথা উল্লেখ কৰা হৈছে। অভিযুক্তসকলৰ ভিতৰত বিশেষ কৰ্তব্যৰত বিষয়া সৌমেন বৰকী, অন্তিমা দেউৰী চাবাউগী, সদ্য অপসাৰিত সচিব দুলাল পেগু, ঠিকাদাৰী প্ৰতিষ্ঠান 'ন'ভ' কম্পিউটিং', তথা ঠিকাদাৰ মাধৱ ডেকা, সুন্দৰ নাথ মিশ্ৰ আৰু গৌতম বড়ো আদি অন্যতম। এইসকলৰ বিৰুদ্ধে অনিয়ম আৰু ৰাজকোষৰ ধন লুণ্ঠনৰ অভিযোগ উত্থাপন কৰি সংস্থাটোৱে উচ্চ পর্যায়ৰ তদন্তৰ দাবী জনাইছে। স্মাৰকপত্ৰত লিখা মতে, যদি বৰ্তমান অধ্যক্ষ ডাঙৰীয়াই নিজাবৰীয়াকৈ সঠিক ব্যবস্থা ল'বলৈ বিফল হয়, তেন্তে অইন বিকল্প পদক্ষেপ গ্ৰহণ কৰা হ'ব। সংস্থাটোৰ সতর্ক বাণী অনুসৰি, সেই ক্ষেত্ৰত উল্লিখিত বিষয়া আৰু ঠিকাদাৰসকলৰ বিৰুদ্ধে দুৰ্নীতি নিবাৰক শাখাত (লোকায়ুক্ত বা এন্টি কৰাপচন ব্যুৰ') গোচৰ দাখিল কৰা হ'ব। লগতে ষিবোৰ বিষয় ন্যায়ালয়ত উত্থাপন কৰাৰ প্ৰয়োজন আছে সেয়া ন্যায়ালয়ৰ দ্বাৰস্থ কৰা হ'ব। এই সম্পৰ্কত সংস্থাটোৰ অধিবক্তাই ইতিমধ্যে প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া আৰম্ভ কৰি দিয়া বুলিও স্মাৰকপত্ৰত উল্লেখ আছে। উল্লেখ্য যে বিশ্বজিত দৈমাৰীৰ অধ্যক্ষ কালছোৱাত কেইবাটাও নিযুক্তি আৰু বিত্তীয় লেনদেনক লৈ পূৰ্বেই বিতৰ্কৰ সৃষ্টি হৈছিল। এপিডব্লিউ'ই এই স্মাৰকপত্ৰই ৰাজ্যৰ ৰাজনৈতিক মহলত নতুনকৈ জালি জুলাই দিছে। চৰকাৰী সূত্ৰই জানিবলৈ দিয়া অনুসৰি, অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে স্মাৰকপত্ৰখন গ্ৰহণ কৰিছে আৰু প্ৰয়োজনীয় পৰীক্ষা-নিৰীক্ষা কৰি বিধিসম্মত ব্যৱস্থা লোৱাৰ আশ্বাস দিছে।

ভাৰত-বাংলাদেশ সীমান্ত

সীমান্ত সুৰক্ষা পর্যালোচনা সভাত মিলিত হ'ব। তেওঁ সীমান্ত সুৰক্ষা বল (বিএছএফ) আৰু অন্যান্য নিৰাপত্তা সংস্থাসমূহৰ সৈতে এক বৈঠকত অংশগ্ৰহণ কৰি সীমান্তৰ বৰ্তমান পৰিস্থিতিৰ ওপৰত গভীৰভাবে আলোচনা কৰিব। সীমান্ত পর্যালোচনা সভাত অবৈধ অনুপ্ৰবেশ, চোৰাং বেহা, অস্ত্ৰ পাচাৰ আৰু আন আন অপৰাধমূলক কাৰ্যকলাপ সম্পৰ্কীয় বিষয়সমূহ প্ৰধানকৈ স্থান পাব বুলি সূত্ৰই জানিবলৈ দিয়ে। ইয়াৰ পূৰ্বেই বৃহস্পতিবাৰে অমিত শাহ ত্ৰিপুৰাৰ আগৰতলা নগৰীত উপস্থিত হয়। তেওঁৰ এই সীমান্ত ভ্ৰমণক লৈ ত্ৰিপুৰাৰ ৰাজনৈতিক আৰু প্ৰশাসনিক মহলত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মাণিক সাহাই এক বিবৃতিত কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ এই সীমান্ত ভ্ৰমণ ত্ৰিপুৰাৰ বাবে অতান্ত গুৰুত্বপূর্ণ। তেওঁ জনায় যে ৰাজ্য চৰকাৰে পূর্বেও সীমান্তৰ ক্ৰমবর্ধমান অস্থিৰ পৰিস্থিতি পর্যালোচনা কৰাৰ বাবে গৃহমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে এই সভাৰ পৰা কিছু স্পষ্ট দিশনির্দেশনা ওলাই আহিব। প্ৰসংগক্ৰমে উল্লেখ কৰা প্ৰয়োজন যে ত্ৰিপুৰা ৰাজ্যখনৰ সৈতে বাংলাদেশৰ ৮৫৬ কিলোমিটাৰ দীঘল আন্তঃৰাষ্ট্ৰীয় সীমান্ত সংলগ্ন হৈ আছে। ৰাজ্যখনৰ তিনিওদিশে বাংলাদেশে ঘেৰি থকা বাবে এই অঞ্চলটো সীমান্ত সুৰক্ষাৰ ফালৰ পৰা অতি স্পৰ্শকাতৰ বুলি গণ্য কৰা হয়। দীঘলীয়া আৰু দুৰ্গম সীমান্তই অবৈধ অনুপ্ৰবেশ, চোৰাং বেহা, মাদক দ্ৰব্য আৰু অন্যান্য অপৰাধৰ বাবে এক প্ৰধান পথ হিচাপে কাম কৰি আহিছে। গৃহমন্ত্ৰী অমিত শাহৰ এই সীমান্ত পর্যালোচনাই অদূৰ ভবিষ্যতে ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা জাল অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰিব বুলি বিশেষজ্ঞ মহলে মত প্ৰকাশ কৰিছে।

পুনৰ নাকচ হ'ল মূল অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু ন্যায়ালয়ে সেই আবেদন গ্ৰহণ নকৰিলে। ইয়াৰ আগতে শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ হোৱাৰ পিছত জুবিন গাৰ্গ হত্যাকাণ্ডৰ মূল অভিযুক্ত প্ৰিয়ব্ৰত শৰ্মাই জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। বুহস্পতিবাৰে তেওঁৰ জামিন আবেদনৰ শুনানিৰ বাবে দিন ধাৰ্য আছিল, কিন্তু ন্যায়াধীশ পার্থজ্যোতি শইকীয়াৰ আদালতে শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা। ন্যায়াধীশ গৰাকীয়ে আবেদনটি গ্ৰহণ নকৰাত পঞ্জীয়কে এই বিচাৰ অন্য ন্যায়াধীশৰ বিচাৰপীঠলৈ স্থানান্তৰিত কৰিব। স্থানান্তৰিত পীঠত শুনানি গ্ৰহণ কৰাৰ পাছতহে সিদ্ধান্ত শৰ্মাৰ জামিনৰ ভবিষ্যত নির্ণয় হ'ব। এক্ষেত্ৰে মহাধৈৰ্য্য একুৱা জঙ্ঘক লৈ সিদ্ধাৰ্থ শৰ্মাৰ ব্যবসায়িক সহযোগী চেতন ধীৰাচেৰিয়াই উচ্চ ন্যায়ালয়ত যি আবেদন দাখিল কৰিছিল, সেইটোও আদালতে গ্ৰহণ নকৰিলে। বিশেষ ফাষ্টট্ৰেক আদালতে মহাধৈ একুৱা জঙ্ঘ কৰাৰ নির্দেশ দিয়াৰ পাছতে চেতন ধীৰাচেৰিয়াই উচ্চ ন্যায়ালয়ৰ কায চাপিছিল। উল্লেখযোগ্য যে ইয়াৰ আগতে, ২৯ মে'ত মিতালী ঠাকুৰীয়াৰ আদালতে এই হত্যাকাণ্ডৰ তান এক মূল অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ কৰিছিল। আনহাতে, ২৬ মে'ত জুবিন গাৰ্গ হত্যা গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে চাৰ্জফ্ৰেমৰ ধাৰা আৰোপ কৰাৰ পিছত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে ৮ জনৰ পৰা সাক্ষী পৰীক্ষাৰ বাবে দিন ধাৰ্য কৰিছে। মূল সাতগৰাকী অভিযুক্তৰ ভিতৰত ছ্ৰাগৰাকীক বিৰুদ্ধে ছ্ৰায়ত্বৰ অভিযোগত ধাৰা আৰোপ কৰা হৈছে। অহা ৮ জুনৰ পৰা আদালতত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু তাৰ পাছত প্ৰতিদিনেই ফাষ্টট্ৰেক আদালতত এই বিচাৰ অব্যাহত থাকিব। গোচৰটোত প্ৰায় ৩৪৯ গৰাকী সাক্ষী আছে। চৰকাৰী অধিবক্তাই এই সাক্ষীসকলৰ ভিতৰৰ পৰা প্ৰয়োজনীয় সাক্ষী প্ৰদান কৰি বিচাৰক সহায় কৰিব। চৰকাৰী অধিবক্তাই জানিবলৈ দিয়া মতে, ভাৰতীয় ন্যায় সংহিতা ২০২৩ ধাৰা ৩৬, ৩৭ আৰু ৩৮ৰ অধীনত এই বিচাৰ প্ৰক্ৰিয়া চলাবলৈ নির্ধাৰণ কৰা হৈছে।

আজি মন্ত্ৰীৰূপে শপত ল'ব

অশোক সিংহল, কুঞ্জেন্দ্ৰ পাল, নীলিমা দেৰী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, বিমল বড়া, সুশান্ত বৰগোঁহাই আৰু কেশৰ মহন্ত। উল্লেখযোগ্য যে ছিতীয় কাৰ্যকালৰ বাবে গঠন হ'বলগীয়া 'টীম হিমন্ত'ত স্থান লাভ কৰাসকলৰ ভিতৰত চাৰিগৰাকীয়ে নতুনকৈ মন্ত্ৰীসভাত প্ৰবেশ কৰিবলৈ চল পইছে। আনহাতে কাৰী আঠগাৰী আগৰ মন্ত্ৰীসভাৰে সদস্য। নতুন মন্ত্ৰীসভাখন গঠনৰ সময়ত মুখ্যমন্ত্ৰী গৰাকীয়ে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী আৰু অঞ্চলৰ প্ৰতিনিধিত্ব নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সেই দৃষ্টিভংগীৰ পৰাইবৰাক উপত্যকাৰ পৰা কৌশিক ৰায় আৰু কুঞ্জেন্দ্ৰ পাল, চুতীয়া জনগোষ্ঠীৰ প্ৰতিনিধি হিচাপে বিমল বড়া, কোচ-বাজবংশী জনগোষ্ঠীৰ প্ৰতিনিধিত্বে অশ্বিনী ৰায় সৰকাৰ, বড়ো জনগোষ্ঠীৰ প্ৰতিনিধি বিশ্বজিৎ দৈমাৰী, আহোম জনগোষ্ঠীৰ প্ৰতিনিধি সুশান্ত বৰগোঁহাই, আৰু মিচিং জনগোষ্ঠীৰ প্ৰতিনিধি হিচাপে ড' ৰণোজ পেগুক মন্ত্ৰীসভাত স্থান দিয়া হৈছে। শুক্ৰবাৰে দুপৰীয়া ১২টা ৪৫ মিনিটত গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নবনির্বাচিত মন্ত্ৰীসকলক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱাব। শপত গ্ৰহণৰ পাছত পূৰ্বৰে পৰা থকা চাৰিগৰাকী মন্ত্ৰীকে ধৰি মুঠতে ড' শৰ্মাৰ মন্ত্ৰীসভা ১৬গৰাকীৰ হৈ পৰিব। সাংবিধানিক বিধি অনুসৰি মুখ্যমন্ত্ৰীকে ধৰি অসমৰ মন্ত্ৰীসভাৰ সৰ্বোচ্চ সদস্য সংখ্যা ১৯ গৰাকী। অৰ্থাৎ এতিয়াও মন্ত্ৰীসভাত দুখন আসন খালী হৈ থাকিল। আগন্তুক সময়ত সে আসন দুখন পুৰণ কৰাৰ সম্ভাবনা আছে। এই সম্প্ৰসাৰণে আগন্তুক দিনত অসমৰ ৰাজনীতিত কেনে প্ৰভাব পেলায় তাৰ প্ৰতি ৰাজ্যৰ ৰাজনৈতিক মহলৰ দৃষ

প্ৰকৃতি ধ্বংসৰ ভয়ংকৰ পৰিণতি

আমাৰ জীৱন ধাৰণৰ একমাত্ৰ আধাৰ আৰু ইয়াৰ অহিবহে পৃথিবীত কোনো জীৱৰ অস্তিত্ব কল্পনা কৰাটোৱেই সম্পূৰ্ণকপে অসম্ভৱ। কিন্তু বৰ্তমান সময়ত অদম্য আৰ্থপৰতা আৰু অবিবেচক কাৰ্যকলাপৰ ফলত প্ৰকৃতিৰ এই সুন্দৰ ভাৰসাম্য ক্ৰমান্বয়ে এক ভয়ংকৰ বিপৰ্যয়ৰ দিশে দ্ৰুতগতিত আগবাঢ়ি গৈছে, যিয়ে সমগ্ৰ পৃথিৰীৰ বাবেই এক অশনি সংকেত কঢ়িয়াই আনিছে। প্ৰকৃতিৰ বুকুত চলি থকা এই নিৰন্তৰ ধ্বংসলীলাই কেবল গছ-গছনি বা বন্যপ্ৰাণীবেই ক্ষতিগ্ৰস্ত কৰা নাই, বৰঞ্চ ই প্ৰত্যক্ষ আৰু পৰোক্ষভাবে সমগ্ৰ জীৱজগতৰ সুৰক্ষা আৰু স্থায়িত্বৰ প্ৰতি এক তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। প্ৰতিদিনে আমি আমাৰ চৌপাশৰ প্ৰাকৃতিক পৰিবেশটোক যিদৰে ধ্বংসৰ মুখলৈ ঠেলি দিছোঁ, তাৰ ফলশ্ৰুতিত প্ৰকৃতিয়ে নিজৰ স্বাভাৱিক ছন্দ হেৰুৱাই পেলাইছে আৰু ইয়াৰ প্ৰতিক্ৰিয়া হিচাপে আমি অহবহ সন্মুখীন হ'বলগীয়া হৈছে বিবিধ প্ৰাকৃতিক দুৰ্যোগ আৰু অস্বাভাৱিক পৰিবেশৰ। প্ৰকৃতিৰ এই ধ্বংসৰ প্ৰক্ৰিয়াটো এদিন বা দুদিনত হোৱা নাই, ই হৈছে মানুহৰ দীৰ্ঘদিনীয়া অপৰদৰ্শী কাৰ্যকলাপৰ এক পুঞ্জীভূত প্ৰভাৱ, যাৰ ভয়ংকৰ পৰিণামবোৰ এতিয়া লাহে লাহে আমাৰ চকুৰ আগত স্পষ্ট হৈ পৰিছে। বাষুৰ গুণাগুণ অকনমান হোৱাৰ পৰা আৰম্ভ কৰি পানীৰ উৎসসমূহ প্ৰদূষিত হোৱালৈকে, প্ৰতিটো ক্ষেত্ৰতেই প্ৰকৃতিয়ে মানুহৰ অত্যাচাৰৰ বলি হ'বলগীয়া হৈছে। এই অবস্থাটোৱে আমাক সৌৱৰাই দিয়ে যে প্ৰকৃতিক জয় কৰাৰ সলনি প্ৰকৃতিৰ সৈতে সহাৱস্থান কৰাটোৱে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা, কিয়নো প্ৰকৃতি ধ্বংস হ'লে আমাৰ নিজৰো ধ্বংস অনিবাৰ্য। পৰিবেশৰ এই অবক্ষয় কেবল এক ভৌগোলিক বা বৈজ্ঞানিক পৰিঘটনা হৈ থকা নাই, ই ক্ৰমাংক এক নৈতিক আৰু অস্তিত্বৰ সংকটলৈ ৰূপান্তৰিত হৈছে। সেয়েহে প্ৰকৃতিৰ এই ভয়ংকৰ ধ্বংসলীলাৰ পৰিণামসমূহ গভীৰভাবে অনুধাৱন কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ জৰুৰী বিষয় হৈ পৰিছে, কিয়নো প্ৰকৃতিৰ সৈতে আহিবনে আমি অবিহনে একেবাৰেই অন্ধকাৰ আৰু দিশহাৰা। প্ৰকৃতিৰ প্ৰতিটো উপাদান পৰস্পৰৰ লগত এক অদৃশ্য অথচ সুদৃঢ় বান্ধোনেৰে বান্ধ খাই আছে, আৰু এই বান্ধোনৰ সামান্যতম বিঘ্নিতয়ে সমগ্ৰ পৰিস্থিতিতন্ত্ৰত এক ভয়াবহ খহনীয়া সৃষ্টি কৰিব পাৰে। মানুহে নিজৰ সাময়িক সুখ আৰু স্বাচ্ছন্দ্যৰ বাবে প্ৰকৃতিৰ ওপৰত যি নিৰ্মম আধিপত্য বিস্তাৰ কৰিবলৈ বিচাৰিছে, তাৰ ফলত প্ৰকৃতিৰ স্বাভাৱিক বোধ প্ৰতিবোধ ক্ষমতা ক্ৰমান্বয়ে দুৰ্বল হৈ পৰিছে। এই দুৰ্বলতাৰ সুযোগতেই বিভিন্ন ধৰণৰ অস্বাভাৱিক পৰিবৰ্তনে আমাৰ চৌপাশৰ পৰিবেশত গা কৰি উঠিছে আৰু আমাৰ দৈনন্দিন জীৱন যাত্ৰাক এক অভূতপূৰ্ব সংকটৰ মাজলৈ টেলি গৈছে।

প্ৰকৃতিৰ নিৰন্তৰ অবক্ষয়ৰ আটাইতকৈ ভয়াবহ আৰু প্ৰত্যক্ষ পৰিণামটোৱেই হৈছে গোলকীয় জলবায়ুৰ অস্বাভাৱিক আৰু আকস্মিক পৰিবৰ্তন, যিয়ে সমগ্ৰ বিশ্বৰ পৰিবেশিক ভাৰসাম্য একেবাৰেই ধাননাম কৰি পেলাইছে। অৰণ্যসমূহ ব্যাপক হাৰত ধ্বংস কৰাৰ ফলত বায়ুমণ্ডলত সেউজগুহ গেছৰ পৰিমাণ আশংকাজনকভাবে বৃদ্ধি পাইছে, যাৰ ফলত পৃথিৰীৰ সামগ্ৰিক উষ্ণতা ক্ৰমাগতভাবে বাঢ়ি গৈ আছে। এই বৰ্ধিত উষ্ণতাই জলবায়ুৰ স্বাভাৱিক চক্ৰটোক সম্পূৰ্ণকপে বিশৃংখল কৰি তুলিছে, যাৰ বাবে ঋতুসমূহৰ পৰিবৰ্তন এতিয়া আৰু আগৰ দৰে সময়মতে আৰু নিয়মীয়াকৈ নহয়। ববযুণৰ পৰিমাণ আৰু সময়ৰ অনিশ্চয়তাই এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে, যাৰ ফলত প্ৰাকৃতিক ভাৰসাম্য একেবাৰেই হেৰাই গৈছে আৰু জলবায়ুৰ এই চৰম আচৰণৰ ফলত কৃষি খণ্ড আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে, কিয়নো খেতি-বাতিৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱেই প্ৰকৃতিৰ স্বাভাৱিক ববধৰ ওপৰত নিৰ্ভৰশীল। মাটিৰ উৰ্বৰতা হ্ৰাস পোৱা, পানীৰ নিৰ্মল উৎসসমূহ শুকাই যোৱা আৰু বিভিন্ন ধৰণৰ নতুন নতুন ৰোগ আৰু কীট-পতংগৰ উপদ্ৰৱ বৃদ্ধি পোৱাৰ ফলত সমগ্ৰ বিশ্বজুৰি খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত এক চৰম সংকটৰ সৃষ্টি হৈছে। ইয়াৰ উপৰিও, বায়ুমণ্ডলৰ উষ্ণতা অস্বাভাৱিক হাৰত বৃদ্ধি পোৱাৰ ফলত পৃথিৰীৰ মেৰু অঞ্চলৰ বিশাল বৰফৰ তৰপ দ্ৰুতগতিত গলি সাগৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি পাবলৈ ধৰিছে, যিয়ে উপকূলীয় অঞ্চলসমূহৰ সুৰক্ষাৰ বাবে এক ভয়াবহ ভবিষ্যতৰ ইংগিত বহন কৰিছে। জলবায়ু পৰিবৰ্তনৰ এই ধ্বংসাত্মক প্ৰভাৱ কেবল প্ৰাকৃতিক পৰিবেশকেই নহয়, বৰঞ্চ মানুহৰ স্বাস্থ্য আৰু জীৱিকাৰ ওপৰতো এক গভীৰ বিঞ্চণ প্ৰভাৱ পেলাইছে। প্ৰকৃতিৰ বুকুত ধকা বিভিন্ন অমূল্য সম্পদসমূহ, যিবোৰৰ ওপৰত নিৰ্ভৰ কৰি মানুহে যুগ যুগ ধৰি জীৱন নিৰ্বাহ কৰি আছিল, সেইবোৰ এতিয়া দ্ৰুতগতিত নিঃশেষ হ'বলৈ ধৰিছে। বিশুদ্ধ খোৱাপানীৰ অভাৱ বৰ্তমান সময়ৰ এক জ্বলন্ত সমস্যা হৈ পৰিছে, কিয়নো বনাঞ্চল ধ্বংস আৰু উদ্যোগিক আবৰ্জনাৰ ফলত ভূগৰ্ভৰ পানী আৰু নদীৰ পানী দুয়োটাই অতিমাত্ৰা প্ৰদূষিত হৈ পৰিছে। মাটিৰ স্বাভাৱিক গুণাগুণ নষ্ট হোৱাৰ ফলত কেৱল কৃষি উৎপাদনতেই বাধাৰ সৃষ্টি হোৱা নাই, বৰঞ্চ ইয়াৰ ফলত মাটিৰ খহনীয়া আৰু ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ মাত্ৰাও বহুগুণে বৃদ্ধি পাইছে। প্ৰকৃতিৰ ওপৰত চলোৱা এই নিৰন্তৰ অত্যাচাৰৰ ফলত পৰিবেশৰ যি অপূৰণীয় ক্ষতি হৈছে, তাক কেৱল বাহ্যিক দৃষ্টিৰে কেতিয়াও জুখিব নোৱাৰি, ইয়াৰ প্ৰভাৱ সমাজৰ প্ৰতিটো স্তৰতেই অতি গভীৰভাবে শিপাই পৰিছে আৰু মানুহৰ ভবিষ্যত জীৱন ধাৰণৰ প্ৰক্ৰিয়াটোক এক তীব্ৰ অনিশ্চয়তাৰ মাজলৈ টেলি গৈছে।

প্ৰকৃতি ধ্বংসৰ আন এক অভিশপ্ত দিশ হৈছে ক্ষণিকাতৰ আৰু মৰ্মান্তিক পৰিণাম হৈছে জৈৱ বৈচিত্ৰ্যৰ দ্ৰুত অবনতি আৰু অসংখ্য জীৱ-জন্তু তথা উদ্ভিদ প্ৰজাতিৰ চিৰকালৰ বাবে বিলুপ্তি ঘটা। এখন সুস্থ আৰু ভাৰসাম্যপূৰ্ণ পৃথিৰীৰ বাবে জৈৱ বৈচিত্ৰ্যৰ উপস্থিতি নিতান্তই অপৰিহাৰ্য, কিয়নো প্ৰতিটো সৰু-বৰ জীৱ আৰু উদ্ভিদে পৰিস্থিতিতন্ত্ৰত একোটা নিৰ্দিষ্ট আৰু অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু মানুহৰ বাসস্থান সম্প্ৰসাৰণ, বনাঞ্চল ধ্বংস আৰু প্ৰাকৃতিক আৱাসস্থলসমূহ অবিবামভাবে বেদখল কৰাৰ ফলত বন্যপ্ৰাণী আৰু উদ্ভিদসমূহৰ অস্তিত্ব আজি তীব্ৰ সংকটৰ সম্মুখীন হৈছে। যেতিয়া কোনো এটা প্ৰাকৃতিক পৰিবেশৰ পৰা এটা বিশেষ প্ৰজাতি চিৰদিনৰ বাবে বিলুপ্ত হৈ যায়, তেতিয়া ই কেৱল সেই নিৰ্দিষ্ট প্ৰজাতিটোৰেই অন্তনপবে, বৰঞ্চ ইসমগ্ৰ খাদ্য শৃংখল আৰু পৰিস্থিতিতন্ত্ৰৰ ওপৰত এক প্ৰচণ্ড বিঞ্চণ প্ৰভাৱ পেলায়। এটা প্ৰজাতিৰ বিলুপ্তিয়ে তাৰ ওপৰত নিৰ্ভৰশীল আন বহুতো প্ৰজাতিৰ জীৱনলৈ এক অন্ধকাৰ ভাবুকি কঢ়িয়াই আনে আৰু এনেদৰেই লাহে লাহে সমগ্ৰ প্ৰাকৃতিক ব্যৱস্থাটোৱেই ভাঙি পৰে। উদ্ভিদ জগতৰ অবক্ষয়ে কেৱল বায়ুমণ্ডলত অম্লজানৰ যোগানতেই ব্যাঘাত জন্মোৱা নাই, বৰঞ্চ ই বন্যপ্ৰাণীৰ খাদ্য আৰু নিবাশদ আশ্ৰয়বো এক চৰম অভাৱৰ সৃষ্টি কৰিছে। এই প্ৰাকৃতিক আৱাসস্থলৰ অভাৱৰ বাবেই বন্যপ্ৰাণীবোৰ বাধ্য হৈ মানুহৰ বাসস্থানলৈ ওলাই আহিবলগীয়া হৈছে, যাৰ ফলত মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাত ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। এই সংঘাতে কেৱল বন্যপ্ৰাণীবেই অপমৃত্যু আনি অনা নাই, বৰঞ্চ ইমানুহৰ জীৱন আৰু সম্পত্তিৰ বাবেও এক ডাঙৰ বিপদ হৈ পৰিছে। ইয়াৰ উপৰিও, জৈৱ বৈচিত্ৰ্যৰ এই অবক্ষয়ে চিকিৎসা সম্পূৰ্ণকপে ভাগি পৰাৰ উপক্ৰম হৈছে, যাৰ ফলত দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। যেতিয়া প্ৰাকৃতিক বতৰ আৰু জলবায়ু নিয়ন্ত্ৰণ প্ৰক্ৰিয়াটো তীব্ৰভাবে বাধাগ্ৰস্ত হয়। ইয়াৰ প্ৰত্যক্ষ পৰিণামতেই আমি দেখিবলৈ পাওঁ অপ্ৰত্যাশিত বতৰৰ পৰিবৰ্তন আৰু ঋতুচক্ৰৰ মাৰাত্মক বিচ্যুতি। এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে মানৱ সমাজক এক চৰম নৈতিক সংকটৰ মাজলৈকো ঠেলি দিছে, য'ত মানুহে নিজৰেই আৱাসভূমিক নিজ হাতেৰে ধ্বংস কৰি ভবিষ্যতৰ প্ৰতি চৰম দায়িত্বহীনতাৰ পৰিচয় দিছে। প্ৰকৃতিৰ প্ৰতি এহে উদাসীনতা আৰু অবজ্ঞাই প্ৰমাণ কৰে যে ভৌতিকতাই যিমানেই উন্নতি নহওক কিয়, আধ্যাত্মিক আৰু নৈতিকভাৱে মানৱ সমাজ ক্ৰমান্বয়ে এক গভীৰ অন্ধকাৰৰ দিশে গতি কৰিছে। এই পৰিস্থিতিত, কেৱল চৰকাৰী কঠোৰ নীতি বা আইনৰ জৰিয়তে পৰিবেশ সুৰক্ষা কেতিয়াও সম্ভৱ নহয়, ইয়াৰ বাবে প্ৰয়োজন প্ৰতিগাৰকী ব্যক্তিৰ মনত প্ৰকৃতি প্ৰতি এক গভীৰ শ্ৰদ্ধা আৰু সংবেদনশীলতা জগাই তোলাৰ। যেতিয়ালৈকে মানুহে নিজকে প্ৰকৃতিৰ সৰ্বেসৰ্বা গৰাকী বুলি ভৰাৰ পৰিবৰ্তে প্ৰকৃতিৰ এক অবিচ্ছেদ্য অংশ বুলি অনুভৱ নকৰে, তেতিয়ালৈকে প্ৰকৃতি ধ্বংসৰ এই কৰুণ গাঁথাৰ কোনো অন্ত নপৰে।

প্ৰকৃতিৰ বুকুত চলি থকা এই ধ্বংসযজ্ঞৰ আটাইতকৈ বেদনাদায়ক দিশটো হৈছে ইয়াৰ ফলশ্ৰুতিত অনাগত প্ৰজন্মই সম্মুখীন হ'বলগীয়া এক অনিশ্চিত আৰু অন্ধকাৰ ভবিষ্যত। আমি বৰ্তমান যি প্ৰাকৃতিক সম্পদ আৰু পৰিবেশৰ সুবিধা নিৰ্বিঘ্নে উপভোগ কৰি আছোঁ, সেয়া আচলতে আমাৰ পূৰ্বপুৰুষসকলে সযতনে আমাৰ বাবে সংৰক্ষণ কৰি থৈ যোৱা এক অমূল্য উপহাৰ। কিন্তু আমাৰ অবিবেচক আৰু স্বাৰ্থপৰ কাৰ্যকলাপৰ ফলত আমি ভবিষ্যত প্ৰজন্মৰ বাবে এখন প্ৰদূষিত, সম্পদহীন আৰু দুৰ্যোগপূৰ্ণ পৃথিৰী এৰি যে যোৱাৰ উপক্ৰম হৈছোঁ। এয়া কেৱল এক পৰিবেশগত অপৰাধেই নহয়, বৰঞ্চ ই হৈছে অনাগত মানৱ জাতিৰ প্ৰতি কৰা এক চৰম অন্যায় আৰু বিশ্বাসঘাতকতা। ভবিষ্যতৰ শিশুসকলে যেতিয়া এখন সেউজীয়া অৰণ্যৰ ছবি বিচাৰি নাপাব, যেতিয়া তেওঁলোকে সৰু একোঁজাল বিশুদ্ধ পানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হ'ব, তেতিয়া তেওঁলোকে আমাৰ এই তথাকথিত নিৰ্মম উন্নয়ন আৰু যান্ত্ৰিক আধুনিকতাক কেতিয়াও ক্ষমা নকৰিব। সেয়েহে পৰিবেশ সংৰক্ষণৰ ধাৰণাটো কেৱল বৰ্তমানৰ প্ৰয়োজন পূ�ৰণৰ মাজতেই সীমাবদ্ধ নাৰাখি ইয়াক এক দীৰ্ঘমেয়াদী আৰু সুদূৰপ্ৰসাৰী দৃষ্টিভংগীৰে বিচাৰ কৰাটো অতিশয় গুৰুত্বপূৰ্ণ। প্ৰকৃতিৰ পৰা আমি যিমানখিনি সামগ্ৰী গ্ৰহণ কৰোঁ, তাৰ সমপৰিমাণৰ প্ৰকৃতিৰ বুকুলৈ ঘুৰাই দিয়াৰ এক পৰো পকাৰী মানসিকতা আমি অতি সোনকালেই গঢ়ি তুলিব লাগিব। গছপুলি বোপণ কৰা, প্ৰদূষণৰ মাত্ৰা হ্ৰাস কৰা, আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ কমাই প্ৰাকৃতিক শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ দৰে পদক্ষেপসমূহ প্ৰতিগৰাকী সচেতন নাগৰিকৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিব লাগিব। ইয়াৰ উপৰিও, আমাৰ শিক্ষা ব্যৱস্থাত পৰিবেশ সচেতনতাৰ বিষয়টোক গভীৰভাবে অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মনত সৰুৰে পৰাই প্ৰকৃতিৰ প্ৰতি মৰম আৰু প্ৰবল দায়িত্ববোধ জগাই তোলাটো এক জৰুৰী প্ৰয়োজনীয়তা হৈ পৰিছে। প্ৰকৃতিৰ সৈতে মানুহৰ এই নিৰন্তৰ সংঘাত অৱসান ঘটাই এক শান্তিপূৰ্ণ আৰু নিৰিড় সহাৱস্থান গঢ়ি তোলাৰ বাহিৰে আমাৰ সম্মুখত আন কোনো বিকল্প বাট মুকলি নাই। পৃথিৰীখনক ৰক্ষা কৰাৰ এই সংগ্ৰামখনত প্ৰতিজন ব্যক্তিয়েই এজন প্ৰহৰী হিচাপে অৱতীৰ্ণ হ'ব লাগিব, কিয়নো প্ৰকৃতিৰ সুৰক্ষাৰ ওপৰতেই নিৰ্ভৰ কৰিছে সমগ্ৰ মানৱ জাতিৰ ভৱিষ্যত। প্ৰকৃতিৰ এই ঐশী ৰূপৰ পৰা শিক্ষা লৈ আমি পুনৰবাৰ প্ৰকৃতিৰ নিচেই কাষলৈ ঘুৰি যাব লাগিব, সৰ্বোচ্চ শ্ৰদ্ধাৰে আৰু নিস্বাৰ্থ ভালপোৱাৰে প্ৰকৃতিক আকোৱালি ল'ব লাগিব, তেতিয়াহে আমি সঁচাকৈয়ে এক সুন্দৰ আৰু নিৰাপদ জীৱন যাপন কৰিব পাৰিম।

প্ৰকৃতিৰ বুকুত চলি থকা এই নিৰন্তৰ ধ্বংসলীলা আৰু ইয়াৰ ভয়াবহ পৰিণামসমূহে আমাক এই কথা বাবে বাবে সোঁৱৰাই দিয়ে যে প্ৰকৃতিৰ ওপৰত চলোৱা যিকোনো অত্যাচাৰ অবশেষত আমাৰ নিজৰ ওপৰতেই ঘুৰি আহে, আৰু এই পৰম সত্যটোক অস্বীকাৰ কৰাৰ কোনো উপায় আমাৰ হাতত নাই। আমি অনুধাৱন কৰিব লাগিব যে প্ৰকৃতিৰ এক নিৰ্দিষ্ট সহ্য শক্তি আছে, আৰু যেতিয়া মানুহৰ কাৰ্যকলাপ সেই সহ্য সীমা অতিক্ৰম কৰি যায়, তেতিয়া প্ৰকৃতিয়ে অতি ভয়ংকৰ ৰূপত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আধুনিকতা আৰু উন্নয়নৰ নামত প্ৰকৃতিক ধ্বংস কৰি মানুহে যি এক সাময়িক সমৃদ্ধিৰ সপোন দেখিছে, সেয়া আচলতে এক মৰীচিকা মাত্ৰেই, কিয়নো পৰিবেশৰ অমূল্য অৱদানৰ বিনিময়ত অৰ্জা যিকোনো উন্নয়নেই অৱশেষত চৰম ধ্বংসেই কাৰণ হৈ পৰে। এতিয়া সময় আহি পৰিছে আমাৰ চিন্তা-ধাৰা আৰু জীৱন নিৰ্বাহৰ প্ৰণালীক এক আমূল পৰিবৰ্তনৰ মাজেৰে আগবঢ়াই নিয়াৰ, যাতে প্ৰকৃতিৰ সুৰক্ষা আৰু সংৰক্ষণেই হ'ব আমাৰ সকলো কৰ্মপন্থাৰ মূল ভিত্তি। প্ৰকৃতিক এক ব্যবহাৰিক সামগ্ৰী হিচাপে গণ্য কৰাৰ পৰিবৰ্তে আমি প্ৰকৃতিক আমাৰ জীৱনৰ এক সক্ৰিয় আৰু সমমৰ্যাদাসম্পন্ন অংশীদাৰ হিচাপে গ্ৰহণ কৰিব লাগিব। পৰিবেশৰ প্ৰতি থকা আমাৰ দায়িত্ববোধ কেৱল কিতাপৰ পাততে বা আলোচনা চক্ৰত আৰদ্ধ নাৰাখি তাক দৈনন্দিন জীৱনৰ প্ৰতিটো কাৰ্যত প্ৰতিফলিত কৰিব লাগিব। প্ৰাকৃতিক সম্পদৰ মিতব্যয়ী ব্যৱহাৰ আৰু এক সুস্থিৰ জীৱনশৈলী গ্ৰহণ কৰাৰ জৰিয়তেহে আমি প্ৰকৃতিৰ এই ভয়ংকৰ অবক্ষয় ৰোধ কৰিব পাৰিম। আমি আমাৰ ভবিষ্যৎ প্ৰজন্মৰ বাবে এখন সুন্দৰ আৰু বাসোপযোগী পৃথিৰী এৰি যে যোৱাৰ দৈনিক দায়িত্ব পালন কৰিবই লাগিব, নহ'লে ইতিহাসৰ বুকুত আমি আটাইতকৈ স্বাৰ্থপৰ আৰু অবিবেচক প্ৰজন্ম হিচাপে চিহ্নিত হৈ ৰ'ম। প্ৰকৃতি ধ্বংসৰ এই কৰুণ পৰিণামসমূহৰ পৰা গভীৰ শিক্ষা গ্ৰহণ কৰি আমি অতি সোনকালেই এক প্ৰকৃতি-অনুকূল জীৱন ব্যৱস্থা গঢ়ি তুলিবলৈ সংকল্পবদ্ধ হ'ব লাগিব। প্ৰকৃতিৰ প্ৰতি কৰা প্ৰতিটো সৰু প্ৰচেষ্টাই সামগ্ৰিকভাবে এক বৃহৎ আৰু সুন্দৰ পৰিবৰ্তন কঢ়িয়াই আনিব পাৰে। শেষত আমি এই কথা সদায় মনত ৰখা উচিত যে প্ৰকৃতি অবিহনে আমাৰ জীৱনৰ কোনো অৰ্থ নাই, কোনো অস্তিত্ব নাই। সেয়েহে প্ৰকৃতি মাতৃৰ প্ৰতি শ্ৰদ্ধা আৰু মৰম জগাই তুলি প্ৰকৃতিৰ বুকুতেই মানৱ জীৱনৰ সাঁচা বিকাশ আৰু পৰিপূৰ্ণতা বিচাৰি উলিওৱাটোহে বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা।

বিশ্ব পৰিৱেশ দিৱসৰ প্ৰাসংগিকতা আৰু আমাৰ সংকল্প

সত্যকে অনুধাৱন কৰি প্ৰতিবছৰে ৫ জুন তাৰিখে বিশ্বব্যাপী পৰিবেশ সচেতনতা অটুত কথাৰ স্বাৰ্থপৰ পালন কৰা হয় 'বিশ্ব পৰিবেশ দিৱস'। ১৯৭২ চনৰ ৫ জুনৰ পৰা ১৬ জুনলৈকে ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত ছুইডেনৰ ষ্টকহ'মত অনুষ্ঠিত 'মানৱ পৰিবেশ সম্মিলন'ত ভবিষ্যৎ প্ৰজন্মৰ বাবে এখন প্ৰদূষণমুক্ত, সুৰক্ষিত, সুন্দৰ পৃথিৰী উপহাৰ দিয়াৰ লগতে পৰিবেশৰ ক্ষতি বোধ কৰিবৰ কাৰণে এটি পদক্ষেপ গ্ৰহণ কৰি পোন প্ৰথমবাৰৰ বাবে 'বিশ্ব পৰিবেশ দিৱস' পালন সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই সিদ্ধান্ত অনুসৰি ১৯৭৩ চনৰ পৰা প্ৰতিবছৰে ৫ জুন দিনটো সমগ্ৰ বিশ্বব্যাপী 'বিশ্ব পৰিবেশ দিৱস' হিচাপে উদযাপন কৰি আহিছে। সেই বছৰ প্ৰথমবাৰৰ বাবে বিশ্ব পৰিবেশ দিৱস অনুষ্ঠিত হৈছিল ইউনাইটেড ষ্টেটছ অৱ আমেৰিকাত। ইয়াৰ মূল উদ্দেশ্য হ'ল পৰিবেশৰ প্ৰতি মানুহৰ দায়িত্বশীল আচৰণ, প্ৰদূষণৰ বিৰুদ্ধে সজাগতা আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা।

প্ৰতি বছৰেই সমগ্ৰ বিশ্বত এটাকৈ নিৰ্দিষ্ট বিষয়বস্তু (Theme) লৈ 'বিশ্ব পৰিবেশ দিৱস' পালন কৰা হয়। ১৯৭৩ চনত প্ৰথমবাৰৰ বাবে 'কেৱল এখন পৃথিৰী' শীৰ্ষক বিষয়বস্তুৰে এই দিবস অনুষ্ঠিত হৈছিল। ইয়াৰ পিছৰ পৰা প্ৰতি বছৰে বেলেগ বেলেগ বিষয়বস্তু লৈ ভিন্ন দেশত এই দিনটো উদযাপন কৰা হৈ আহিছে। উদাহৰণস্বৰূপে, ২০২৩ চনৰ বিশ্ব পৰিবেশ দিৱসৰ বিষয়বস্তু আছিল 'প্লাষ্টিক প্ৰদূষণৰ বিৰুদ্ধে যুঁজ' য'ত প্লাষ্টিকৰ অপব্যৱহাৰ আৰু ইয়াৰ বিকল্পৰ সন্ধানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। তেদেৰে ২০২৪ চনৰ বিষয়বস্তু আছিল 'ভূমি পুনৰুদ্ধাৰ, মৰুভূমিকৰণ আৰু খৰাং প্ৰতিৰোধ কাৰ্য'। আনহাতে বিগত ২০২৫ চনৰ বিশ্ব পৰিবেশ দিৱসৰ মূল বিষয়বস্তু আছিল— 'প্লাষ্টিক প্ৰদূষণৰ অবসান ঘটোৱা'। সেই বৰ্ষত দক্ষিণ কোৰিয়াই বিশ্ব পৰিবেশ দিৱসৰ মূল গোলকীয় কাৰ্যসূচীৰ আয়োজন কৰিছিল।

বৰ্তমান সময়ত গোলকীয় উষ্ণতা বৃদ্ধি আৰু তীব্ৰ জলবায়ু পৰিবৰ্তনলৈ লক্ষ্য ৰাখি চলিত ২০২৬ চনৰ বিশ্ব পৰিবেশ দিৱসটো সমগ্ৰ বিশ্বৰ বাবে এক গুৰুত্বপূৰ্ণ সজাগতাৰ আহ্বান হিচাপে পৰিগণিত হৈছে। চলিত বৰ্ষত গ্ৰহণ কৰা এই দিবসৰ মূল বিষয়বস্তু হৈছে- 'প্ৰকৃতিৰ পৰা প্ৰেৰণা, জলবায়ুৰ বাবে, আমাৰ ভবিষ্যতৰ বাবে।' (Inspired by Nature. For Climate. For Our Future) এইবাৰৰ বিশ্ব পৰিবেশ দিৱসৰ মূল আয়োজক দেশ হৈছে আজাৰবাইজান আৰু কেন্দ্ৰীয় কাৰ্যসূচীসমূহ বাকু চহৰত অনুষ্ঠিত হ'ব। এই দিবসৰ মূল লক্ষ্য কেৱল সাময়িক সজাগতা বৃদ্ধিয়েই নহয়, বৰঞ্চ নীতি-নিৰ্ধাৰণ, উদ্যোগিক দায়বদ্ধতা আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে এক গাঁথনিগত কাজিৰঙা আৰু মানসৰ দৰে বাষ্ট্ৰীয় উদ্যান, ডিব্ৰু-চৈখোৱাৰ দৰে অভয়াৰণ্য আৰু অসংখ্য জৈৱ-বৈচিত্ৰ্যৰ ক্ষেত্ৰ আছে। কিন্তু শেহতীয়া বছৰবোৰত অসমতো বনাঞ্চল ধ্বংস, নদীৰ প্ৰদূষণ, পাহাৰ কৰ্তন, অবৈধ খনন আৰু প্লাষ্টিক প্ৰদূষণৰ দৰে সমস্যাই তীব্ৰ ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহৰ খহনীয়া, নগৰীয়া অঞ্চলত বাষু আৰু শব্দ প্ৰদূষণৰ বৃদ্ধি, লগতে জলবায়ু পৰিবৰ্তনৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ সমস্যাই অসমৰ পৰিবেশৰ চিৰাচৰিত ভাবসাম্য বিপন্ন কৰি তুলিছে। বিশেষকৈ চহৰ-নগৰৰ পথা আৰম্ভ কৰি গাঁও-ভূঁইত অহৰহ গড়ি উঠা প্লাষ্টিকৰ আৱৰ্জনাই আমাৰ উৰ্বৰ ভূমি আৰু জলাশয় সমূহলৈ সৰ্বনাশা মাতি আনিছে। এই পৰিস্থিতিত অসমৰ জনসাধাৰণৰ মাজত পৰিবেশ সুৰক্ষাৰ প্ৰতি সক্ৰিয় সচেতনতাৰ প্ৰয়োজন অতি জৰুৰী হৈ পৰিছে। ইয়াৰ এক দ্ৰুতস্ত উদাহৰণ হৈছে, গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানী। একাংশ নাগৰিকে দায়িত্বজ্ঞানহীনভাবে পথৰ ওপৰত বা নালা-নৰ্দমাত পেলাই দিয়া প্লাষ্টিকৰ খালী বটল আৰু জাৰব-জোঁৰবে মহানগৰীৰ পানী নিষ্কাষণ ব্যৱস্থা সম্পূৰ্ণকপে বন্ধ কৰি এক ভয়ংকৰ পৰিবেশীয় সংকটৰ সৃষ্টি কৰিছে যাৰ ফলত সমগ্ৰ গুৱাহাটী বাসীয়ে জীয়াতু ভুগিব লগাত পৰিছে।

পৰিবেশৰ সুৰক্ষা আমাৰ সকলোৰে নৈতিক দায়িত্ব। যদি আমি সকলোৱে একেলগে সচেতন হৈ সৰু সৰু পদক্ষেপ গ্ৰহণ কৰোঁ, তেন্তে ই এক বৃহৎ পৰিবৰ্তনৰ আৰম্ভণি হ'ব পাৰে। আমাৰ দৈনন্দিন জীৱনত তলত উল্লেখ কৰা কামবোৰক জৰিয়তে আমি পৰিবেশৰ প্ৰতি দায়িত্বশীলতা প্ৰকাশ কৰিব পাৰোঁ-

১) গছপুলি বোপণ আৰু সংৰক্ষণ- গছ-গছনি পৃথিৰীৰ জীৱনৰ ভিত্তি। ইহঁতে কাৰ্বন ডাইঅ'ইড শোষণ কৰি অক্সিজেনৰ যোগান ধৰাৰ লগতে উষ্ণতা নিয়ন্ত্ৰণ, ভূমি ক্ষয় ৰোধ আৰু বৃষ্টিপাতৰ পৰিমাণ সঠিক ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰতিজন নাগৰিকে বছৰত অন্ততঃ এজোপা গছ বোপণ কৰি তাৰ যত্ন লোৱাটো এটা সৰল অথচ অতি প্ৰয়োজনীয় পদক্ষেপ হ'ব পাৰে।

২) পানীৰ সংৰক্ষণ-পানী হৈছে জীৱনৰ উৎস। ইয়াৰ অপচয় ৰোধ কৰাটো আমাৰ কৰ্তব্য। ঘৰৰ পানী যোগান ব্যৱস্থাৰ নলিৰ পৰা পানী টোপাল টোপালকৈ পৰিলে তৎক্ষণাত ঠিক কৰাটো এজন সচেতন নাগৰিকৰ লক্ষ্য। ইয়াৰ উপৰি বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি পানীৰ নাটনিৰ সমস্যা দূৰ কৰিব পাৰি।

৩) প্লাষ্টিক বৰ্জন-প্ল

পৰিৱেশ, প্ৰদূষণ আৰু উন্নয়ন

কমলেখ কাঞ্চন

আমাৰ চাৰিওফালে থকা গছ- গছনি, হাবি- জংঘল, বাঙ্গা - ঘাট, নদ-নদী, পাহাৰ-পৰ্বত আদিয়ে যিটো এটা অৱস্থাৰ সৃষ্টি কৰে তাকে পৰিৱেশ বোলে। প্ৰাথমিক বিদ্যালয়ত পঢ়া এই সুত্ৰটোলে পৰিৱেশ বুলিলে আজিও আমাৰ মনলৈ আহে। কিন্তু সাম্প্ৰতিক সময়ত প্ৰাকৃতিক পৰিৱেশ প্ৰদূষণৰ লগতে বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ, তাপ প্ৰদূষণ, জল প্ৰদূষণ, মাটি প্ৰদূষণ আদিৰ কাৰণে পৃথিৱী নামৰ সৌৱজগতৰ তৃতীয় স্থানৰ গ্ৰহটোত প্ৰাণী জীয়াই থকাটো কঠিন হৈ পৰিছে। সম্প্ৰতি এই ধৰা প্ৰদূষণ সৃষ্টি কৰা উপাদানে ভৰি পৰিছে। যিফালে চাওঁ সেই ফালেই এতিয়া প্ৰদূষণ আৰু প্ৰদূষণ। প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে বিভিন্ন সংস্থা গঠন হৈছে যদিও কমতি কিন্তু বিশেষ সফলতা লাভ কৰা দেখা নাই। বিশ্বৰ একাংশ দেশৰ মাজত সময়ে সময়ে ছাৰ্ক, জি-২০, জি-৭, আছিয়ান, ব্ৰিকছ আদি নামেৰে সন্মিলন হৈ আহিছে। এই সন্মিলন সমূহত পৰিৱেশ সুৰক্ষাৰ বিষয়টো প্ৰায়ে আলোচনা কৰা দেখা যায় যদিও কাৰ্যত কিন্তু একো অগ্ৰগতি লাভ কৰা দেখা নাই। উন্নত দেশ সমূহে বিভিন্ন নীতি-নিয়ম প্ৰস্তুত কৰিলেওঁ অনুন্নত আৰু উন্নয়নশীল দেশসমূহৰ বাবে সেইবোৰ আখৰে আখৰে পালন কৰাটো সম্ভৱ নহয়। তদুপৰি বিভিন্ন সময়ত উন্নত দেশবোৰকে এই নীতি - নিয়মৰ পৰা আঁতৰি অহা দেখা গৈছে। কাৰণ সাম্প্ৰতিক কালত ঔদ্যোগীকৰণ অবিহনে কোনো এখন দেশে উন্নয়নৰ দিশত আগুৱাই যাব নোৱাৰে। বিশ্বৰ উন্নত দেশসমূহৰ উন্নয়নৰ কাৰণ ব্যাখ্যা কৰিলে এই কথা স্পষ্ট হয়। গতিকে অনুন্নত আৰু উন্নয়নশীল দেশ এখনে ঔদ্যোগীকৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয় এটাৰ পৰা আঁতৰি থকাটো নিশ্চয় সম্ভৱ নহয়।

প্ৰত্যেক বছৰে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। পৃথিৱী নামৰ গ্ৰহটোক প্ৰদূষণৰ পৰা ৰক্ষা কৰাৰ স্বাৰ্থত জীৱশ্ৰেষ্ঠৰ মাজত সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। বৰ্তমান সময়ত জীৱকুল জীয়াই থাকিব পৰা সৌৱজগতত এই গ্ৰহটো বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। মানৱ জাতিয়ে যিমানেই সভ্যতাৰ দিশত গতি কৰিছে সিমানেই প্ৰদূষণ বৃদ্ধি পাই হৈছে। ঔদ্যোগীকৰণৰ ফলত পৃথিৱীত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পাইছে। আনহাতে মানুহে উন্নত আৰু বিলাসী জীৱন যাপন কৰিবলৈ হ'লে ঔদ্যোগীকৰণ গত্যন্তৰ নাই। আমি দৈনন্দিন ব্যৱহৃত সামগ্ৰীবোৰ ঔদ্যোগীকৰণৰে ফল। মানৱজাতিৰ সকলো প্ৰয়োজনীয় সামগ্ৰী এতিয়া উদ্যোগত তৈয়াৰ কৰা হয়। এই সামগ্ৰীবোৰ তৈয়াৰ কৰিবলৈ

যাওঁতে প্ৰকৃতিৰ পৰা অত্যাধিক কেঁচামাল সংগ্ৰহ কৰাৰ প্ৰয়োজন হয়। কেঁচামাল সংগ্ৰহ কৰোঁতে প্ৰাকৃতিক সম্পদ ধ্বংস কৰিবলৈ বাধ্য হয়। গছ- গছনি কাটি তহিলং কৰাৰ ফলত প্ৰাকৃতিক পৰিৱেশ আৰু ৰঙা সম্পদৰ ওপৰত প্ৰভাব পৰে। একেদৰে কেঁচামাল সমৃদ্ধ উদ্যোগত দিয়াৰ সময়ত ক'লা ধোঁৱা নিৰ্গত হয়। এই ধোঁৱাইবায়ু প্ৰদূষণ কৰে। বায়ু প্ৰদূষণৰ ফলত মানৱ দেহত বিভিন্ন ৰোগ দেখা দিয়ে। উদ্যোগৰ পৰা নিৰ্গত হোৱা পানী খাল- বিলত এৰি দিয়াৰ ফলত পানী প্ৰদূষণ হয়। পানী প্ৰদূষণে জলজ সম্পদৰ ক্ষতি কৰে। আনহাতে কল-কাৰখানাৰ অবশিষ্ট অংশ দীঘলিনব বাবে কোনো এঠুকুৱা ঠাইত পেলাই দিয়াৰ ফলত সেই মাটি প্ৰদূষণ হয়। মাটি প্ৰদূষণ হ'লে কৃষি কাৰ্যত প্ৰভাৱ পৰে। মাটিৰ উৰ্বৰা শক্তি হ্ৰাস হোৱাত কৃষিত আশা কৰা ধৰণে ফল নাপায়। এইদৰে ঔদ্যোগীকৰণৰ বাবে প্ৰকৃতিৰ বিভিন্ন উপাদানত প্ৰভাৱ পৰে যদিও বায়ু প্ৰদূষণে মানৱ জাতিৰ বাবে গভীৰ প্ৰত্যাহ্বান সৃষ্টি কৰিছে।

বৰ্তমান অসম্ভৱকাৰে যাতায়াত আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভাবে মনোনিবেশ কৰিছে। যাতায়ত ব্যৱস্থা উন্নত নহ'লে দেশ এখনৰ সাধাৰণ লোকে বহুতো সমস্যাৰ সন্মুখীন হয়। কৃষকৰ উৎপাদিত সামগ্ৰীয়ে উপযুক্ত বজাৰ নাপায়। অধিকাংশ কৃষকে উৎপাদিত সামগ্ৰী কম মূল্যতে বিক্ৰী কৰিব লগা হয়। সেয়েহে সাম্প্ৰতিক কালত বিশ্বৰ প্ৰত্যেকখন ৰাষ্ট্ৰই যাতায়ত আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ কাৰণে আহ্বান কৰি দিয়া দেখা গৈছে। অসমটো বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে যাতায়ত ব্যৱস্থা উন্নয়ন কৰাৰ বাবে ২০১৬ চনৰ প্ৰথমটো কাৰ্যকালৰ পৰাই মনোনিবেশ কৰি আহিছে। গাঁৱে- ভূঞে ৰাস্তা - ঘাট উন্নত কৰাৰ লগতে সম্প্ৰতি অসমত ৰাষ্ট্ৰীয় ঘাইপথ সমূহ ফৰলেন কৰিবলৈ আৰম্ভ কৰিছে। আৰু এই ফৰলেন ৰাস্তা নিৰ্মাণৰ সময়ছোৱাত বায়ু প্ৰদূষণৰ মাত্ৰা অত্যধিক বৃদ্ধি পাই'ছে। অবশ্যেষত অসমত এতিয়া ফাওঁণৰ পৰিবেশে বিৰাজ কৰে। ধূলিৰ বাবে বহুতো দুৰ্ঘটনা পৰ্যন্ত সংঘটিত হৈছে। ধূলিৰ পৰা ৰক্ষা পাবলৈ সময়ে সময়ে নিৰ্মীয়মান পথত পানী দিয়াৰ ব্যৱস্থা কৰিছে যদিও পানীৰ পৰিমাণ একেবাৰে কম হোৱাৰ ফলত ধূলিৰ পৰা জনসাধাৰণে ৰক্ষা পাবলৈ সক্ষম হোৱা নাই। বাৰিষাৰ সময়তো নাকত ৰুমাল লৈ পথত চলাচল কৰিবলগীয়া হৈছে যাত্ৰীয়ে। ৫ জুন অৰ্থাৎ বিশ্ব পৰিৱেশ দিৱসৰ দিনাখন অকল পৰিৱেশৰ ৰক্ষণৰ বিষয়ত দীঘলীয়া ভাষণ দিলেই পৰিৱেশ সুৰক্ষিত নহয়; ইয়াৰ বাবে ফলপ্ৰসূ ব্যৱস্থা হাতত ল'ব লাগিব। তদুপৰি চহৰ- নগৰত উৰণ সেতু আৰু বিল্ডিং সমূহ নিৰ্মাণৰ সময়ত প্ৰদূষণ ৰোধৰ বাবে কি ব্যৱস্থা হাতত লয় সেই বিষয় সমূহতো পৰ্যবেক্ষণ কৰিব লাগে। বিলাসী জীৱন যাপন কৰাৰ বাবে যদি সকলো সময়তে নিৰ্মাণ কাৰ্য অব্যাহত থাকে তেতিয়া হ'লে পৰিৱেশ কেতিয়াও সুৰক্ষিত নহ'ব আৰু জাকজমকতাবে বছৰে বছৰে ৫ জুন তাৰিখে পৰিৱেশ দিৱস পালন কৰাবো কোনো অৰ্থ নাথাকিব।

বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে আজি মানৱ জাতি বহু আগুৱাই যাবলৈ সক্ষম হৈছে। মানুহে নিজকে সময়ৰ সৈতে মিলাই যাবলৈ অবাধে প্ৰাকৃতিক সম্পদ সমূহ ব্যৱহাৰ কৰি গৈছে। অত্যাধিক মেচিনৰ ব্যৱহাৰে জীৱন ধাৰণৰ মান উন্নত কৰিছে যদিও বহুৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে প্ৰকৃতি। অতি কম সময়ৰ ব্যৱধানত কামবোৰ সম্পূৰ্ণ হৈছে বা কম সময়ৰ ব্যৱধানত নিজৰ গন্তব্যস্থানলৈ যাবলৈ সক্ষম হৈছে বৰ্তমান সময়ৰ জীৱশ্ৰেষ্ঠ মানৱ। প্ৰত্যেক দিনে হাজাৰ হাজাৰ গাড়ী- মটৰ চাইকেল পথত দৌৰি আছে। একাংশ চালকে পৃথিৱী ব্যৱহাৰৰ অনুপযোগী বাহন ব্যৱহাৰ কৰাৰ ফলটো প্ৰদূষণ বৃদ্ধি পাইছে। পৃথিৱীখন চিৰদিনলৈ বাবে জীৱৰ বাসোপযোগী কৰি ৰখাৰ স্বাৰ্থত বিশ্বৰ শক্তিশালী দেশ সমূহে নিস্বাৰ্থভাবে কিছুমান কঠোৰ সিদ্ধান্ত ল'ব লাগিব বাতায়ত প্ৰদূষণৰ মাত্ৰা কমাব পাৰি। বৰ্তমান যি হাৰত প্ৰদূষণ বৃদ্ধিয়ে গ'ৰেল ৰাশিৰে দৰে সমস্যাৰ সৃষ্টি কৰিছে ইয়াক অতি সোনকালে ৰোধ কৰিব নোৱাৰিলে মানৱ জাতিৰ বাবে সংকট নামি আহিব। সেয়েহে সকলো পৰিৱেশ কৰ্মীকে পৰিৱেশ সুৰক্ষাৰ বাবে ব্যাপকভাবে সজাগতা মূলক কাৰ্যসূচী হাতত ল'বলৈ আহ্বান জনালোঁ।

বিশ্ব পৰিৱেশ দিৱসৰ তাৎপর্য আৰু আমাৰ দায়বদ্ধতা

ৰঞ্জিত শইকীয়া

সংক্ষেপতে আমাৰ চৌপাশৰ সমস্ত জৈবিক আৰু অজৈবিক উপাদানসমূহৰ সমষ্টিয়েই পৰিৱেশ। এই পৰিবেশেই পৃথিৱীৰ জীৱকুলৰ জীৱনৰ আধাৰ। কিন্তু বিগত কেইবাদশক ধৰি বিভিন্ন উদ্দেশ্যত বনাঞ্চল ধ্বংস, অপৰিকল্পিত কৃষি, উদ্যোগীকৰণ, নগৰীকৰণ, যান-বাহনৰ সংখ্যা বৃদ্ধি আদিয়ে পৃথিৱীৰ উষ্ণতা আৰু জলবায়ুৰ অস্বাভাৱিকভাৱে দ্ৰুতগতিত পৰিবৰ্তন কৰিছে। ফলশ্ৰুতিত বিশ্বৰ জীৱকুলৰ বসবাসৰ বাবে ক্ৰমশঃ অনুপযোগী হৈ পৰা এই প্ৰাকৃতিক পৰিবেশৰ প্ৰদূষণ পৃথিৱীৰ বাবে আটি চিন্তনীয় আৰু ভয়াবহ সমস্যা হৈ পৰিছে। এনে এক প্ৰেক্ষাপটতে ১৯৭২চনৰ ৫জুনৰপৰা ১৬জুনলৈ চুইডেনৰ ষ্টকহমত অনুষ্ঠিত পৃথিৱীৰ পৰিবেশ সম্বন্ধীয় প্ৰথমখন আন্তজাতিক সম্মিলন 'ৰাষ্ট্ৰসংঘৰ মানৱিক পৰিবেশ সম্মিলন'ত পৃথিৱীৰ পৰিবেশৰ সংৰক্ষণ আৰু ইয়াৰ প্ৰতি বিশ্বজনতাৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৫ জুনতাৰিখটো বিশ্ব পৰিবেশ দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লোৱা হয়। সেই অনুক্ৰমে ১৯৭৩ চনৰ ৫ জুনৰপৰা প্ৰতিবছৰে পৰিবেশৰ এটি গুৰুত্বপূৰ্ণ দিশক মুখ্য বিষয়বস্তু (Theme) হিচাপে লৈ সমগ্ৰ বিশ্বজুৰি 'বিশ্ব পৰিবেশ দিৱস' পালন কৰি অহা হৈছে। ১৯৭৩ চনৰ প্ৰথম পৰিবেশ দিৱসৰ বিষয়বস্তু আছিল 'এখনেই মাত্ৰ পৃথিৱী ' (Only one Earth)। উল্লেখযোগ্য যে, সম্প্ৰতি গোলকীয় উষ্ণতা বৃদ্ধি, সমুদ্ৰপৃষ্ঠ বৃদ্ধি, বৰফ গলন, জৈৱ-বৈচিত্ৰ্য হ্ৰাস, বনাঞ্চল ধ্বংস আদি সমস্যাবোৰ এনে এটি জটিল পৰ্যায়ত উপনীত হৈছে যে পৰিবেশ সংৰক্ষণ তথা পৰিবেশ দিৱসৰ তাৎপর্যই সাম্প্ৰতিক বিশ্বৰ সবাতোকৈ স্পৰ্শকাতৰ বিষয় হৈ পৰিছে। পৰিবেশ সংৰক্ষণৰ বাবে কেৱল চৰকাৰ বা কোনো সংস্থাই দায়বদ্ধ নহয়। বিশ্বৰ এই পৰিবেশ সংৰক্ষণৰ বাবে আমি প্ৰতিগৰাকী নাগৰিকেই কেতবোৰ দৈনিক পদক্ষেপ গ্ৰহণ কৰিলেহে পৃথিৱীৰ স্বাস্থ্য সুৰক্ষিত কৰাটো সম্ভৱপৰ হৈ উঠিব। অন্যথা ভবিষ্যত প্ৰজন্মৰ বাবে আমাৰ এই বিনন্দীয়া পৃথিৱীখন আৰু বসবাসৰ বাবে উপযোগী হৈ নোথাকিবৰ্গৈ। এই প্ৰসংগতে বহনক্ষম উন্নয়নৰ ধাৰণাটো সম্পৰ্কে এটি বহুল চৰ্চিত বিষয় হৈ পৰিছে। অৰ্থাৎ আমাৰ অৰ্থনৈতিক বিকাশ তথা উন্নয়ন মূলক কাৰ্যসূচীসমূহ এনেদৰে পৰিকল্পনা আৰু ৰূপায়ণ কৰিব লাগিব যাতে ইবিলাকৰ জৰিয়তে ভবিষ্যতৰ প্ৰজন্মৰ জীৱন আৰু উন্নয়নত প্ৰত্যাহ্বানৰ সৃষ্টি নহয়। আমি বিশ্বৰ প্ৰতিগৰাকী নাগৰিকেই ইয়াৰ বাবে আন্তৰিকতাবে দায়বদ্ধ হ'ব লাগিব। আমি আমাৰ দৈনন্দিন জীৱনত নিম্নোক্ত ধৰণে কেতবোৰ সাৱধানতা আৰু সৰু সৰু পদক্ষেপ গ্ৰহণ কৰিবলৈ আমাৰ পৰিবেশটো সংৰক্ষণ বাবে প্ৰয়াস কৰিব পাৰোঁ-

ক) আমি আমাৰ জন্মদিন অথবা বিশেষ দিনাবোৰত একোটাকৈ হ'লেও গছ পুলি ৰোপণ কৰিব পাৰোঁ, সামূহিকভাবে গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰিব পাৰোঁ। কিন্তু ইয়াৰ সমাষ্ঠবালভাবে এই গছপুলিসমূহৰ প্ৰতি পালনৰ দায়িত্বও আমি আন্তৰিকতাবে গ্ৰহণ কৰিব লাগিব।

খ) গছ-গছনিয়েই পৃথিৱীৰ হাওঁফাওঁস্বৰূপ। প্ৰকৃতিৰ এই গছ-গছনিবোৰ সুৰক্ষিত কৰি ৰখাটিও আমাৰ সকলোৰে প্ৰাথমিক দায়িত্ব। অপৰিকল্পিত কৃষিকাৰ্য, উদ্যোগীকৰণ আৰু নগৰীকৰণৰ প্ৰৰণতা নিৰ্মূলকৰণত বিশেষভাবে চৰকাৰে যথোপযুক্ত উদ্যোগ গ্ৰহণ কৰিব লাগিব।

গ) বিশ্বজুৰি ক্ৰমশঃ বৃদ্ধি পোৱা জৈৱ ইন্ধন চালিত যান-বাহনৰপৰা নিৰ্গত কাৰ্বন ডাই'আইড, ধোঁৱা আদিয়ে বায়ুমণ্ডলক দ্ৰুতগতিত উষ্ণ আৰু প্ৰদূষিত কৰিছে। সেয়ে বিদ্যুৎ চালিত অথবা বিকল্প বাহনৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা উচিত।

ঘ) অপ্ৰয়োজনত বৈদ্যুতিক বাল্ব, ফেন, ৱেঞ্জিজাৰেটৰ আদি বৈদ্যুতিক সঁজুলিবোৰৰ চুইচ বন্ধ ৰাখি, ৰবষুৰৰ পানী সংৰক্ষণ কৰি আমি পৰিবেশ সংৰক্ষণত সহায় কৰিব পাৰোঁ।

ঙ) এককভাবে ব্যৱহৃত প্লাষ্টিক সামগ্ৰী সম্পূৰ্ণকপে বৰ্জন কৰা উচিত। পলিথিন বেগৰ পৰিবৰ্তে কাপোৰৰ অথবা মৰাপাটৰ মোনা ব্যৱহাৰৰ অভ্যাস কৰিব লাগে।

চ) জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি সংবেদনশীল আৰু দায়বদ্ধশীল হৈ সিবিলাকৰ সুৰক্ষাৰ বাবে আমি ব্যক্তিগতভাবে আৰু সামূহিকভাবে প্ৰচেষ্টা গ্ৰহণ কৰিব পাৰোঁ।

ছ) বৰ্জনীয় সামগ্ৰীবোৰ পচনশীল আৰু অপচনশীল হোৱা হিচাপে পৃথক পৃথক ডাষ্টবিনত পেলোৱাৰ ব্যৱস্থা কৰিব পাৰোঁ। এই ক্ষেত্ৰত আমি 'হ্ৰাস, পুনঃব্যৱহাৰ আৰু পুনৰাবৰ্তন' (Reduce, Reuse, Recycle) নীতি গ্ৰহণ কৰা উচিত।

এনেদৰে আমি দৈনন্দিন জীৱনত কিছুমান সৰু সৰু পদক্ষেপ আৰু সাৱধানতা গ্ৰহণ কৰিয়েই আমাৰ চৌপাশৰ পৰিবেশটো সুস্থ আৰু অনুকূল কৰি ৰখাত আন্তৰিক প্ৰচেষ্টা গ্ৰহণ কৰিব পাৰোঁ। ২০২৬বৰ্ষৰ বিশ্ব পৰিবেশ দিৱসৰ আয়োজক দেশ হিচে আজাৰবাইজান আৰু এই বৰ্ষৰ বাণী হৈছে 'প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ, জলবায়ুৰ বাবে, আমাৰ ভবিষ্যতৰ বাবে..(Inspired by Nature, for Climate, for our Future)' আহক আমি প্ৰকৃতিৰ এগৰাকী সন্তান হিচাপে বিশ্বৰ প্ৰতিগৰাকী নাগৰিকেই প্ৰকৃতিৰ অসামান্য অবদানৰবান্ধবাই অনুপ্ৰাণিত হৈ আমি ভবিষ্যতৰ বাবে, আহি থকা প্ৰজন্মসমূহৰ সুৰক্ষাৰ বাবে সুস্থ জলবায়ুৰ সংৰক্ষণৰ প্ৰতি সততে হৈ এখনি সেউজী আৰু সুস্থ পৃথিৱীৰ স্বাস্থ্য নিৰ্মাণৰ বাবে প্ৰকৃতিৰ প্ৰতি আমাৰ জন্মগত দায়বদ্ধতা দৈনিক পালন কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ।

কুৰালওৰি, দেৰগাঁও
ভ্ৰাম্যভাষঃ ৮৮৭৬৯৮৩৯৭২

গছ থাকিলেহে মানুহ থাকিব, এয়া কেৱল এক শ্লো'গাননে?

এক কথাত ক'বলৈ গ'লে, প্ৰকৃতিৰ অন্যন্য সৃষ্টি গছ হৈছে আমাৰ পৃথিৱীৰ জীৱকুলৰ হাওঁফাওঁ স্বৰূপ। কেবল বিশ্ব পৰিবেশ দিৱসত "গছ থাকিলেহে মানুহ থাকিব" বুলি চিঞৰি বা শ্লো'গান দি থাকিলেই নহ'ব; বৰঞ্চ ই মানৱ জাতিৰ অস্তিত্ব ৰক্ষাৰ এক চৰম আৰু অপৰিহাৰ্য সত্য। গছ অবিহনে সমগ্ৰ পৃথিৱী মৰুভূমিত পৰিণত হ'ব, য'ত মানুহৰ জীৱন ধাৰণ একেবাৰে অসম্ভৱ। গছে হৈছে অক্সিজেনৰ ভঁৰাল, যিয়ে আমাক প্ৰতিক্ষণে জীৱনদায়ী অক্সিজেন গোছ যোগান ধৰি উশাহৰ নিশ্চয়তা প্ৰদান কৰে। আমি ত্যাগ কৰা ক্ষতিকাৰক কাৰ্বন-ডাই-আ'ইড গছ-গুহিলে গছে আমাক মুক্ত বতাহ দিয়ে। গছ-বিৰিখ নোহোৱা হ'লে বায়ুমণ্ডল বিষাক্ত গোছেৰে ভৰি পৰিব- এই কথা চিৰন্তন সত্য। আনহাতে, গছ হৈছে খাদ্য আৰু আশ্ৰয়ৰো মূল উৎস। মানৱ জাতিৰ প্ৰায় সকলো প্ৰয়োজনীয় খাদ্য সামগ্ৰী গছ-গছনিৰ পৰাই আহে। তদুপৰি, আমাৰ বাসস্থান, আচবাব আৰু বস্ত্ৰশিল্পৰ বাবে প্ৰয়োজনীয় কেঁচা সামগ্ৰী গছেই যোগান ধৰে। পৃথিৱীৰ লক্ষ লক্ষ জীৱ-জন্তুবো হৈ একমাত্ৰ আশ্ৰয়স্থল। জলবায়ু নিয়ন্ত্ৰণ আৰু গোলকীয় উষ্ণতা ৰোধ কৰাৰ ক্ষেত্ৰত গছৰ ভূমিকা অপৰিসীম। গছে বৰষুণ নিয়ন্ত্ৰণ কৰে আৰু ভূগৰ্ভস্থ পানীৰ স্তৰ ৰক্ষা কৰাত সহায় কৰে। ইয়াৰ বিপৰীতে, ধাৰাবাহিকভাবে গছ কাটি ধ্বংস কৰিলে খৰাং, বানপানী আৰু মৰুভূমিকৰণ হোৱাটো নিশ্চিত। একেদৰে, গছৰ শিপাই মাটি খামোচ মাৰি ধৰি ৰাখি প্ৰবল বৰষুণতো মাটিৰ ক্ষইনীয়া আৰু ভূমিস্খলন ৰোধ কৰে। সমান্তৰালভাৱে, মাটিৰ সাৰুৱা গুণ ৰক্ষা কৰি গছে কৃষিকাৰ্য সম্ভৱ কৰি তোলে। গতিকে, "গছ থাকিলেহে মানুহ থাকিব" - ইয়াক কেৱল এটা শ্লো'গান হিচাপে আৱদ্ধ নাৰাখি, নিজৰ লগতে সমগ্ৰ মানৱ সমাজৰ অস্তিত্ব ৰক্ষাৰ বাবে গছ ৰোপণ আৰু সংৰক্ষণ কৰাটো অত্যন্ত জৰুৰী। আগন্তুক দিনত এখন সুস্থকিত পৃথিৱী গঢ়াৰ স্বাৰ্থত নব প্ৰজন্মৰ প্ৰতিগৰাকী যুবক যুবতী তথা সচেতন নাগৰিকে এই ক্ষেত্ৰত কেনে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে, সেয়াহে হ'ব আটাইতকৈ লক্ষণীয় কথা।

খগেশ্বৰ দাস

সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিৱেশ সজাগতাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা

নিবেদিতা হাজৰিকা

পৰিবেশ হ'ল মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ। প্ৰকৃতিৰ আৰু জীৱ কুলৰ মাজত এক এৰাব নোৱাৰা সম্পৰ্ক আছে। এক সুস্থ - সবল আৰু নিৰোগী জীৱন কটাবলৈ হ'লে মানুহক প্ৰয়োজন হয় এক সুস্থ পৰিবেশৰ। সেয়ে আমাৰ চৌপাশৰ পৰিবেশ সুস্থ আৰু বসবাসৰ উপযোগী হোৱা উচিত। আমি বাস কৰা পৃথিৱীখন, আমাৰ চাৰিওফালৰ প্ৰাকৃতিক পৰিবেশ যাতে বসবাসৰ উপযোগী হয় সেই বিষয়ে সচেতন হ'বই লাগিব। অন্যথা আমি বিভিন্ন আঙ্কালৰ সম্মুখীন হ'ব লগা হ'ব পাৰে। যিয়ে আমাৰ জীৱনলৈ বিপৰয় মাতি আনিব পাৰে। সেয়ে আমি প্ৰকৃতিৰ প্ৰতি সদয় হ'ব লাগে আৰু প্ৰকৃতি ৰক্ষাৰ প্ৰতি সচেষ্ট হ'ব লাগিব।

সাম্প্ৰতিক সময়ত বিশ্বৰ উষ্ণতা বৃদ্ধি, অ'জন স্তৰৰ অৱক্ষয়, বন তথা শক্তি সম্পদৰ হ্ৰাস প্ৰাপ্তি, বিশ্বৰ জৈৱ বিচিত্ৰতাৰ ক্ষতি সাধন আদি কাৰ্যই প্ৰকৃতি তথা জীৱকুললৈ অথন্ত নমাই আনিছে। প্ৰকৃতিৰ নিয়মৰ বহু সাল-সলনি ঘটা পৰিলক্ষিত হৈছে। পৃথিৱীত জীৱ জীয়াই থাকিবৰ বাবে অনুকূল পৰিবেশ নোহোৱাৰ দৰে হৈ পৰিছে। বিভিন্ন প্ৰাকৃতিক দুৰ্ঘটনা, প্ৰাকৃতিক বিপৰয় আদিয়ে পৃথিৱীবাসীক তেওঁলোকে প্ৰকৃতিৰ ওপৰত কৰা অত্যাচাৰৰ ফল ভোগ কৰাবলৈ যেন বাধ্য কৰিছে প্ৰকৃতিয়ে। আধুনিক, শিক্ষিত নামধাৰী বহু মানুহৰ অবিবেচক কাৰ্যই প্ৰকৃতিৰ বিশেষ ক্ষতি সাধন কৰিছে। নিজৰ প্ৰয়োজন কিছুমান পূৰণ কৰিবলৈ গৈ প্ৰকৃতিৰ অনিষ্ট সাধন কৰি সেউজীয়া পৃথিৱী আজি আৰু সেউজীয়া হৈ থকা নাই। পৰ্বত -পাহাৰ সকলো লঠঙা যেন হ'ল। প্ৰকৃতিৰ ওপৰত কৰা নিৰ্মম অত্যাচাৰৰ ফল আজি সকলোৱে ভোগ কৰিব লগা হৈছে। এনেদৰে হ'লে হ'লে আৰু কিছুদিন পিছত পৃথিৱীখন বসবাসৰ উপযোগী হৈ নিশ্চয় নাথাকিব। সেয়ে সময় থাকোঁতেই আমি প্ৰকৃতি ৰক্ষাৰ প্ৰয়োজনীয়তা, বসবাসৰ উপযোগী এক অনুকূল পৰিবেশ গঢ়ি তোলাৰ বাবে জনজাগৰণৰ সৃষ্টি কৰিব লাগিব।

সাম্প্ৰতিক সময়ত প্ৰাকৃতিক পৰিবেশ ইমানেই বিপন্ন হৈছে যে ইয়াৰ বাবে জাগৰণৰ বিশেষ প্ৰয়োজন যেন অনুভৱ হৈছে। এক সুস্থ পৰিবেশ অবিহনে প্ৰযুক্তি বিদ্যাৰ কোনো সফলতাই পৃথিৱীত স্থায়ী ভাৱে দীৰ্ঘ জীৱন তথা সফল হ'ব নোৱাৰে। প্ৰকৃতিৰ স্বাভাৱিক গতি ৰোধ কৰিবলৈ যোৱা মানে নিজৰেই বিপৰয়ৰ মাতি আনা। সেয়ে প্ৰযুক্তি বিদ্যাৰ সহায়ত সকলো প্ৰাপ্তি সম্ভৱ বুলি ভবা সকলেও অন্ততঃ এই কথা মনত ৰখা উচিত যে প্ৰকৃতিৰ ওচৰত আমি সদায়ে নিৰ্ভৰশীল আৰু সেয়ে প্ৰকৃতিৰ ওচৰত আমি কৃতজ্ঞ হোৱা উচিত। বহুবত মাত্ৰ এটা দিনত আমি পৰিবেশ সচেতনতাৰ ওপৰত ওকত্ত আৰোপ কৰি বাকী দিন কেইটাত পৰিবেশ বিনষ্ট কৰি থাকিলে, পৰিবেশ বিনষ্টকাৰী কাৰ্য কৰি থাকিলে আওপকীয়াকৈ ইয়াৰ অপকাৰী, অনিষ্টকাৰী প্ৰভাৱ নিজৰ ওপৰতে পৰিব। পৃথিৱীখনেই যদি বসবাসৰ উপযোগী নহয় তেন্তে পৰিবেশৰ অনিষ্ট সাধন কৰি, গছ-গছনি আদি কাটি নিজৰ সুবিধাৰ বাবে সুদৃশ্য ঘৰ আদি নিৰ্মাণৰ কি প্ৰয়োজন? আধুনিকতাৰ ধামধুমীয়াত নিজকে বিলীন কৰি দিবলৈ আমি যেন অতিকে তৎপৰ হৈ পৰিছো। কিন্তু এগাকী পৰিবেশ সচেতন ব্যক্তি হিচাপে কিন্তু নিজক গাঢ় দি তুলিবলৈ আমি বহুতেই তৎপৰ নহয়। অথচ সাম্প্ৰতিক পৰিবেশ/পৰিস্থিতিৰ বাবে এনে মানসিকতাৰ প্ৰতি মানুহৰ মন ধাবিত কৰাতো, আগ্ৰহী কৰি তুলিব পৰাটো খুবেই দৰকাৰী। কেবল বিশ্ব পৰিবেশ দিৱসৰ দিনা বিভিন্ন কাৰ্যসূচী পালন যেনে চাফাই অভিযান, বৃক্ষৰোপণ কাৰ্যসূচী, শ্লো'গান পদ পথত শোভা যাত্ৰা, মউৰ চাইকেল ৰেলী তথা দিনযোৰা কাৰ্যসূচীৰে সভা-সমিতি আদি আয়োজন কৰাতেই আমাৰ দায়িত্ব শেষ বুলি ভাবিলে নহ'ব। পৰিবেশ সংৰক্ষণৰ বাবে, পৰিবেশৰ প্ৰতি সচেতনতাৰ ভাব আনিবৰ বাবে পালন কৰা 'বিশ্ব পৰিবেশ দিৱস'ৰ মহত্ব আৰু প্ৰয়োজনীয়তা নিশ্চয়কৈ আছে।

আমাৰ চাৰিওফালৰ পৰিবেশটো সুস্থ কৰি ৰখাৰ প্ৰধান দায়িত্ব আমাৰ। ইয়াৰ বাবে আমি সেউজ চিন্তাশ্ৰয়ী হ'ব লাগিব। সেউজ পৃথিৱী এখন গঢ়ি তোলা আমাৰ লক্ষ্য আৰু উদ্দেশ্য হ'ব লাগিব। পৃথিৱীখন কেৱল মানুহৰ বাবেই নহয়। আমাৰ সৈতে সহস্ৰজন কবি থকা জীব-জন্তু তথা উদ্ভিদ জগতৰ বাবেও। সেই কথা বিবেকধাৰী মানৱ জাতিয়ে অন্ততঃ পাহৰি যোৱা অনুচিত। পৰিবেশ সুৰক্ষা তথা বক্ষনাবেক্ষণৰ বাবে সজাগতা অনাৰ বাবেই মূলত বিশ্ব পৰিবেশ দিৱস, ধৰিত্ৰী দিৱস আদিৰ দৰে দিৱস সমূহ পালন কৰা হয়। আৰম্ভণি বহুবত মাত্ৰ এটা দিনত পালন কৰা এই দিৱস সমূহে মানুহৰ মন -মগজুত কিমানখিনি ক্ৰিয়া কৰিব পাৰিছে সি আন এক বিচাৰ্য বিষয় যদিও সাম্প্ৰতিক সময়ত পৰিবেশ সংৰক্ষণৰ বাবে বহুতেই আগ্ৰহ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে।

পৰিবেশ সংৰক্ষণৰ বাবে বহু ব্যক্তি, বহু সংগঠন আগবাঢ়ি আছিহে। ই এক শুভ সংকেত। কিয়নো পৰিবেশৰ ওপৰত নিষ্ঠুৰতা প্ৰদৰ্শন কৰি কোনো শান্তিয়ে জীয়াই থাকিব নোৱাৰে। প্ৰকৃতিৰ উপাদানবোৰেই আমিবোৰ জীয়াই আছো আৰু জীয়াই থাকিম। সেয়ে পৰিবেশ বিনষ্ট হোৱা কৰ্মৰ পৰা আমি পাৰিমানে দূৰত থকা উচিত। আমি অন্ততকৰণেৰে প্ৰকৃতি আৰু পৰিবেশক ভাল পাবলৈ শিকিব লাগ

গোসাঁইগাঁৱৰ শ্রীৰামপুৰত আৰক্ষীৰ অভিযান; নিষিদ্ধ গাঞ্জা জব্দ

অসম বার্তা, গোসাঁইগাঁও, ৪ জুন ঃ গোসাঁইগাঁও মহকুমাৰ অন্তর্গত শ্রীৰামপুৰত আৰক্ষীয়ে চলোৱা এক বিশেষ অভিযানত নিষিদ্ধ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাৰ নেতৃত্বত চলোৱা এই অভিযানত এখন ১৬ চকীয়া ট্রাকৰ গোপন চেম্বাৰৰ পৰা প্রায় ৫ কিলোগ্রাম গাঞ্জা উদ্ধাৰ কৰা হয়। আৰক্ষীৰ সূত্র অনুসাৰি, ট্রাকখনৰ নম্বৰ TN-52-AD-8586। অভিযানকালত ট্রাকখনৰ চালক আৰু সহ-চালকক আটক কৰাৰ পাছত গ্রেপ্তাৰ কৰা হয়। গ্রেপ্তাৰ হোৱা দুজোনৰ পৰিচয় ক্রমে কেৰেলাৰ বাসিন্দা মালিক আৰু মহেশ বুলি জনিব পৰা গৈছে। ঘটনাক কেন্দ্র কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ সৈতে জড়িত অধিক তথ্য উদঘাটনৰ লক্ষ্যে তদন্ত অব্যাহত ৰাখিছে।

নলবাৰী জিলাত ২৪x৭ খোলা থাকিব নির্বাচিত ঔষধালয়

অসম বার্তা, নলবাৰী, ৪ জুন ঃ জৰুৰীকালীন চিকিৎসা সেৱা অধিক সুলভ আৰু জনমুখী কৰাৰ লক্ষ্যৰে নলবাৰী জিলা প্রশাসনে জিলাখনৰ বিভিন্ন অঞ্চলত নির্বাচিত খুচুৰা ঔষধালয়সমূহ পালাক্রমে ২৪ ঘণ্টাই খোলা ৰখাৰ ব্যৱস্থা গ্রহণ কৰিছে। নলবাৰী জিলা আয়ুক্তৰ কার্যালয়ৰ স্বাস্থ্য শাখাই জাৰি কৰা এক নির্দেশনা অনুসৰি এই ব্যৱস্থা ১ জুন, ২০২৬ৰ পৰা কার্যকৰী হৈছে। জৰুৰী স্বাস্থ্যসেৱাৰ ক্ষেত্রত ৰোগী আৰু তেওঁলোকৰ আত্মীয়-স্বজনৰ সমুখীন হোৱা অসুবিধাসমূহ হ্রাস কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্রহণ কৰা হৈছে। উল্লেখযোগ্য যে নিশাৰ সময়ত বা বন্ধৰ দিনত বহু সময়ত প্রয়োজনীয় ঔষধ বিচাৰি পোৱাত সাধাৰণ ৰাইজে সমস্যাৰ সম্মুখীন হয়। বিশেষকৈ দুৰ্ঘটনা, আকস্মিক অসুস্থতা, প্রসূতি সেৱা আৰু জৰুৰী চিকিৎসাৰ ক্ষেত্রত ঔষধৰ অভাৱে সমস্যাৰ সৃষ্টি কৰে। এই দিশটো বিবেচনা কৰিয়েই নলবাৰী জিলা প্রশাসনে নলবাৰী জিলা ঔষধ ব্যৱসায়ী সম্থাৰ সহযোগত এই ২৪x৭ ঔষধ সেৱা আৰম্ভ কৰিছে। ব্যৱস্থাটোৰ অধীনত নলবাৰী চহৰত সোমবাৰে Tahbildar Pharmacy, মঙ্গলবাৰে New Sankar Medicos, বুধবাৰ আৰু ৰবিবাৰে Baruah Pharmacy, বৃহস্পতিবাৰে Friends Medicos, শুক্রবাৰে Choudhury Pharmacy আৰু শনিবাৰে Bhai Bhai Medicos ২৪ ঘণ্টাই খোলা থাকিব। একেদৰে মুকলমুৱা S.D.C.H. চৌহদত সোম, মঙ্গল আৰু ৰবিবাৰে Chinaki Medicos, বুধ আৰু বৃহস্পতিবাৰে Maa Purnima Medicos আৰু শুক্র আৰু শনিবাৰে Rumi Sumi Medicos জৰুৰীকালীন ঔষধ সেৱা আগবঢ়াব। নলবাৰী মেডিকেল কলেজ হাস্পাতাল (NMCH)-ৰ সম্মুখৰ কুণ্ডাকাঁৱত সোম, মঙ্গল আৰু ৰবিবাৰে Mumpi Medicos, বুধ আৰু বৃহস্পতিবাৰে Assam Medicos আৰু শুক্র আৰু শনিবাৰে Popular Medicos ২৪ ঘণ্টাই খোলা থাকিব। আনহাতে টিহু সোমবাৰে G.S. Medicos, মঙ্গলবাৰে Sankardev Medicos, বুধবাৰে Arogya Medicos, বৃহস্পতিবাৰে Ayushman Pharmacy, শুক্রবাৰে Sabitri Medicos, শনিবাৰে Chinmoy Medicos আৰু ৰবিবাৰে Ranganath Medicos জৰুৰীকালীন ঔষধ যোগান ধৰা ব্যৱস্থত ৰাখিব। নলবাৰী জিলা ঔষধ ব্যৱসায়ী সম্থাই সংশ্লিষ্ট ঔষধালয়সমূহৰ তালিকা প্রস্তুত কৰি জিলা প্রশাসনক দাখিল কৰিছে। তালিকাভুক্ত প্রতিখন ঔষধালয়ে নিজৰ নির্ধাৰিত দিনত ২৪ ঘণ্টীয়া সেৱা আগবঢ়াব আৰু জৰুৰীকালীন প্রয়োজনত ৰাইজে এই সুবিধা লাভ কৰিব পাৰিব। জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ স্বাক্ষৰিত নির্দেশনাত উল্লেখ কৰা হৈছে যে স্বাস্থ্যসেৱাৰ ক্ষেত্রত সাধাৰণ ৰাইজৰ সুবিধাৰ্থে এই ব্যৱস্থা প্রথম কৰা হৈছে। জিলা প্রশাসনৰ এই পদক্ষেপে বিশেষকৈ নিশাৰ সময়ত চিকিৎসাধীন ৰোগী, বৃদ্ধ লোক, গর্ভবতী মহিলা আৰু জৰুৰী স্বাস্থ্যসেৱাৰ প্রয়োজন হোৱা লোকসকলক যথেষ্ট উপকৃত কৰিব বুলি আশা প্রকাশ কৰা হৈছে। স্বাস্থ্যসেৱাক অধিক শক্তিশালী আৰু জনসাধাৰণৰ কাষ চপাই নিয়াৰ ক্ষেত্রত এই পদক্ষেপে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব বুলিও মত প্রকাশ কৰা হৈছে।

মাজুলী জিলাত শিশু বিজ্ঞানীৰ আৰ্হি প্রদর্শনী অনুষ্ঠান সম্পন্ন

অসম বার্তা, মাজুলী, ৪ জুন ঃ ছাত্র-ছাত্রীসকলৰ মাজত বিজ্ঞান সজাগতা বৃদ্ধিৰ লক্ষ্যৰে জিলাভিত্তিক ৰাজ্যখনত আয়োজন কৰি থকা শিশু বিজ্ঞানীৰ আৰ্হি প্রদর্শনী অনুষ্ঠান আজি মাজুলী জিলাত অনুষ্ঠিত হয়। মাজুলীৰ কমলাবাৰী একাডেমীত এন চি টি ই ৰ উদ্যোগত আৰু যোৰহাট ডায়েট সৌজন্যত আয়োজিত এই আৰ্হি প্রদর্শনীত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ পৰা অহা ৫৪ টাকৈ আৰ্হি প্রদর্শন কৰা হয়। আৰম্ভণিতে যোৰহাট ডায়েটৰ প্রবক্তা মুকুল ফুকনে সকলোকে আদৰণি জনায়। প্রদর্শনীখনৰ দ্বাৰ ফিতা কাটি আনুষ্ঠানিকভাৱে উদ্ঘোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঁ দেৱজিৎ শইকীয়াই। ইয়াৰ পাছতে দিনৰ ১১ বজাৰ পৰা কমলাবাৰী একাডেমীৰ অস্থায়ী সভাকক্ষত অনুষ্ঠিত উদ্ঘোধনী ভাষণ আগবঢ়াই অধ্যক্ষ ডাঁ দেৱজিৎ শইকীয়াই কয়, "অন্ধবিশ্বাসে আমাক কেঁকোৱাৰ দৰে আজিও তলফালৰ পৰা আজুৰি আছে, যাৰ বাবে আমি এতিয়াও বহুত পশ্চাৎমুখী হৈ আছোঁ। আমাৰ এইপশ্চাৎগামিতাৰ পৰা মুক্তি পাবলৈ শিশু অৱস্থাৰ পৰাই সকলোকে বিজ্ঞানমনস্ক কৰি গঢ়ি তুলিব লাগিব।" বুজবদৰ এক কাহিনীৰ প্রসংগৰে ছাত্র-ছাত্রীসকলক অন্ধভাবে কোনো বিষয় অনুকৰণ নকৰিবলৈ আহ্বান জনাই তেওঁ লগতে সমাজত প্রচলিত কু-সংস্কাৰৰ বিৰুদ্ধে সকলোকে আগবাঢ়ি আহিবলৈ পৰামর্শ দিয়ে। লগতে ছাত্র-ছাত্রীসকলৰ মাজত এনে প্রদর্শনী আয়োজন কৰাৰ ক্ষেত্রত উদ্যোগ গ্রহণ কৰা ডায়েটৰ লগতে ঊর্ধতম কর্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। উদ্ঘোধনী অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে কমলাবাৰী একাডেমীৰ প্রধান শিক্ষক কমল দত্ত, মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যক্ষ তিলক চন্দ্র শর্মা, দেওদিয়াআটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক জীৱন ৰবা, শালমৰা হাইস্কুলৰ বিজ্ঞান শিক্ষক লোহিত শইকীয়া, বিভিন্ন বিদ্যালয়ৰ তত্ত্বাধায়ক বিজ্ঞান শিক্ষক সকলৰ প্রমুখো ব্যক্তিসকল। প্রদর্শনীখনত বিচাৰক হিচাপে উপস্থিত থাকে মাজুলী মহাবিদ্যালয়ৰ প্রাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডাঁ অনুপ কুমাৰ দলে, বাসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডাঁ দেৱজ্যোতি বৰা। বিয়লি অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত বিচাৰকসকলে ছাত্র-ছাত্রীসকলক বিজ্ঞান আৰ্হি তৈয়াৰ কৰোঁতে মন কৰিবলগীয়া দিশসমূহৰ বিষয়ে ব্যাখ্যা কৰি সকলোকে উপকৃত কৰে। সভাত বক্তব্য আগবঢ়াই কমলাবাৰী একাডেমীৰ প্রধান শিক্ষক কমল দত্তই এনে প্রতিযোগিতাত যোগদানৰ দ্বাৰা ছাত্র-ছাত্রীৰ মনত জন্ম হোৱা অনুসন্ধিৎসু মনোভাৱৰ বীজে পৰৱর্তী সময়ত তেওঁলোকক প্রতিষ্ঠা লাভ কৰাত সহায় কৰিব বুলি অভিহিত কৰে। লগতে পৰৱর্তী সময়তো এনে অনুষ্ঠান আয়োজনৰ ক্ষেত্রত বিদ্যালয়খনে সর্বতোপ্রকাৰে সহায় আগবঢ়াব বুলি আশ্বাস প্রদান কৰে। উল্লেখযোগ্য যে আজিৰ প্রদর্শনীখনৰ পৰা নির্বাচিত পাঁচটা আৰ্হিক বাজিক পর্যায়ৰ প্রদর্শনীত উপস্থাপনৰ বাবে প্রেৰণ কৰা হ'ব।

ডিব্রুগড়ৰ আধ্যাত্মিকতাৰ প্রাণকেন্দ্র শ্রীশ্রী কলী আইথান পৰিচালনা সমিতিৰ প্রশংসনীয় পদক্ষেপ

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্রুগড়, ৪ জুন ঃ ধর্মীয় আৰু আধ্যাত্মিক চিন্তা-চর্চাৰ সমান্তৰালকৈ নব-প্রজন্মৰ শৈক্ষিক তথা সামাজিক উত্তৰণৰ লক্ষ্যৰে ডিব্রুগড়ৰ ঐতিহ্যমণ্ডিত আইথান প্রেক্ষাগৃহত শ্রীশ্রী কলীয়া থান পৰিচালনা সমিতিৰ সৌজন্যত অনুষ্ঠিত হোৱা বিশেষ কার্যসূচীত অঞ্চলটোৰ সদস্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হোৱা কৃতি ছাত্র-ছাত্রীক অভিনন্দন জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্রলৈ অৱদান আগবঢ়োৱা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সমিতিৰ তৰফৰ পৰা সম্বর্ধনা জনোৱা হয়। কেৱল আধ্যাত্মিক দিশতে আৱদ্ধ নাথাকি উঠি অহা নব-প্রজন্মক ভবিষ্যতে সুনাগৰিক ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ আৰু সমাজৰ প্রতিটো দিশতে চিন্তা-চর্চা কৰিব পৰাকৈ উৎসাহিত কৰাৰ উদ্দেশ্যে অঞ্চলটোৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্রথম বিভাগত উত্তীর্ণ মুঠ ৬৫ গৰাকী ছাত্র-ছাত্রীক সম্বর্ধনা জনোৱা হয়। পৰিচালনা সমিতিৰ সভাপতি ভীমকান্ত সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত অঞ্চলটোৰ উন্নয়ন তথা ডিব্রুগড় জিলাখনক আওবাই নিয়াত বিশেষ অবিহণা যোগোৱা তথা কলীআই থান পৰিচালনা সমিতিৰ সৈতে ওতঃপ্রোতভাৱে জড়িত হৈ থকা ডিব্রুগড় সম্ভিৰ বিধায়ক প্রশান্ত ফুকনক শ্রীশ্রী কলী আই থান পৰিচালনা সমিতিৰ হৈ বিশেষ সম্বর্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি কাঁনি মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঁ শশীকান্ত শইকীয়া, বিশিষ্ট ব্যক্তি গুণীন দিহিঙীয়া, জ্যেষ্ঠ সমাজকর্মী অঞ্জন গগৈ আৰু থান পৰিচালনা সমিতিৰ প্রাক্তন সভাপতি উপেন বৰুৱাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিক সমাজলৈ আগবঢ়োৱা সেৱাৰ বাবে সম্বর্ধনা জনোৱা হয়। অনুষ্ঠানত নির্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ই ঞ্জিনিয়াৰিং ছাত্রেন্স এণ্ড টেকনলজীৰ কম্পিউটাৰ ছায়েন্স বিভাগৰ মুৰব্বী ডাঁ নমী বৰুৱা। বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে মনোহৰী দেৰী কাঁনি মহাবিদ্যালয়ৰ অধ্যাপক অনিৰুদ্ধ দত্ত, ডিব্রুগড় সাহিত্য সভাৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক বাতুল বুঢ়াগোহাঁই, শিক্ষয়িত্রী মমী মহন্ত, পঞ্চায়তৰ সভানেত্রী দেৱজানী চুতীয়া, কাউলিলাৰ ঊষা গগৈ, সাংস্কৃতিক কর্মী ৰুবী গগৈ সন্দিকৈ, ভাৰতী দুৱৰা ৰৰুৱা, মিনাক্ষী দাস ৰৰুৱাকে প্রমুখ্যে কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পৰিচালনা সমিতিৰ যুটীয়া সম্পাদক অঞ্জন চেতিয়াই আঁত ধৰা অনুষ্ঠানত ডিব্রুগড় কাঁনে মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঁ শশীকান্ত শইকীয়াই থান পৰিচালনা সমিতিৰ এই পদক্ষেপক স্বাগত জনাই কয়। অনুষ্ঠানত সমিতিৰ সভাপতি উপেন বৰুৱাকে প্রমুখ্যে কৰি নগৰধনৰ গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৱ ফুকন উপস্থিত থকা সভাত বিধায়ক ৰৰগোহাঁইৰ শপত গ্রহণ কৰিছে। তালিকাভুক্ত প্রতিখন ঔষধালয়ে নিজৰ নির্ধাৰিত দিনত ২৪ ঘণ্টীয়া সেৱা আগবঢ়াব আৰু জৰুৰীকালীন প্রয়োজনত ৰাইজে এই সুবিধা লাভ কৰিব পাৰিব। জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ স্বাক্ষৰিত নির্দেশনাত উল্লেখ কৰা হৈছে যে স্বাস্থ্যসেৱাৰ ক্ষেত্রত সাধাৰণ ৰাইজৰ সুবিধাৰ্থে এই ব্যৱস্থা প্রথম কৰা হৈছে। জিলা প্রশাসনৰ এই পদক্ষেপে বিশেষকৈ নিশাৰ সময়ত চিকিৎসাধীন ৰোগী, বৃদ্ধ লোক, গর্ভবতী মহিলা আৰু জৰুৰী স্বাস্থ্যসেৱাৰ প্রয়োজন হোৱা লোকসকলক যথেষ্ট উপকৃত কৰিব বুলি আশা প্রকাশ কৰা হৈছে। স্বাস্থ্যসেৱাক অধিক শক্তিশালী আৰু জনসাধাৰণৰ কাষ চপাই নিয়াৰ ক্ষেত্রত এই পদক্ষেপে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব বুলিও মত প্রকাশ কৰা হৈছে।

বিশিষ্ট ব্যক্তি আৰু ৬৫ ছাত্র-ছাত্রীক সম্বর্ধনা

অন্তৰঙ্গ বন্ধুৰ বিশেষ সম্বর্দ্ধনা অনুষ্ঠানৰ সামৰণি

অসম বার্তা, ছয়গাঁও, ৪ জুন ঃ ১৯৯৫ চনত মির্জাস্থিত ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্রথম বর্ষৰ কলা শাখাত নামভর্তি কৰি ২০০০ চনলৈকে মহাবিদ্যালয়খনতে অধ্যয়ন কৰা বহু সংখ্যক প্রাক্তন ছাত্র-ছাত্রীৰ অনুষ্ঠান 'অন্তৰঙ্গ বন্ধু'ৰ উদ্যোগত যোৱা ৩১ মে'ৰ দিনা এক বিশেষ সম্বর্ধনা কার্যসূচী অনুষ্ঠিত হয়। মির্জাৰ স্কাইলাইন চেলিব্রেচনৰ সভাগৃহত অনুষ্ঠিত এই গাঙীর্যপূর্ণ কার্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্রহণ কৰে পলাশবাৰী সমষ্টিৰ বন নির্বাচিত যুব বিধায়ক হিমাংগু শেখৰ বৈশ্যই। হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু অন্যান্য দিশত পাৰদর্শিতা প্রদর্শন কৰা ছাত্র ছাত্রীসকলক সম্বর্ধনা জনাই বিধায়কগৰাকীয়ে অভিভূত হৈ পৰি 'অন্তৰঙ্গ বন্ধু'ৰ এই পদক্ষেপক ভূয়সী প্রশংসা কৰে। ভাষণ প্রসংগত বিধায়ক বৈশ্যই অনাগত সময়তো সুখ্যাতিৰে উত্তীর্ণ হোৱাৰ লগতে ছাত্র ছাত্রী সকলক প্রকৃতার্থত সমাজৰ একো একোগৰাকী ভাল মানুহ হিচাপে প্রতিষ্ঠা লাভ কৰাৰ বাবে আহ্বান জনায়। 'অন্তৰঙ্গ বন্ধু'ৰ অনাতম উদ্যোক্তা তথা সাংবাদিক বিশ্বজিৎ দাসে পৰিচালনা কৰা এই অনুষ্ঠানত 'অন্তৰঙ্গ বন্ধু'ৰ এগৰাকী অন্যতম সদস্য মৃত্যু বংশৰ মহাবিদ্যালয় বাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ টুটুমণি কলিতাক শ্রেহতীয়াভাৱে পি এইচ ডিগ্রী লাভ কৰা বাবে উষ্ম সম্বর্ধনা জনোৱা হয়। এই সম্বর্ধনা কার্যসূচীত মঞ্চত উপস্থিত থাকে 'অন্তৰঙ্গ বন্ধু'ৰ অন্যতম সদস্য ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ উপেন ডেকা আৰু সাংবাদিক নীৰেন চন্দ্র মালী। এই কার্যসূচীত সম্বর্ধনা জনোৱা 'অন্তৰঙ্গ বন্ধু'ৰ সদস্যসকলৰ সন্তান তথা কৃতী ছাত্র ছাত্রীসকল হ'ল- নয়নিকা তালুকদাৰ, হিয়াশ্রী দাস, হৃতিকা বর্মণ, হৃষিতা বর্মণ, নিশান্ত শইকীয়া, হিমাশ্রী মালী, নিলাৰ্ণব কুমাৰ দাস, তুষাৰ নাথ, ভূমিকা নাথ, তাপস দাস, মাধুর্য্য কলিতা, জুমন নাথ, মধুস্মিতা কলিতা, মাধুর্য্য প্রিয়ম মালীক ফুলাম গামোচা, চেলেং চাদৰ, জাপি আৰু মানপত্রৰে সম্বর্ধনা জনোৱা হয়। আনহাতে ক্রীড়া ক্ষেত্রত গৌৰৱ কঢ়িয়াই উনা প্রত্যাশা কলিতা, চনী অভি মালী আৰু অংকিত অভি মালীকো অন্তৰঙ্গ বন্ধুৰ সদস্য সকলে বিশেষভাৱে সম্বর্ধনা জনায়। অনুষ্ঠানত অন্তৰঙ্গ বন্ধুৰ সদস্যসকলে কবিতা পাঠ, গীত, নৃত্য পৰিবেশন কৰাৰ লগতে নিজৰ নিজৰ বক্তব্য ৰাখি অনুষ্ঠানটো আমোদজনক কৰি তুলিছিল।

বাক্সাৰ নিকাচিত কবি সমাৰোহ সম্পন্ন

অসম বার্তা, বাগানপাৰা, ৪ জুন ঃ বাক্সা জিলা নেপালী সাহিত্য সভাৰ অন্তর্গত নিকাচি শাখা শাখা সাহিত্য সভাৰ সৌজন্যত ১ জুনত কবি সমাৰোহ সম্পন্ন হৈ যায়। কবি সমাৰোহ ধনি সভাপতিত্বে কৰে নিকাচি শাখা সমিতিৰ সভাপতি ধৰণী পাঠকে আৰু কবি সমাৰোহ সঞ্চালনা কৰে কমল ভট্টবাইয়ে। কবি সমাৰোহ অনুষ্ঠানত উপস্থিত থাকে বাক্সা জিলা সাহিত্য সভাৰ সভাপতি কবি, সাহিত্যিক ছবিলাল ভট্টবাই, কবি, শিক্ষক মোহন গৌতম, কবি তথা চিকিৎসক বিক্রম ছেত্রীয়ে। অনুষ্ঠানটি উদ্ঘোধন কৰে অসম নেপালী সাহিত্য সভাৰ কেন্দ্রীয় সমিতিৰ সাংস্কৃতিক সম্পাদক পৃথি বিলাস ভট্টবাইয়ে। উক্ত অনুষ্ঠানত গোখাঁ উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ৰাম দাহাল, নেপালী সাহিত্য সভাৰ কেন্দ্রীয় সদস্য আৰু নিকাচি শাখা সমিতিৰ সচিব উদ্ধৱ বেগাঁৰ লগতে স্থানীয় শিক্ষক, সাহিত্যিক বুদ্ধিজীবী সকল উপস্থিত থাকে। অনুষ্ঠানত ২৫ গৰাকী লোকে কবিতা, গজল পৰিবেশন কৰাৰ উপৰিও কবি সকলে নিকাচি অঞ্চলৰ ঐতিহ্য কবিতাৰ জৰিয়তে দাঙি ধৰে। কবিতা পর্যালোচনা আগবঢ়ায় শিক্ষক সোমনাথ গৌতমে।

আমগুৰি পৌৰসভাৰ পদেন সদস্য হিচাপে বিধায়ক ময়ূৰ ৰৰগোহাঁইৰ শপত গ্রহণ

অসম বার্তা, চেলেংহাট, ৪ জুন ঃ আমগুৰি পৌৰসভাৰ পদেন সদস্য হিচাপে আজি নাজিৰা বিধান সভা সম্ভিন নব-নির্বাচিত বিধায়ক ময়ূৰ ৰৰগোহাঁয়ে শপত গ্রহণ কৰে। আমগুৰি পৌৰসভাৰ সভাকক্ষত পৌৰপতি অনামিকা নেওগ বৈশ্যৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত বিধায়কজনক শপত বাক্য পাঠ কৰোৱায় নাজিৰা সম জিলাৰ আয়ুক্ত প্রতিভা মেছৰাম। আমগুৰি নগৰ মণ্ডল বিজেপিৰ সভাপতি পুতুল বৰুৱা, সম্পাদক পঙ্কজ ভট্টাচার্য্য প্রমুখ্যে শাসকীয় দলৰ নেতা আৰু আমগুৰি পৌৰসভাৰ বিজেপি বার্ড সদস্যসকল, নির্দলীয় বার্ড সদস্য দিগন্ত ৰৰুৱাকে প্রমুখ কৰি নগৰধনৰ গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৱ ফুকন উপস্থিত থকা সভাত বিধায়ক ৰৰগোহাঁয়ে তেখেতে পার্থমানে আমগুৰিৰ উন্নয়নৰ বাবে কাম কৰিব বুলি কয়। সভাত বিধায়কজনক আমগুৰি পৌৰসভাৰ তৰফৰ পৰা উষ্ম আদৰণি তথা সম্বর্ধনা জনোৱাৰ লগতে আমগুৰি জীড়া সম্থাৰ হৈ দুলাল ৰৰুৱা, অনন্ত কাকতি আদি, বৃহত্তৰ আমগুৰি কেন্দ্রীয় বঙালী বিহু উৎসৱ উদ্যাপন সমিতি, মাৰোৱাৰী সমাজ, ৰাৱসায়ী সম্থা, আচিৰী সম্থা, কেন্দ্রীয় পুথিভঁৰাল, পৌৰসভাৰ জাতীয় কংগ্রেছৰ বার্ড সদস্য সকল, জ্যেষ্ঠ নাগৰিক সম্থা, অৱসৰপ্রাপ্ত কর্মচাৰী সম্থা, আমগুৰি পৌৰসভাৰ কর্মচাৰী সম্থা, হিন্দী বিদ্যালয়, আমগুৰি লেখিকা সমাৰোহ সমিতি প্রমুখ্যে বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানি আৰু ব্যক্তিয়ে বিধায়কজনক আদৰণি জনায়। পৌৰসভাৰ কর্মচাৰী প্রসন্নজ্যোতি ৰৱচাকুৰে আঁত ধৰা অনুষ্ঠানত নগৰধনৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

মাকুমত অবৈধ সুৰাৰ অবাধ প্রচলনকলৈ আৰক্ষী সষ্টম

অসম বার্তা, মাকুম, ৪ জুন ঃ মাকুমত অবৈধ সুৰাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। নিশা মাকুম সম জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অকপজ্যোতি তেৰণৰ নেতৃত্বত মাকুম আৰক্ষীৰ এটা দলে গোপন সূত্রৰ তথ্যৰ ভিত্তিত ৩৭ নং বাষ্ট্রীয় ঘাইপথৰ উৰণীয়া সেতুৰ সমীপত অবস্থিত চেতীয়া লাইন হোটেল আৰু মাকুম মহাবিদ্যালয়ৰ সমীপত পৃথকে পৃথকে অভিযান চলাই দুয়োটা স্থানত নিষিদ্ধ চুলাই মদ প্রায় ৫০০ লিটাৰ আৰু অবৈধ ভাৱে মজুত কৰা বিলাতী সুৰা জব্দ কৰি ঘটনাস্থলীতে নষ্ট কৰা হয়। অভিযান কালত কোনো লোকক আৰক্ষীয়ে আটক নকৰে যদিও এনেধৰণৰ ব্যৱসায় ছিতীয়াবাৰলৈ নকৰিবলৈ সতর্ক জাৰি কৰে। অবৈধ সুৰাৰ উৎপাদন, সৰবৰাহ আৰু বিক্রীৰ বিৰুদ্ধে এনে অভিযান আগন্তুক দিনতো অব্যাহত থাকিব বুলি অতিৰিক্ত আৰক্ষী অধীক্ষক গৰাকীয়ে জানিবলৈ দিয়ে।

আমগুৰি আৰক্ষীৰ চুলাই ভাতি উচ্ছেদ

অসম বার্তা, চেলেংহাট, ৪ জুন ঃ আজি পুৱাৰ ভাগত আমগুৰি আৰক্ষীয়ে দেওৰজা অঞ্চলত বিষাক্ত চুলাই মদৰ বিৰুদ্ধে এক অভিযান আৰম্ভ কৰে। আমগুৰি আৰক্ষীৰ ভাৰপ্রাপ্ত বিষয়া, আৰক্ষী পৰিদর্শক মুদুল কুমাৰ হাজৰিকাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে আজি পুৱা দেওৰজা কমাখচুক অঞ্চলত অভিযান চলাই দুটাকৈ বৃহৎ চুলাই মদৰ ভাটি উৎখাত কৰে। দেওৰজা কমাখচুৰ বিশ্বজিৎ গগৈ ওৰফে ব্রয়নাৰ আৰু বসন্ত গগৈ নামৰ দুই কৃখ্যাত চুলাই ব্যৱসায়ীৰ ঘৰত চলোৱা এই অভিযানত ৩ হাজাৰ লিটাৰতো অধিক চুলাই মদ বিনষ্ট কৰা হয়। অভিযান কালত প্রাষ্টিকৰ বৃহৎ বৃহৎ ড্রামত ভৰাইমাটিত পুতি থোৱা চুলাই প্রস্তুত কৰিবলৈ গোলাই থোৱা বহু বাজাৰ লিটাৰ তৰল সামগ্রীও ধলীতে নষ্ট কৰে অভিযানকাৰী আৰক্ষীৰ দলে।

অন্ধবিশ্বাসে আমাক কেঁকোৱাৰ দৰে তলৰ পৰাল আজুৰি আছে ঃ ডাঁ দেৱজিৎ শইকীয়া

মাজুলী জিলাত শিশু বিজ্ঞানীৰ আৰ্হি প্রদর্শনী অনুষ্ঠান সম্পন্ন

অসম বার্তা, উজনি মাজুলী, ৪ জুন ঃ ছাত্র-ছাত্রীসকলৰ মাজত বিজ্ঞান সজাগতা বৃদ্ধিৰ লক্ষ্যৰে জিলাভিত্তিক ৰাজ্যখনত আয়োজন কৰি থকা শিশু বিজ্ঞানীৰ আৰ্হি প্রদর্শনী অনুষ্ঠান আজি মাজুলী জিলাত অনুষ্ঠিত হয়। মাজুলীৰ কমলাবাৰী একাডেমীত এন চি টি ই ৰ উদ্যোগত আৰু যোৰহাট ডায়েট সৌজন্যত আয়োজিত এই আৰ্হি প্রদর্শনীত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ পৰা অহা ৫৪ টাকৈ আৰ্হি প্রদর্শন কৰা হয়। আৰম্ভণিতে ডায়েটৰ প্রবক্তা মুকুল ফুকনে সকলোকে আদৰণি জনায়। প্রদর্শনীখনৰ দ্বাৰ ফিতা কাটি আনুষ্ঠানিকভাৱে উদ্ঘোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঁ দেৱজিৎ শইকীয়াই কয়, "অন্ধবিশ্বাসে আমাক কেঁকোৱাৰ দৰে আজিও তলফালৰ পৰা আজুৰি আছে, যাৰ বাবে আমি এতিয়াও বহুত পশ্চাৎমুখী হৈ আছোঁ। আমাৰ এইপশ্চাৎগামিতাৰ পৰা মুক্তি পাবলৈ শিশু অৱস্থাৰ পৰাই সকলোকে বিজ্ঞানমনস্ক কৰি গঢ়ি তুলিব লাগিব।" বুজবদৰ এক কাহিনীৰ প্রসংগৰে ছাত্র-ছাত্রীসকলক অন্ধভাবে কোনো বিষয় অনুকৰণ নকৰিবলৈ আহ্বান জনাই তেওঁ লগতে সমাজত প্রচলিত কু-সংস্কাৰৰ বিৰুদ্ধে সকলোকে আগবাঢ়ি আহিবলৈ পৰামর্শ দিয়ে। লগতে ছাত্র-ছাত্রীসকলৰ মাজত এনে প্রদর্শনী আয়োজন কৰাৰ ক্ষেত্রত উদ্যোগ গ্রহণ কৰা ডায়েটৰ লগতে ঊর্ধতম কর্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। উদ্ঘোধনী অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে কমলাবাৰী একাডেমীৰ প্রধান শিক্ষক কমল দত্ত, মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যক্ষ তিলক চন্দ্র শর্মা, দেওদিয়াআটী

ডিগবৈ-পেঙেৰী-বৰডুমছা-মহং চাৰিআলি পথৰ উন্নয়ন আৰু উন্নীতকৰণত ব্যাপক দুৰ্নীতিৰ অভিযোগ

অসম মালা ২.০ পথ বিতৰ্ক

তদন্তৰ প্ৰতিবেদন দাখিল অসম চৰকাৰৰ বিভাগীয় বিশেষ আয়ুক্তক

ৰঙীন মৰাণ, পেঙেৰী, ৪ জুন ঃ 'অসম মালা ২.০ৰ অধীনত ১৩০ কোটি ৪১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মীয়মান ডিগবৈ-পেঙেৰী-বৰডুমছা-মহং চাৰিআলি পথৰ উন্নয়ন আৰু উন্নীতকৰণ'ত ঠিকাদাৰৰ দ্বাৰা ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে। উক্ত অভিশোগৰ ভিত্তিত যোৱা ১১ আৰু ১৪ এপ্ৰিল, ২০২৬ তাৰিখে ডিগবৈ সমজিলা আয়ুক্ত ফিলিয়হু ভি এল এইচ ছাংচানৰ নেতৃত্বত তদন্তকাৰী দলে চলোৱা তদন্ত প্ৰতিবেদন ইতিমধ্যে তিনিচকীয়াৰ জিলা আয়ুক্তই টি চি এ/৫৫/২০২৩/২৮, দিনাংক ২৯ মে' ২০২৬ নং পত্ৰযোগে অসম চৰকাৰৰ লোকনিৰ্মাণ (পথ) বিভাগৰ বিশেষ আয়ুক্তৰ ওচৰত দাখিল কৰিছে। ভাৰতীয় জনতা যুৱ মৰ্চাৰ টিংবাই মণ্ডল সমিতিৰ সভাপতি মানস প্ৰতীম দহোটীয়ই দাখিল কৰা অভিযোগৰ ভিত্তিত ডিগবৈ পথা ব্ৰহ্মজানলৈ প্ৰায় ২০ কিলোমিটাৰ দৈৰ্ঘ্য পথাংশত ক্ষেত্ৰভিত্তিক তদন্ত চলাইছিল দলটোৱে। উল্লেখ্য যে ১৩০ কোটি ৪১ লাখ টকা ব্যয় সাপেক্ষে অসম মালা ২.০ আঁচনিৰ অধীনত নিৰ্মীয়মান ডিগবৈ-পেঙেৰী-বৰডুমছা-মহং চাৰিআলি পথটোৰ উন্নয়ন আৰু উন্নীতকৰণ'ৰ কাম সামৰিকভাবে আৰম্ভ হৈছিল ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত। অবশ্যে এই নিৰ্দিষ্ট অংশত নিৰ্মাণকাৰ্য আৰম্ভ হৈছিল ২০২৪ চনৰ আগষ্ট মাহত। পৰিদৰ্শনৰ তাৰিখলৈকে এই অংশটোৰ নিৰ্মাণকাৰ্য অগ্ৰগতি প্ৰায় ৬০ শতাংশ বুলিও প্ৰতিবেদনত উল্লেখ আছে। এই পথটোৰ নিৰ্মাণৰ টিকা লাভ কৰা ভাস্কৰ গোস্বামী মালিকানাধীন ঠিকাদাৰী প্ৰতিষ্ঠান পূৰ্বাঞ্চল বিল্ডকন প্ৰাইভেট লিমিটেড-এল জি(এল ভি)ৰ হৈ কাম কৰিছে ঠিকাদাৰ মতলবুদ্দিন আহমেদে। ডিগবৈ সমজিলা আয়ুক্তৰ সতে ক্ষেত্ৰ পৰিদৰ্শন আৰু অনুসন্ধানকালত দলটোত আছিল লোকনিৰ্মাণ বিভাগৰ ডিগবৈ আৰু মাৰ্ঘেৰিটা সংমণ্ডল কাৰ্যবাহী অভিযন্তা অচ্যুত কুমাৰ বৰুৱা, সহকাৰী কাৰ্যবাহী অভিযন্তা বিনোদ কুমাৰ চৌবে, বাইচছ (RITES) নামৰ তৃতীয় পক্ষৰ নিৰীক্ষণ আৰু গুণনিয়ন্ত্ৰণপণৰ পৰামৰ্শদাতা সেৱাৰ বিষয়া, আৱাসিক অভিযন্তা শয়ন বৰ্মন, সহকাৰী ঘইপথৰ অভিযন্তা সুবজ কাশ্যপ, গুণগত নিয়ন্ত্ৰণ অভিযন্তা ৰমেশ কুমাৰ ঝা, আদেনকাৰী ভাৰতীয় জনতা যুৱ মৰ্চাৰ মানস প্ৰতীম দহোটীয়া, ত্ৰিদীপ কাকতিকে ধৰি আন ৭জন ডিগবৈৰ বিধায়কৰ প্ৰতিনিধি আৰু পি বি পি এলৰ প্ৰকল্প পৰিচালক টিয়ছ শিৱম। উল্লেখ্য যে মূলত মতলবুদ্দিন আহমেদ নামৰ ঠিকাদাৰজনৰ অসৎ আচৰণ, পথ নিৰ্মাণত নিম্নমানৰ সামগ্ৰীৰ ব্যৱহাৰ আৰু সংশ্লিষ্ট পথৰ পথা পেভাৰ ব্লক অন্তৰ্ধান হোৱা বিষয়বস্তুক লৈ চলিছিল তদন্ত। দলটোৱে পথটোৰ বিভিন্ন অংশত আৰু ব্যৱধানত চৰজমিন তদন্ত চলাইছিল। পথৰ গভীৰতা আৰু গঠন প্ৰক্ৰিয়া পৰীক্ষা কৰিবলৈ পথৰ স্তৰসমূহৰ পৰা নমুনা সংগ্ৰহ, চিমেণ্ট কংক্ৰিটৰ মাপ আৰু মিশ্ৰণ, ষ্টীল বাৰৰ মাত্ৰা নিৰূপণ, প্ৰকল্পৰ ব্ৰুপ্ৰিণ্ট বিপৰীতে পথ আৰু অন্যান্য আৰ চি চি গঠনৰ প্ৰস্থ আৰু গ্ৰেডিয়েণ্টৰ মাত্ৰা নিৰূপণ, ব্যৱহাৰ সঁজুলি আদিৰ পৰীক্ষা কৰে। প্ৰকল্প অন্তৰ্ভুক্ত ব্যৱস্থা অনুসৰি ৫.৫ মিটাৰ প্ৰস্থৰ সংশ্লিষ্ট পথটো ৭ মিটাৰলৈ বহলোৱা (মাটিৰ কাম, নন-বিটুমিনাছ আৰু বিটুমিনাছ লেয়াৰিং), যান-বাহনৰ বাবে সাংকেতিক চিহ্ন, ৮৪টা আৰ চি চি ৰ' কালভাৰ্ট নিৰ্মাণ আৰু আৱাসিক এলেকাকীন ৬.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ নিষ্কাষণ-নৰ্দমা নিৰ্মাণ কাৰ্যৰ ওপৰতো তদন্ত চলে। প্ৰকল্পৰ জটিলতা সন্দৰ্ভত কোৱা হৈছে যে ঠিকাদাৰ আৰু আবেদনকাৰীৰ মাজত চলি থকা বিবাদৰ বাবে পথটোৰ বিতৰ্কিত অংশটোত নিৰ্মাণৰ অগ্ৰগতি গুৰুতৰভাবে বিঘ্নিত হৈছে, যাৰ ফলত ২০২৬ চনৰ ১৩ এপ্ৰিলৰ পৰা সম্পূৰ্ণ কাম বন্ধ হৈ পৰিছে। বাৰিষা আৰম্ভ হোৱাৰ পূৰ্বেই অভাৰনীয় অবস্থাত থকা অংশসমূহ ক্ষিপ্ততাৰে শুধৰণি কৰি পূৰ্ণাংগ পথ নিৰ্মাণৰ কাম আৰম্ভ কৰাটো অতি প্ৰয়োজনীয় হৈছে বুলি প্ৰতিবেদনত উল্লেখ কৰিছে। ওগণত মান নিৰূপণৰ পৰীক্ষেক্ষণত কি আৰিষ্কাৰ হ'ল২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত সামগ্ৰিক প্ৰকল্পৰ কাম আৰম্ভ হৈছিল যদিও এই নিৰ্দিষ্ট অংশত নিৰ্মাণ ২০২৪ চনৰ আগষ্ট মাহত আৰম্ভ হৈছিল। এই অংশৰ বাবে কামৰ অগ্ৰগতিৰ হাৰ বৰ্তমান পৰিদৰ্শনৰ তাৰিখলৈকে প্ৰায় ৬০ৰ। লোকনিৰ্মাণ বিভাগৰ বিষয়া, অ'ডিট দলসহ পৰামৰ্শদাতাৰ স'তে হোৱা চৰজমিন পৰিদৰ্শনত নিম্নোল্লিখিত কৰিকী বিসঙ্গতিসমূহ ধৰা পৰিছে। ওগণত মান নিৰূপণঃ একাধিক পৰিদৰ্শন স্থানত বিটুমিনাছ আৰু নন-বিটুমিনাছ স্তৰ বা তৰপ প্ৰাককলনৰ নূন্যতম সীমাতকৈ কম পোৱা গৈছে। সামগ্ৰীৰ গভীৰতাত বিসঙ্গতিঃ সামগ্ৰীৰ অসামঞ্জস্যতাই চকু কপালত তোলে তদন্তকাৰী দলটোৰ। নমুনাত পথৰ বোজা বহন ক্ষমতাৰহিত শতাংশৰ মিহি গোটা পদাৰ্থ আছিল যিটো অনুমোদিত সীমা চেৰাই গৈছে। তদুপৰি আৰ চি চি ৰ' কালভাৰ্টসমূহৰ কংক্ৰিটৰ সামগ্ৰী আৰু তীখাৰ মিশ্ৰণৰ সামঞ্জস্যত বিসঙ্গতি ধৰা পৰে, যাৰ ফলত কালভাৰ্টসমূহৰ ওগণত মান আৰু গাঁথনিগত অথণ্ডতাত ক্ষতিগ্ৰস্ত হৈছে। দুৰ্বল ভেটিঃ নমুনা গ্ৰহণ কৰা নিৰ্দিষ্ট অংশত পানী ধৰি ৰখা 'মেকাডম' (WBM) স্তৰৰ গঠন প্ৰয়োজন অনুসৰি হোৱা নাই, যাৰ ফলত অকালতে ফাটি যোৱা আৰু গাঁতৰ সৃষ্টি হোৱাৰ আশংকা আছে। নিষ্কাশনৰ আন্তঃগাঁথনিতো বিসঙ্গতিঃ নিষ্কাশন ব্যৱস্থাৰ পৰিদৰ্শনত একাধিক গাঁথনিগত আৰু জামিতিক বিসঙ্গতি দেখা গৈছিল। জ্যামিতিকভাবে নলাবোৱৰ এলাইনমেণ্ট আৰু মজিয়াৰ অসমানতা ধৰা পৰে। পথটোৰ পথা উঠাই পেলোৱা পেভাৰ ব্লকৰ অন্তৰ্ধান সন্দৰ্ভত প্ৰতিবেদনত উল্লেখ আছে যে ২৫, ৩০০ বৰ্গমিটাৰ পথত স্থাপিত হৈছিল মুঠ ৯, ৮৬, ৭০০টা পেভাৰ ব্লক। কাৰ্যবাহী অভিযন্তাই যোগান ধৰা তথ্য অনুসৰি ম্যাদ উকলাৰ বাবে আৰু উঠাওঁতে হোৱা ক্ষতিগ্ৰস্ত ব্লকৰ পৰিমাণ প্ৰায় ৪০ শতাংশ। প্ৰায় ৪ লাখ ব্লক চুৰি হয়। প্ৰায় ৮২ হাজাৰটা ব্লক বিভিন্ন চৰকাৰী আৰু বেচকাৰী কামত পুনৰ ব্যৱহৃত হয়। প্ৰায় ২৮ হাজাৰটা অৰ্ধভগ্ন ব্লক বিভাগীয় জিম্মাত থকা বুলি কোৱা হৈছে। অতিৰিক্ত ৮০ হাজাৰটা ভগ্নপ্ৰায় ব্লক ঠাইতে পৰি আছে। ঠিকাদাৰ ভাস্কৰ গোস্বামীৰ হৈ নিৰ্মাণকাৰ্য ব্যবাহৰ কথা মতলবুদ্দিন আহমেদ আৰু বি জে বাই এমৰ মাজত চলি থকা গভীৰ বিবাদ সম্পৰ্কীয় বিষয়বস্তুও ঠাই পাইছে তদন্তৰ প্ৰতিবেদনত। কোৱা হৈছে যে পি বি পি এলৰ প্ৰতিনিধি আৰু বি জে বাই এমৰ প্ৰতিনিধিৰ মাজত অন্তৰ্দ্বন্দ্বৰ অব্যাহত আছে। মতলবুদ্দিন আহমেদৰ সতে মৌখিক আৰু শাৰীৰিক কাজিয়াৰ ইতিহাসনতুন নহয়। দুয়োপক্ষই বিভিন্ন সময়ত চৰকাৰী বিভাগক দাখিল কৰা অসংখ্য আবেদনত উক্ত বিষটো নথিভুক্ত হৈ আছে। যোৱা ১৪ মে' তাৰিখেও তদন্ত কালছোৱাত তীব্ৰ অসন্তুষ্টিৰ পৰিবেশৰ সৃষ্টি হৈছিল। শেষত, আছম মালা ২.০ প্ৰকল্পৰ অখণ্ডতা নিৰ্ভৰ কৰিব ওগণত আৰু সময়সাপেক্ষ সমাপনৰ ওপৰত। নমুনা পৰীক্ষা তথা তদন্তত বিসঙ্গতি ধৰা পৰা প্ৰতিটো খণ্ডতে সম্পূৰ্ণ পুনৰ নিৰ্মাণ কৰিব লাগিব ঠিকাদাৰে। উপযুক্ত আহিলা প্ৰয়োগেৰে নিৰ্দিষ্ট ব্যবধানত সমগ্ৰ পথছোৱা সঠিক স্তৰ মূল্যায়ন কৰিব লাগিব। ৰূপায়ন বিভাগ বা প্ৰতিষ্ঠানে ঠিকাদাৰক প্ৰকল্পটোৰ দুৰ্বল কাৰুকাৰ্য আৰু নিম্নমানৰ সামগ্ৰী ব্যবহাৰৰ হিচাপ দিবলৈ বাধ্য কৰিব। লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলে প্ৰশাসনৰ ওপৰত জনসাধাৰণৰ আস্থা পুনৰ গঢ়ি তোলাৰ স্বাৰ্থত অকৰ্মণ্যতা পৰিহাৰ কৰিব লাগিব। বাকীখিনা শতাংশ কামৰ নিৰ্মাণ পুনৰ আৰম্ভ কৰাৰ আগতে কেতবোৰ পদক্ষেপক অগ্ৰাধিকাৰ দিব লাগিব বুলিও কোৱা হৈছে। তাৰ ভিতৰত, বিসঙ্গতিপূৰ্ণ অংশসমূহ আঁতৰাই এষ্টিমেট অনুসৰি পুনৰ নিৰ্মাণ কৰিব লাগিব। অনুমোদিত প্লেন এণ্ড এষ্টিমেট আৰু যান-বাহনৰ বহন ক্ষমতা অনুসৰি সতেজ সামগ্ৰী প্ৰয়োগেৰে নিৰ্মাণ কৰিব লাগিব বিসঙ্গতিপূৰ্ণ অংশ। তদাবধী ব্যবস্থা কঠোৰ কৰিব লাগিব যাতে পুনৰ নিৰ্মাণত বিসঙ্গতিসমূহৰ পুনৰাবৃত্তি ৰোধ কৰিব পৰা যায়। আদ্ধান্বৰ সময়ত দৃশ্যমান হৈ উঠাকৈ বাঁহ আৰু প্ৰতিফলিত সামগ্ৰী ব্যবহাৰ কৰি বিপদসংকুল স্থানত সঠিক চিহ্ন আৰু প্ৰতিবোধৰ ব্যবস্থা কৰা আদি পৰামৰ্শই অন্যতম। অসম মালা ২.০ৰ অন্তৰ্গত ডিগবৈ-পেঙেৰী-বৰডুমছা-মহং চাৰিআলি পথৰ উন্নতি আৰু উন্নীতকৰণৰ দৰে চৰকাৰৰ আন্তঃগাঁথনিমূলক প্ৰকল্পই যাতে স্থানীয় জনগোষ্ঠীসমূহক বহু বছৰলৈ সেৱা আগবঢ়াব পাৰে, সেই কথা নিশ্চিত কৰাটোৱেই প্ৰশাসনৰ প্ৰধান লক্ষ্য। তিনিচকীয়া জিলা আৰু ডিগবৈ সমজিলাৰ মুখ্য কাৰ্যালয়, বিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য প্ৰশাসনিক কেন্দ্ৰৰ সতে ভিতৰুৱা গাঁওসমূহলৈ যোগসূত্ৰ স্থাপন কৰা জীৱন বেখাই হৈছে উক্ত পথটো। এতিয়া যিকোনো নিৰ্মাণ বিচ্যুতিৰ বাবে ঠিকাদাৰে অধিক মূল্য চৰিব লাগিব আৰু এবাৰ নোৱাৰা বিপদৰ সম্মুখীন হ'ব লাগিব। জনসাধাৰণৰ সুৰক্ষা আৰু দীৰ্ঘম্যাদী উপযোগিতাৰ স্বাৰ্থত এই প্ৰয়োজনীয় সংশোধনীসমূহ শীঘ্ৰে কাৰ্যকৰী কৰি পথটো আকাংক্ষিত সময়ত সম্পূৰ্ণ হোৱাটো আশা কৰি প্ৰতিবেদন সামৰে।

আমছু'ৰ গোসাঁইগাঁও আঞ্চলিক সমিতি পুনৰ গঠনাৰ্থে সাধাৰণ সভা অনুষ্ঠিত

অসম বার্তা, গোসাঁইগাঁও, ৪ জুন ঃ সদৌ অসম সংখ্যালঘু ছাত্ৰ ই উনিয়ন (আমছু)ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ অন্তৰ্গত গোসাঁইগাঁও আঞ্চলিক সমিতিৰ সভাপতি বেজোৱান আলী, উপ-সভাপতি মতিয়াৰ ৰহমান প্ৰধানী, সাধাৰণ সম্পাদক ছপিকুল ইছলাম, প্ৰাক্তন কেন্দ্ৰীয় উপ-সভাপতি ৰফিকুল ইছলাম আৰু প্ৰাক্তন উপ-সভাপতি আনোৱাৰ হুছেইনকে ধৰি সংগঠনটোৰ বহু সংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। সভাত সংগঠনটোৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লগতে গোসাঁইগাঁও আঞ্চলিক সমিতি কাৰ্যকলাপ অধিক গতিশীল আৰু ফলপ্ৰসূ কৰি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। উপস্থিত নেতাসকলে ছাত্ৰ-যুৱ সমাজৰ অধিকাৰ সুৰক্ষা, শিক্ষা ক্ষেত্ৰৰ বিভিন্ন সমস্যা সমাধান আৰু সংখ্যালঘু সমাজৰ সামগ্ৰিক উন্নয়ন ক্ষেত্ৰত সংগঠনটোৰ ভূমিকা অধিক শক্তিশালী কৰাৰ আহ্বান জনায়। সভাৰ আন্তত সৰ্বসম্মতিক্ৰমে ফিৰোজ আহমেদক সভাপতি, জাকাৰীয়া আহমেদক কাৰ্যকাৰী সভাপতি আৰু হাফিজুৰ ৰহমানক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মুঠ ৩১ জনীয়া এখন শক্তিশালী আঞ্চলিক সমিতি গঠন কৰা হয়। উপস্থিত নেতৃবৃন্দই নব-নিৰ্বাচিত সমিতিখনক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰাৰ লগতে সমাজৰ কল্যাণ, শিক্ষাৰীৰ সৰ্বাংগীণ বিকাশ আৰু সংগঠনটোৰ লক্ষ্য-উদ্দেশ্য সফল ৰূপায়ণৰ ক্ষেত্ৰত নিষ্ঠা আৰু দায়িত্ববোধেৰে কাম কৰি যাবলৈ আহ্বান জনায়।

জে. ই. ই. এডভান্সড পৰীক্ষাত ৭০১ সংখ্যক স্থান লাভ তিনিচুকীয়াৰ ধ্ৰুৱজিৎ শইকীয়াৰ

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৪ জুন ঃ সৰ্ভভাৰতীয় জে. ই. ই. এডভান্সড পৰীক্ষাত ৭০১ সংখ্যক স্থান লাভ কৰি তিনিচুকীয়া জিলাৰ লগতে সমগ্ৰ অসমৰেই গৌৰৱ কঢ়িয়াই আনিছে ধ্ৰুৱজিৎ শইকীয়া নামৰ মেধাৱী ছাত্ৰগৰাকীয়ে। তিনিচুকীয়া চহৰৰ দিহিঙীয়া গাঁৱৰ বিমল নগৰ ছ'ছাইটিৰ বাসিন্দা ব্যৱসায়ী ৰুবুল শইকীয়া আৰু প্ৰিয়ংকা শইকীয়াৰ একমাত্ৰ পুত্ৰ ধ্ৰুৱজিৎ শইকীয়াই কোচিং অবিহনে একাগ্ৰতাৰে ঘৰতে অধ্যয়ন কৰি এইদৰে সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। সোণোৱাল কছাৰী জনগোষ্ঠীৰ মেধাৱী ছাত্ৰগৰাকীৰ এনে সফলতাত জনগোষ্ঠীটোৰ ছাত্ৰ সংগঠন সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সম্থাৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰা হৈছে। সৰ্বভাৰতীয় পৰ্যায়ৰ জে. ই. ই. এডভান্সড পৰীক্ষাত ৭০১ সংখ্যক স্থান লাভ কৰা মেধাৱী ছাত্ৰ ধ্ৰুৱজিৎ শইকীয়াই ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই. আই. টি.)ত অধ্যয়নৰ সুযোগ লাভ কৰিব।

'মায়াবিনী'ৰ এক লাখ বৰ্ণেৰে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি আঁকিলে ডিগবৈৰ ৰিদ্ধিয়ে

অধ্যৱসায় আৰু সৃষ্টিৰ অনুপম নিদৰ্শন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা/তিনিচুকীয়া সদৰ, ৪ জুন ঃ শিল্পৰ কোনো নিৰ্দিষ্ট সীমা নাথাকে - সেই কথা পুনৰ প্ৰমাণ কৰি দেখুৱালে তৈল নগৰী ডিগবৈৰ মেধাৱী ছাত্ৰী ৰিদ্ধিয়ে। 'মায়াবিনী' শব্দটো প্ৰায় এক লাখ বাৰ নিজ হাতে লিখি তেওঁ সৃষ্টি কৰিছে এক ব্যতিক্ৰমী আৰু চকুত লগা শিল্পকৰ্ম। এই অসাধাৰণ প্ৰয়াসৰ জৰিয়তে ৰিদ্ধিয়ে তেওঁৰ প্ৰাণৰ শিল্পীগৰাকীক এক মনোমোহা প্ৰতিচ্ছবি অংকন কৰিবলৈ সক্ষম হৈছে। দুৰন্ত পৰা চালে এখন নিখুঁত পেন্টিংয়ে যেন লগা শিল্পকৰ্মখন ওচৰলৈ গ'লেই আচৰিত হ'ব লাগে। সমগ্ৰ ডৰিষন কেৱল 'মায়াবিনী' শব্দটোৰে গঠিত। প্ৰতিটো আখৰ, প্ৰতিটো শাৰীয়ে একত্ৰিত হৈ গঢ় দিছে শিল্পীগৰাকীক চকু, মুখ আৰু অভিব্যক্তি। বিদ্যালয়ৰ পাঠ্যক্ৰমৰ সমান্তৰালকৈ ৰিদ্ধিয়ে এই কামৰ বাবে প্ৰতিদিনে কেইবাঘণ্টাও সময় ব্যয় কৰিছিল। কেইবামাহৰ একান্ত সাধনাৰ অন্তত সম্পূৰ্ণ হোৱা এই শিল্পকৰ্মত প্ৰায় এক লাখ বাৰ 'মায়াবিনী' শব্দটো লিখা হৈছে। ইমান দীঘলীয়া সময় ধৰি একাগ্ৰতাৰে একেটা শব্দ লিখি শিল্পকৰ্ম দিয়াটো কেৱল প্ৰতিভাৰেই পৰিচয় নহয়। এই কামে ৰিদ্ধিৰ অদম্য অধ্যৱসায়, নিষ্ঠা, ধৈৰ্য আৰু সৃষ্টিশীল মনোভাবকো প্ৰতিফলিত কৰিছে। ৰিদ্ধিৰ এই অনন্য কৃতিত্বই ই তিমধ্যে শিক্ষক-শিক্ষয়িত্ৰী, সহপাঠীৰ লগতে তিনিচুকীয়া জিলাৰ শিল্পপ্ৰেমী ৰাইজৰো দৃষ্টি আকৰ্ষণ কৰিছে। শিল্পৰ জগতত এক নতুন মাত্ৰা সংযোজন কৰা ৰিদ্ধিৰ এই সাধনা আগন্তুক প্ৰজন্মৰ বাবে এক উজ্জ্বল প্ৰেৰণা হৈ ৰ'ব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে। আনহাতে ৰিদ্ধিয়ে অংকন কৰা এই বিশেষ ছবিখন সামাজিক মাধ্যমত শেয়াৰ কৰি ৰিদ্ধিৰ শিক্ষাগুৰু তথা চিত্ৰশিল্পী মনজিৎ কাশ্যপে সামাজিক মাধ্যমত লিখিছে এনেদৰে - "মোৰ ছাত্ৰী ৰিদ্ধিয়ে 'মায়াবিনী' শব্দটো প্ৰায় ১ লাখবাৰ লিখি এক ব্যতিক্ৰমী শিল্পকৰ্ম সৃষ্টি কৰিছে। এই অসাধাৰণ প্ৰয়াসৰ জৰিয়তে তেওঁ প্ৰাণৰ শিল্পীগৰাকীৰ এক মনোমোহা প্ৰতিচ্ছবি অংকন কৰিবলৈ সক্ষম হৈছে। ইমান দীঘলীয়া সময়ধৰি একেটা শব্দ লিখি শিল্পৰূপ দিয়া কেৱল প্ৰতিভাৰেই নহয়, অদম্য অধ্যৱসায়, নিষ্ঠা আৰু সৃষ্টিশীল মনোভাবেৰে পৰিচয়। ৰিদ্ধিৰ এই কৃতিত্ব মই অত্যন্ত গৌৰবান্বিত। তেওঁৰ উজ্জ্বল ভৰিষ্যৎ আৰু শিল্পীজীবনৰ অধিক সফলতা কামনা কৰিলোঁ।" মনজিৎ কাশ্যপৰ উক্ত পোষ্টটো শেয়াৰ কৰিছে জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰেও। উল্লেখ্য যে, মাহেকীয়া সাহিত্য আলোচনী 'গৰীয়সী'ত আজিৰ পৰা ১৩বছৰ পূৰ্বে প্ৰকাশ পাই ছিল এই ফটোখন। সেয়া ২০১৪ চনৰ কথা। প্ৰাণৰ শিল্পী প্ৰয়াত জুবিন গাৰ্গে আজিৰ পৰা প্ৰায় ১৩ বছৰ আগতে উজনি অসমত অনুষ্ঠান কৰি গুৱাহাটীলৈ উভতি যাওঁতে সোণাপুৰত একাপ চাহৰ বাবে বোৱাৰ সময়ত কাষলৈ এখন ৰবৰ বাগিচাত এই ফটোখন তুলিছিল। আৰু ইয়াৰ সমীপৰ ভূমিতেই সম্প্ৰতি চিৰনিদ্ৰাত প্ৰাণৰ শিল্পী, হাৰ্টথ্ৰব জুবিন গাৰ্গ। কাকতালীয়ভাবে সেই ঠাইতেই শেষকৃত্য সমাপন হল জু বিন গাৰ্গৰ। যেন এক মহাজাগতিক অলৌকিক সংযোগ। ১৩ বছৰৰ পূৰ্বে নিশা সাংস্কৃতিক অনুষ্ঠানৰ পিছত নিশ ভ্ৰমণ সামৰি জুবিন গাৰ্গ দল-বলে উভতি ছিল গুৱাহাটীলৈ। একাপ চাহ খাবলৈ সোণাপুৰত বৈ থকাৰ সময়তে এখন ফটো তুলিছিল কাৰ্ডিসকলৰ জনবসতিৰে ভৰা অঞ্চলটোত। পাহাৰৰ ঢালত থিয়কৈ পুতি থোৱা আকাশমুখী এচটা শিলত সিদিনা আউজি ফটো তুলিছিল হাৰ্টথ্ৰব জুবিন গাৰ্গে। ফটোখনৰ সেই মুহূর্তটো আবদ্ধ কৰিছিল বাজাৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকে।

ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত প্ৰয়োজনত ৰাজপথত হ'ব আন্দোলন ঃ শংকৰ দাস

পৰীক্ষা সমাগত, এতিয়াও সম্পূৰ্ণ পাঠ্যপুথি নাপালে ছাত্ৰ-ছাত্ৰীয়ে

সমস্যা সমাধানৰ দাবীত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক সাক্ষাৎ আছুৰ

অসম বার্তা, ঢেকীয়াজুলি, ৪ জুন ঃ চৰকাৰী বিদ্যালয় সমূহত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যপুথি সংকটৰ লগতে বিদ্যালয়সমূহত বিদ্যমান বিভিন্ন সমস্যাৰ দ্ৰুত সমাধানৰ দাবীত আজি ঢেকীয়াজুলি খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক সাক্ষাৎ কৰে সদৌ শোণিতপুৰ জিলা ছাত্ৰ সম্থা আৰু ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সম্থাৰ বিষয় ৰবীয়াসকলে। সদৌ শোণিতপুৰ জিলা ছাত্ৰ সম্থাৰ সাধাৰণ সম্পাদক ৰংকন দাসৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলে আজি ঢেকীয়াজুলি খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকল সম্মুখীন হৈ থকা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰে। প্ৰতিনিধি দলটোৰে বিশেষভাবে উল্লেখ কৰে যে শিক্ষাবর্ষ আৰম্ভ হোৱাৰ বহুদিন অতিক্ৰম কৰাৰ পিছতো বহু চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও পৰ্যাপ্ত পাঠ্যপুথি লাভ কৰা নাই। আনহাতে আগন্তুক পৰীক্ষাৰ সময়ো ক্ৰমাংক ওচৰ চাপি অহাৰ ফলত পাঠ্যপুথিৰ অভাৱে শিক্ষার্থীসকলৰ অধ্যয়নত ব্যাপক প্ৰভাৱ পেলাইছে। ছাত্ৰ সম্থাৰ নেতাসকলে কয় যে পাঠ্যপুথি শিক্ষাৰ মূল আধাৰ। কিন্তু বহু বিদ্যালয়ত এতিয়াও কিছুমান শ্ৰেণীৰ পাঠ্যপুথি সম্পূৰ্ণকপে বিতৰণ নোহোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক বিষয়। সেয়েহে অতি শীঘ্ৰে সকলো শিক্ষার্থীৰ হাতত প্ৰয়োজনীয় পাঠ্যপুথি যোগান ধৰাৰ ব্যবস্থা গ্ৰহণ কৰিবলৈ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক দাবী জনায়। ইয়াৰ উপৰিও বিদ্যালয়সমূহত থকা আন্তঃগাঁথনিৰ সমস্যা, শিক্ষাৰ অনুকূল পৰিবেশ সৃষ্টি, প্ৰয়োজনীয় সা-সুবিধা বৃদ্ধি আদি বিষয়সমূহো আলোচনা কৰা হয়। শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ স্বাৰ্থত এই সমস্যাসমূহৰ স্থায়ী সমাধানৰ বাবে সংশ্লিষ্ট বিভাগক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায় সংগঠনটোৱে। খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই প্ৰতিনিধি দলটোৰ বক্তব্য মনোযোগেৰে শুনি বিষয়সমূহ গুৰুত্বসহকাৰে বিবেচনা কৰাৰ আশ্বাস প্ৰদান কৰে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আজিৰ প্ৰতিনিধি দলটোত ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সম্থাৰ উপ-সভাপতি কুলদীপ ডেকা, সম্পাদক বিকাশ কলিতাৰ লগতে সংগঠনটোৰ আন কেই বাজনো বিষয় ৰবীয়া উপস্থিত আছিল। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক স্বাৰ্থ সুৰক্ষিত কৰাৰ লক্ষ্যৰে আগবঢ়োৱা এই পদক্ষেপে অঞ্চলজুৰি বিশেষ গুৰুত্ব লাভ কৰিছে।

ৰূপহীহাটৰ পৰা ২ দিন ধৰি সন্ধানহীন মাদ্ৰাছাৰ ছাত্ৰ মোফাজ্জল হুছেইন

অসম বার্তা, ৰূপহীহাট, ৪ জুন ঃ ৰূপহীহাটৰ ঘেছবা চলচলিৰ এগৰাকী ১৯ বছৰীয়া মাদ্ৰাছাৰ ছাত্ৰ ২ দিন ধৰি সন্ধানহীন হোৱা ঘটনাই অঞ্চল জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মোফাজ্জল হুছেইন নামৰ মাদ্ৰাছাৰ ছাত্ৰ জনে ঘৰত সামান্য তৰ্ক বিতৰ্কত লিপ্ত হৈ মঙ্গলবাৰে সন্ধিয়া নিজ ঘৰৰ পৰা ওলাই গৈছিল। পৰিয়ালৰ লোকে আত্মীয় স্বজনৰ লগতে বিভিন্ন ঠাইত বিচাৰ খোচাৰ কৰিও কোনো সন্ধান উলিয়াব পৰা নাই। ছাত্ৰজনৰ। যাৰ বাবে চিন্তিত হৈ পৰিছে পৰিয়ালৰ লোকসকল। ছাত্ৰজনৰ সন্ধান বিচাৰি অসহায় পৰিয়ালে এতিয়া সংবাদ মাধ্যমৰ কাষ চাপিছে। ঘটনাসন্দৰ্ভত পৰিয়ালৰ লোকে ৰূপহীহাট আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰিছে। কোনো সদাশয় ব্যক্তিয়ে যদি মোফাজ্জলৰ কোনো সন্ধান লাভ কৰে তেন্তে ৰূপহীহাট আৰক্ষী থানা অথবা পৰিয়ালৰ ৭৮৯৬৪৬৭৬৯৭ এই নম্বৰত যোগাযোগ কৰিবলৈ কাতৰ আহ্বান জনাইছে।

গৰৈমাৰীত প্ৰয়াত মাধুৰ বৰ্মণলৈ আছুৰ শ্ৰদ্ধাঞ্জলি